REFERENCE
(Not for Issue)

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FOURTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

VOLUME I

No. 13

The 12th March 1969

1987

PRINTED AT THE PAPLOO PRINTERS
JORHAT

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1969

(Budget Session

Volume I.

No. 13

The 12th March 1969

CONTENTS


| | | Page |
|---|---|---|
| 1. | Starred Questions and Answers. .... | 6—48 |
| 2. | Unstarred Questions And Answers. | 48—61 |
| 3. | Scarcity of wate in the Pinewood Hotel and in Members'' Hostels. ... .... | 61—62 |
| 4. | Divisional Scheme of the N. E. F. Railway ... | 62—65 |
| 5. | The State Civil Service in Assam. | 65—66 |
| 6. | Calling Attention Notice | 66—67 |
| 7. | General Discussion of the Budget. ... | 68—150 |
| 8. | Adjournment. .... .... .... | 150 |

# Assam
# Legislative Assembly Debates

## OFFICIAL REPORT

BUDGET SESSION

VOLUME I

NO. 13

The 12th March 1969

**Proceedings of The Sixth Session of the Assam Legislative Assembly assembled after the Fourth General Elections under the Sovereign Democratic Republican Constitution of India**

The Assembly met in the Assembly Chamber, Shillong, at 10 a.m on Wedesday the 12th March 1969.

PRESENT

Shri Ataur Rahman, M.A., LL.B., Deputy Speaker, in the Chair, Nine Ministers, Five Ministers of State, Three Deputy Ministers and Seventyfive Members.

# QUESTIONS AND ANSWERS

## STARRED QUESTIONS

(To which oral answers were given)

### Further Supplementaries to Starred

Question No. 141

**Re : Number of Co-operative Rice Mills replied on 11th March 1969.**

Shri Debeswar Sarma : চাৰ, ১৪১ নং প্ৰশ্নৰ অলপ কথা জানিবলৈ ইচ্ছা কৰো। Co-operative Rice mills বিলাকক Machinary ৰ যোগাৰ দিবলৈ গুৱাহাটীৰ কোনোবা farm বা Corparation ক দিয়া হৈছে নেকি ? ববহোলা Co-operative ক দিয়া মেচিনেৰী দিয়াত ইমান পলম আৰু আহুকাল সৃষ্টি কৰা হল যে ইতিমধ্যে Season পাৰ হৈ যায়।

Shri Lakshmi Prasad Goswmi : চাৰ, এইখিনি প্ৰশ্নৰ উত্তৰ দিবলৈ মোৰ অলপ অসুবিধা হব কাৰণ এই সম্বন্ধে কাগজ পত্ৰ অনা নাই। কিয়নো এইটো কালিয়েই হৈ যোৱা প্ৰশ্ন। সদস্য গৰাকীয়ে বহুত কথা কলে আৰু মতামত দিবলৈ সেই কাৰণে অলপ সময় লাগিব।

Shri Debeswar Sarma : মতামত দিবলৈ বাধ্য হৈছো কাৰণ Telegram কৰিলেহে Minister ৰ পৰা উত্তৰ দিয়ে। তাৰ

কাৰণে অৱশ্যে কৃতজ্ঞ। এই Season ত ৰবহোলা Co-operative ক Machinary দিব নোৱাৰাৰ কাৰণে এমোণ ধানো খুন্দিব নোৱাৰিলে।

( উত্তৰ নাই )

Shri Lakshmi Prasad Goswami : Let it stand over sir.

Mr. Deputy Speaker : You will please supply the information later on.

Shri Lakshmi Prasad Goswmi : Sir, I will try to collect information as for as possible.

## Re : Board of Management of Gauhati Wholesale Society

Shri Narendra Nath Sarma : asked :

*142. Will the Minister-in-charge of Co-operation be pleased to state—

(a) Whether it is a fact that the Board of Management of Gauhati Wholesale Society applied for land for the Wholesale Society office and Sahayika ?

(b) If so, the area of the land prayed for ?

(c) Whether it is a fact that the required premium of the land has not yet been given, and if so the reason of non-payment?

(d) The amount paid by the Wholesale Society of Gauhati and Sahayika (Department Stores) as monthly rent?

Shri Lakshmi Prasad Goswami (Minister, Co-operation) replied:

142. (a)--Yes,

(b)—Two Kathas 18 Lechas in Paltan Bazar for construction of building for Sahayika and 5 bighas at Ulubari for construction of Godown.

(c)—(1) Premium of Rs. 41, 325 against the land for Sahayika has been paid on 28th November, 1967 (2) Premium for the land meant for construction of Godown has not yet been paid for want of necessary orders from the Deputy Commissioner, Kamrup, on the application of the Society.

(d)—The Gauhati Wholesale Consumers' Co-operative Society paid Rs. 1,540.46. P. per mensem for Godown and Rs. 6,000 per men-sem for the Sahayika.

Shri Narandra Nath Sarma : মাননীয় উপাধ্যক্ষ মহোদয়, সহায়িকাৰ ঘৰ এতিয়ালৈকে সজা নাই, এই ঘৰ সজাৰ বাবে কি অসুবিধা হৈছে ?

Shri Lakshmi Prasad Goswami : এই ঘৰটোৰ মাটিখিনি আগৰ লোকেল—বোৰ্ডৰ মাটি। তাত কেইটামান ঘৰত মানুহ আছে আৰু সেই মানুহখিনিক এতিয়াও উচ্ছেদ কৰিব পৰা হোৱা নাই। সেইকাৰণে তাত ঘৰ সাজিব পৰা নাই।

Shri Prabhat Narayan Choudhury : ফাঁচী বজাৰত এখন New-Market হব তাত সহায়িকাৰ কাৰণে ঘৰ লৈছে নেকি ?

Shri Lakshmi Prasad Goswami : নাই।

Shri Jalalluaddin Ahmed - সহায়িকাৰ কাৰণে কিমান টকা সহায় দিছে ?

Lakshmi Prasad Goswami : Total Amount মোৰ হাতত নাই।

Shri Phoni Bora : সহায়িকাই লাভ কৰিছেনে লোকচান কৰিছে ?

Shri Lakshmi Prasad Goswami : সহায়িকাৰ হিচাব পৰীক্ষা কৰি থকা হৈছে। কি হয় কব পৰা নাই।

Shri Phoni Bora : যোৱা বছৰ লাভ কৰিব পাৰিছিলনে নে নাই ?

Shri Lakshmi Prasad Goswami : এই বছৰ প্ৰথম হিচাব পৰীক্ষা কৰা হৈছে ।

Shri Shamsul Huda : এই ঘৰবোৰ ভাৰা কোনো ব্যক্তিগতলোকে পায়নে কোনো অনুষ্ঠানে পায় ?

Shri Lakshmi Prasad Goswami : এইটো অনুষ্ঠানে পায় ।

Shri Shamsul Huda : এইটো কথা সঁচানে যে অনুষ্ঠানে পোৱা বুলি কৈছে যদিও কোনোবা এগৰাকী বিধবা মানুহে পোৱা বুলি শুনিবলৈ পাইছো ?

Shri Bimala Prasad Chaliha : এইটো নহয়, ইয়াৰ কাৰণে এখন সৰ্ব্বোদয় Trust Board আছে ।, ডাঃ হৰেকৃষ্ণ দাস, আৰু তেখেতৰ ছোৱালী অমল প্ৰভা দাসে এইটো পায় । সৰ্ব্বোদয় Trust ৰ বাবেহে তেখেতে লয় ।

Shri Prabhet Narayan Choudhury : মাহিলী হিচাবৰ এটা আভাস দিব পাৰিবনে ?

Shri Lakshmi Prasad Goswami : এইটো সম্ভৱপৰ নহয় ।

Shri Narendra Nath Sarma : সহায়িকাৰ মাটিৰ কাৰণে D. C, ৰ পৰা কোনো order পোৱা নাই নেকি ?

Shri Lakshmi Prasad Goswami : মাটিৰ কাৰণে ৪৮ হাজাৰ ৮৭৫

টকা দিব লাগে। এই Premium ৰ টকাটো এই গোটেই টকাটো সোমাই ৰাখিলে Co-operative ৰ অসুবিধা হয়। সেই কাৰণে D, C. ক আবেদন কৰিছে কিস্তি হিচাবে দিবৰ কাৰণে। অৱশ্যে D. C. এ order এতিয়াও দিয়া নাই।

Shri Atul Chandra Goswami : যি কেইজন মানুহে বেদখল কৰি বহি আছে সেই কেইজন কোন কোন?

Shri Lakshmi Prasad Goswami : আচলতে কোনো মানুহ নাই। সৰু-সুৰা দোকানী কিছুমানহে মাথোন আছে। তেওঁলোকৰ কথা আমি চিন্তা কৰি আছো। তেওঁবিলাকক তাৰপৰা উঠাই দিয়া নহলেও তাৰ সিফালে ঘৰটো সাজিব পৰা হয়নে নহয় তাৰ জোখ-মাখ কৰি থকা হৈছে।

Shri Atul Chandra Goswami : ফাচী বজাৰৰ কাষত আৰু অন্যান্য বজাৰত যিবিলাক গোমটি আছে সেই বিলাক ভাঙি হুৰ-হুৰ কৈ পেলাই দিছে সেইটো সচানে?

Shri Lakshmi Prasad Goswami : এইটো মোক নোসোধাই ভাল।

Shri Dulal Chandra Barua : Sir, whether this sahayika is sponsored by the Govt. or by the individual

Shri Lakshmi Prosad Goswami : Sir, this is a co-operative venture.

Shri Dulal Chandra Barua : Sir, whether the Govt. is having any share in it.

Shri Lakshmi Prosad Goswami : Yes. From time to time Govt. give advances, grants-in-aid and contribute to share also but details information, Sir, not with me now. I can furnish all the information to the Hon'ble Member later on.

Shri Gouri Sankar Bhatacharyya : Information যিখিনি দিয়ে সেইখিনি সচঁা হব লাগে। কাৰণ মন্ত্ৰী মহোদয়ে এতিয়াই কলে যে সহায়িকাক যিখিনি মাটি দিবলৈ ঠিক কৰা হৈছে তাত কেৱল সৰু সৰু গোমটি-তোমটি কিছুমানহে আছে আচলতে সেইটো নহয়। কথাটো হৈছে, মন্ত্ৰী মহোদয় পঞ্চায়ত বিভাগৰো মন্ত্ৰী। উক্ত জমিৰ ওপৰত গুৱাহাটী মহকুমা পৰিষদ অফিচৰ বৰ কেৰাণী জনে এটা ভাল Assamtype ঘৰত সপৰিয়ালে বসবাস কৰি আছে দৰকাৰ হলে নামটোও কব পাৰো।

Shri Lakshmi Prosad Goswami : মাননীয় সদস্যই যিটো কৈছে সেইটো সচঁা হয় ঘৰটো আগৰ লোকেল বোডৰ ঘৰ আছিল। মানুহজন থকা কাৰণে একো অসুবিধা হোৱা নাই।

Shri Gauri Sankar Bhatacharyya : গোমতি তোমতিৰ নামত যদি একো অসুবিধা হোৱা নাই তেন্তে ই চৰকাৰৰ মহানুভৱতাৰ পৰিচায়ক। আচলতে এই ঘৰটো মন্ত্ৰী মহোদয়ৰ নিজৰ বিভাগৰ বৰ কেৰেণীয়ে বেদখল কৰি আছে। ইয়াৰ কোনো ব্যৱস্থা লোৱা হোৱা নাই।

Shri Lakshmi Prosad Goswami : তেখেতে কোৱা কথাটো মই সচাঁ বুলি কৈছো। মানুহজন যাবলৈ স্বীকাৰ কৰিছে কিন্তু সৰু সৰু দোকানবোৰ কাষতে ৰাখি ঘৰটো সাজিবলৈ চিন্তা কৰিছো।

Shri Sailen Medhi : মাননীয় মন্ত্ৰী মহোদয়ে হিচাব পৰীক্ষা হোৱা নাই বুলি কৈছে। কিন্তু সহায়িকাত ইতিমধ্যে 8 লাখ টকাৰো বেচি লোকচান হোৱা বুলি খবৰ পোৱা গৈছে ? ইয়াৰ বেচি সংখ্যক টকা ঘৰ ভঙাৰ কাৰণে ভৰিব লাগে। এই কথা বিবেচনা কৰি মন্ত্ৰী মহোদয়ে ততালিকে সহায়িকাৰ নিজা ঘৰ সজাৰ কিবা ব্যৱস্থা কৰিবনে ?

Shri Lakshmi Prosad Goswami : এই বিষয়ে আমি official Communi cation পোৱা নাই। মাননীয় সদস্যই কৈছে বেচি লোকচান হৈছে কিন্তু হয়তো তাতকৈয়ো বেচি লোকচান হব পাৰে। এই কথাৰ হিচাব কৰিছে খাটাং উত্তৰ দিব পৰা হব আৰু ঘৰ সজাৰ সম্বন্ধে চেষ্টা কৰি আছো।

Shri Prabhat Narayan Chaudhury : May I know whether the Sahayika is an independent body or is a part ard parcel of the Gauhati Wholesale Consumers' Co-operative Society ?

Shri Lakshmi Prosad Goswami : It is a branch of the Wholesale Society.

Shri Prabhat Narayan Chaudhury : Then how is it that the Minister said that its accounts weie separately audited ?

Shri Lakshmi Prosad Goswami : That was not my answer. A audit for the entire Society is going on and is not yet complete.

Shri Dulal Chandra Barua : May I know what is the amount which the Assam Government has paid to the Sahayika in the form of grant-in-aid or as share capital till to-day ?

Shri Lakshmi Prosad Goswami : I have already said that the detailed information is not with me. I will furnish the same later.

Shri Dulal Chandra Barua : This is a very relevant question and the Hon'ble Minister should have come prepared with all these informations at the time of reply.

Mr. Deputy Speaker : The information is not with him. He will supply it later.

**Re : Formation of Agro-Industries Corpcration**

Shri Prabhat Narayan Choudhury asked :

* 143. Will the Minister-in charge of Agriculture be pleased to state—

(a) Whether it is a fact that the Agro-Industries Corporation was formed in Assam with assurance of Central assistance of Rupees one crore and of State assistance of Rupees one crore ?

(b) Whether the Government is aware that the Corporation is handicapped for non-receipt of Rupees one crore from the Centre resulting in failure to extend promised service to the Agriculturists through Panchayats, etc., for timely supply of required agricultural implements ?

(c) Whether the Government propose to take up the matter immediately with the Centre with a view to allay sufferings of the agriculturists of the State ?

Shri Lakshmi Prasad Goswami (Minister, Agriculture) replied :

143. (a)—The Agro-Industries Development Corporation was formed with the expectation of Central assistance in the form of share-capital contribution.

(b)—Due to delay in receiving share-capital contribution from the Centre the Agro-Industries Development Corporation experienced some temporary difficulty in their work.

(c)—The matter had already been taken up with the Central Government and their total subscription of share-capital to the extent of Rs. 87·00 lakhs has been received.

Shri Prabhat Narayan Narayan Chaudhury : The Minister said that there was delay in receiving share capital contribution from the Central Government. May I know it has since been received and also what is the quantum of contribution of the State Government to the Agro-Industries Corporation ?

Shri Lakshmi Prasad Goswami : Our share participation is Rs. 1 crore and the Government of India's contribution, according to the arrangement, is Rs. 1 crore, out of which we have received Rs. 87 lakhs till now.

Shri Dulal Chandra Barua : Whether the Government of India's contribution is recurring or it is ad-hoc ?

Shri Lakshmi Prasad Goswmi : It is share contribution .

Shri Dulal Chandra Barua : Whether there is any recurring contribution ?

Shri Lakshmi Prosad Goswami : There is no recuring contribution.

Shri Prabhat Narayan Chaudhury : What is the object of the Agro-Industries Corporation and what is the purpose of setting up this body in this State ?

Shri Lakshmi Prosad Goswami : The Articles of Memorandum are there. From the nature of the question, my presumption was that the hon. member know the purposes and objects for which the Agro-Industries Corporation was set up. However, I can lay the Articles of Memorandum on the table of the House.

Shri Dulal Chandra Barua : What is its relation with the Agriculture Department in respect of agricultural development ?

Shri Lakshmi Prosad Goswami : It is a businss concern. For our requirements of agricultural machinery like tractors, pumps, etc. and also for fertilizers we place our orders with the Corporation.

Shri Dulal Chandra Barua : Whether it is a fact that due to the duplication of the purchasing system by the Agriculture Department and the Agro-Industries Corporation, there is wastage of money ?

Shri Lakshmi Prosad Goswami : There is no duplication. It is our policy to purchase through the Agro-Industries Corporation.

Shri Debeswar Sarmah : Agro Industries corporation কৰা হৈছে কিন্তু মাজতে এটা working expense আৰু Administrative Expense থকাৰ কাৰণে দাম বাঢ়ি গৈছে নেকি ?

Shri Lakshmi Prosad Goswami : Agro-Industries Corporation কৰাৰ কাৰণে দাম বঢ়া নাই। কিন্তু General দাম বঢ়াৰ কাৰণেহে দাম বাঢ়িছে।

Shri Debeswar Sarmah : মোৰ প্ৰশ্নটো এইটো নহয়। মোৰ constituency তো গুৱমলিয়া হৈছে। Corporation পতা হৈছে। কিন্তু Trector ৰ এটা বস্তু যদি গুৱাহটীৰপৰা আনিব লাগে আনটো ডিব্ৰুগড়ৰৰ পৰা আনিব লাগে। যোৰহট অফিচত ৩/৪ জন অফিচাৰ বহি আছে। একো কাম নাই। পিছে কিষকেই কিনক বা Government এই কিনক Corporation পতাৰ কাৰণে দাম বাঢ়িছে নেকি ?

Shri Lakshmi Prosad Goswami : সেই কাৰণে দাম বঢ়া নাই।

Shri Prabhat Naryan Chaudhury : The Agro-Industri s Corporation was set up for giving a scientific bias and imparting techinical know-how to augment the agricultural output in the State also for use of improved agricultural implements. May I know what is the present

machinery for giving publicity to the people and to the organisations like the Panchayat about the purpose, activities and functions of the Agro-Industries Corporation ?

Shri Lakshmi Prosad Goswami : The Agriculture Department issued instructions to all the Panchayats regarding the procedure for purchasing agricultural implements from the Agro-Industries Corporation. We have also issued instructions to the District Agriculture Officers to give guidance to the Panchayats in getting their agricultural implements from the Agro-Industries Corporation.

Shri Hiralal Patwary : মাননীয় মন্ত্ৰী মহোদয়ে সদনক জনাইছে যে Agro-Industry Department এ খেতিয়ক কিছুমানৰ পৰা একোটা ট্ৰেকটৰত ১২ হাজাৰ লৈকে আৰু কিছুমানৰ পৰা ১০,৫০০ টকা লৈছে। তাৰ ভিতৰত শ্ৰীৰত্নেশ্বৰ শৰ্মা নামৰ এজনৰ পৰা ১২ হাজাৰ লৈছে। এই দৰে কিয় কাৰোবাৰ পৰা ১২ হাজাৰ কাৰোবাৰ পৰা ১০,৫০০ লোৱা হৈছে ।

Shri Bimala Prasad Chaliha : উপাধ্যক্ষ মহোদয়, ট্ৰেকটৰ বেলেগ বেলেগ ধৰণৰ আছে। কিন্তু Agro-Industry corporation সম্পৰ্কে যেতিয়া ব্যাপক ধৰণৰ পাম্প আৰু Fertilizes দিয়াৰ প্ৰয়োজন হয় এইটোৰ দিয়া সম্ভৱপৰ নহয়। Agro-Industrial corporation জাৰ অকল আমাৰ ৰাজ্যতেই দিয়া নহয় সকলো ৰাজ্যতেই দিয়া হয় ।

Shri Hirala Patwary : একে ধৰণৰ ট্ৰেকটৰ, আৰু একে সময়তে দিয়া কিন্তু দাম বেলেগ বেলেগ লোৱা হয়।

Shri Bimala Prasad Chaliha : এইটো খবৰ আমাৰ হাতত নাই।

Shri Dulal Chandra Borua : মহোদয় Agro-Industrial corporation ৰ Managing Director জনক Technically Qulified মানুহ হব লাগে অৰ্থাৎ তেখেতৰ commercial Industrial, নাইবা Training Experience থকা মানুহ হব লাগে। এতিয় তাত যি জন managing Director আছে তেখেতৰ তেনেকুৱা কিবা Qualification আছেনেকি ?

Shri Lakshmi Prasad Goswami : ইয়াত মতামতৰ কথা থাকিব পাৰে। এতিয়া যিজন Managing Director আছে তেখেত Administration line ৰ মানুহ আৰু তেখেতৰ Technical qualification আছেনে নাই আমি নাজানো।

Shri Gaurisankar Bhattachayya : তাত এজন I. A. S. officer সোমুৱাই থৈছেনে কি ?

Shri Debeswar Sarmah : মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে Agro-Industry Corporation ৰ কাৰণে যিটো কথা কৈছে, সেইটো আমিও বিচাৰোঁ। চৰকাৰে বহুতো ভাল কাম কৰিছে আৰু কৃষি ক্ষেত্ৰত বাইজক সহায় কৰিবলৈ চেষ্টা কৰিছে। কিন্তু এই Agro-Industry ৰ আচল কাম কি হৈছে, সেইটোহে মই জানিব বিছাৰিছোঁ। এই ক্ষেত্ৰত দুই এটা উদাহৰনো দিব পাৰে।। বাপুকণ বৰুৱা নামৰ এজন মানুহে ট্ৰেক্টৰ কিনিলে খেতি

কৰিবলৈ, সেই সময়ত গৰু মহৰ বেমাৰ হৈছিল। ট্ৰেক্টৰটো কিনি তেওঁ খেতি হলে কৰিব নোৱাৰিলে—তাৰ কাৰণে তেওঁ ডিব্ৰুগড় আৰু গুৱাহাটীৰ ভিতৰত মাকো মাৰিবলগিয়া হৈছিল।

Mr. Deputy Speaker : আপোনাৰ আচল প্ৰশ্নটো কি ?

Shri Debeswar Sarmah : মই গৰ্ভণমেণ্টক নিবেদন কৰিব খুজিছো যে তিতাবৰৰ পৰা মানুহ আহি কম্পেনিৰ ওচৰলৈ গৈছিল। কম্পেনীয়ে একো ভাল সমাধান দিব নোৱাৰাত মানুহজন মোৰ ওচৰলৈ আহিল। কাৰণ মই M. L. A. এনেধৰণৰ কিছুমান বেমেজালি আহিছে সেইকাৰণে মই এইটো কৈছোঁ যে, আমি পইছা ভৰি কোনো এটা অনুষ্ঠান কৰিলো। কিন্তু চাব লাগিব যে, অনুষ্ঠানটোৱে Function কৰিছেনে নাই ? মই যিমানখিনি দেখিছো তাৰ থিকমতে functioning হোৱা নাই—এতিয়া চাওক গোৱালপাৰাতে ২ টা থানাত ৩০ লাখ টকা খৰচ কৰিছে, এই টকাৰ বিনিময়ত তেওঁলোকে যিমান কম্বল দিব লাগে—কিমান দিলে ? আৰু চৰকাৰে বা কিমান পালে ? গতিকে মোৰ প্ৰশ্ন হ'ল Agro-Industrial Development corporation কৰিছে ভাল হৈছে। কিন্তু তাৰপৰা প্ৰকৃত কাম হৈছেনে নাই ?

( No reply )

Shri Dulal Chandra Borua : মহোদয় মোৰ প্ৰশ্নটো হৈছে, এই Development corporation ৰ কাৰণে নানা Machinery আনিছে সেইবিলাক কেনেধৰণেৰে আনিছে সেইবিলাক অনাৰ কিবা পদ্ধতি আছে নেকি বা চৰকাৰে—সেই পদ্ধতি ঠিক কৰি দিছে নেকি ?

Shri Lakshmi Prosad Goswami (Minister) : তাৰ কাৰণে এটা Board of Directors আছে, তেওঁলোকে Policy বিলাক ঠিক কৰে মাননীয় সদস্যয়ো জানে যে District Committee য়ে কিছুমান পৰামৰ্শ দিয়ে। Board য়েই সকলো ঠিক কৰে চৰকাৰে Policy ঠিক নকৰে, তেওঁলোকেই ঠিক কৰে।

## Re: Petro-Chemical Complex Institutes in Assam

M Shamsul Huda asked :

*144. Will the Minister-in-charge of Industries be pleased to state--

(a) Whether it is a fact that Petro-Chemical Complex Institutes are going to be established in Assam?

(b) If so, when?

(c) Whether the Government has made arrangements for education and training of the required number of local technicans and experts for the institutes?

(d) If not, why?

Shri Biswadev Sarma (Minister, Industries replied :

144. (a)—Yes.

(b)—An application by Assam Industrial Development Corporation, a Government of Assam Undertaking has been submitted to the Government of India for issue of a licence under Industries Development and Regulation) Act. The licence has not been received as yet. Necessary steps for implementation will be taken up as soon as licence is obtained.

(c)—It takes about 3 years for implementation of such scheme after receipt of the licence. As such, appropriate arrangements will be made as soon as licence as per (b) above is received.

(d)—Does not arise.

M. Shamsul Huda : Sir, the heading of the question 144 should be "Petro-chemical Complex Industries in Assam" in place af "Petro-chemical Complex Institutes in Assam."

Sir, may I know from the hon Minister what will be the required number of technicians and experts for the scheme ?

Shri Biswadev Sarma : Sir, on the managerial side about 52 persons will be required and the number of skilled wokers is 52 and unskilled workers 47.

M. Shamsul Huda : Sir, what is the reaction of the Government of Assam regarding the item of news published in a section of Press that there is no proposal for establishing any Petro-chemical Complex Industries in Assam ?

Shri Biswadev Sarma : Sir, I owe an explanations was of this House. Sir, the Minister for Petroleum and Chemicals, Government of India has made certain remarks about this. Sir, if you allow me, I may read out the relevant portion of my letter, so that the whole matter will be cleared to the House.

"Dear Dr. Sen,

It has been brought to my notice through a news item in the Assam Tribune of today that your Ministry has not got under contemplation any scheme for petro-chemical industries in Assam.

I am very surprised to read this news in view of the fact that this industry has been under negotiation with your Ministry for last one year. I have myself discussed with your predecessor number of times about this project, at the official level also a number of discussions have been held. In fact, ultimately your Ministry, under letter No. 12 (10)/68/Ch. I dated 28.8.68. informed us that if we are satisfied

with the economics of the project, we may go ahead getting the engineering offers to find out the cost of production of various items proposed, as your officials expressed that PVC manufacture of 6,000 tonnes is not an economic unit. This matter was also discussed during the Plan Discussion and an amount of Rs. 1 lakh was tentatively provided so that we can explore the drawing out of the project in a better detail. Once this was drawn up and we are satisfied with the economics of the project, we may come to the Government of India for necssary sanction.

In the meantime, after a discussion with the Member, Planning Commission, I was advised that I should make an application for an Industrial Licence. Such an application has been made and your Ministry is aware of it, as our Director of Industries who went for discussion on this project had a discussion with Shri L. Kumar and your Ministry has got this application with them. During the discussion, Shri L. Kumar informed the Director of Industries that as the present Licence application was in the private sector, the Ministry of Petroleum and Chemicals may not have much comments to make. It was up to the Ministry of Industrial Development, and D.G.T.D. Acordingly, the Director of Industries had a technical discussion

ment of India do not grant the Licence, whether there is anything in contemplation of the Government to take as next step so that the industry may be established here ?

Shri Biswadev Sarma : I can tell the honourable members that in view of the reply received from the Union Minister, we are going to get the Licence.

Shri Debeswar Sarmah : এতিয়া যি কেইটা Industry Public বা Quasi public sector ত বহুৱা হৈছে, তাতআমাৰ শিক্ষিত উপযুক্ত লোক বা Technical Knowledge নথকাৰ বাবে অনা অসমীয়া উপনিবেশ ঠায়ে ঠায়ে স্থাপন হৈছে। এতিয়া Petro Chemical Complex বিষয়ে সময় লাগিব। গতিকে ইতিমধ্যে আমাৰ অসমীয়া ডেকাক এই বিষয়ে শিক্ষা লবলৈ পঠোৱাৰ বিষয়ে কিবা চিন্তা কৰিছেনে ? যদি পঠায় কেতিয়া পঠাব আৰু কলৈ পঠাব, এই বিষয়ে কি ঠিক কৰিছে ?

Shri Biswadev Sarma : Sir, I have already replied to that in my answer that as soon as the licence is received we shall make necessary arrangment for training of our boys in the countries where the collaboration is effected. Now, Japan, in collaboration with whom we are going to set up the industry, they have also agreed to train our boys.

Shri Gauri Sankar Bhattacharyye : The Minister was emphatic in his answer that we are going to get the licence. When the Government is so sure that the licence will be obtained and the industries will be set up, why the Government does not arrange training of the prospective workmen and technician of this industries from within the state of Assam ?

Shri Biswadev Sarma : Sir, unless the whole project is cleared both by the Govt. of Assam and the Govt, of India we cannot go in for training.

Shri Dulal Chandra Barua : When the Government is so determined to have such kind of industry why people could not be trained from now onward instead of waiting for the licence to be issued from the Govt. of India ?

Shri Biswadev Sarma : As soon as industry is finalised we shall train our boys.

Shri Sadhan Ranjan Sarkar : What is the total amount of money required for capital outlay for such an industry ?

Shri Biswadev Sarma : Rupees 18 crores.

Shri Sadhan Ranjan Sarkar: Whether the Govt, has made any provision in this respect?

Shri Biswadev Sarma: Sir, we have not made any provision as yet.

Shri Phani Bora: Minister now says that the programme of training will be undertaken as soon as setting up of industry is finalised. But in his answer to Question No: 144 (a) the Minister says—Yes. The question was whether it is a fact that Petro-Chemical Complex Institutes are going to be established in Assam? It was said—Yes: What is the meaning of this 'Yes' when later on he said as soon as it will be finalised we shall undertake the question of training programme.

Shri Biswadev Sarma: I said as soon as the licence is received we shall undertake the training programme.

Shri Dulal Chandra Barua: If the Govt. of India refuse to issue the licence for such industry does the Govt. consider it proper to take the initiative for setting up of this industry by themselves with some foreign collaboration.

Shri Biswadev Sarma : That is a hypothetical question.

## Re : Scheme for Electrification at Mankachar

Shri Zahirul Islam asked :

* 145. Will the Minister-in-charge of Power ( Electricity ) be pleased to state—

(a) Whether it is a fact that there was a scheme to electrify Mankachar ?

(b) If so, source of that project and what was the target date for final implementation of the power project ?

(c) What is the present position of the scheme ?

Shri Biswadev Sarma [ Minister, Power ( Electricity) ] replied :

145. (a)—No.

(b) & (c)—Do not arise.

Shri Zahirul Islam : মাননীয় মন্ত্ৰী মহোদয়ে জানেনে যে তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ ভিতৰতে মানকাছাৰত Electrification কৰাৰ কথা আছিল ?

Shri Biswadev Sarma : এই বিষয়ে খবৰ কৰিব লাগিব।

Shri Zahirul Islam : এইবিধান সভাত ১৯৬৫-৬৬ চনত। মাননীয় বিত্তমন্ত্ৰী মহোদয়ে কৈছিল যে মানকাছাৰ Electrify কৰা হব। এইটো সচানে ?

Shri Kamakhya Prasad Tripathi : এই প্ৰশ্নৰ উত্তৰটো মন্ত্ৰী দিওঁ। নাঙ্গল বিদ্ৰাৰ যিটো Scheme আছিল সেই Scheme ৰ অনুযায় Machinary ও আহিছিল। কিন্তু ৰাস্টা সংযোগ নোহোৱাৰ কাৰণে দেৰি হৈছে। নহলে ইমান দিনে হৈ গ'ল হয়।

## Re : Pohumara River

Shri Dharanidar Choudhury asked :

• 146. Will the Minister-in-charge of Public Works Department ( Roads and Building ) be pleased to state—

(a) Whether the Government is aware that the Pohumara river is going to wash away the Bhabanipur-Barpeta Road at the South of Bhabanipur village ?

(b) If so, what steps are taken by the Government to save the road and its neighbouring areas

(c) If not, whether Government propose to take immediate steps to save the road in time ?

Shri Altaf Hossain Mazumder [ Minister of State, Public Works Department ( Roads and Buildings ) ] replied :

146. (a)—Yes. The road is threatened by erosion of the river Pohumara.

(b)—During floods, some temporary protective measures were taken to protect the road by providing bamboo spurs, etc. It is also proposed to provide permanent protection to the road before the next floods.

(c)—Does not arise in view of reply above.

## Re : Gandhi Statue at Sarania Hills, Gauhati, at a cost of eight lakhs

Shri Maneswar Boro asked :

* ১৪৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে ?

(ক) গান্ধী শতবাৰ্ষিকী পালন সমিতিৰ অসম শাখাই গুৱাহাটীৰ শৰণীয়া পাহাৰৰ ওপৰত ৮ লাখ টকা খৰচ কৰি গান্ধীজীৰ এটা বিৰাট প্ৰস্তৰ-মূৰ্ত্তি নিৰ্ম্মাণ কৰিবলৈ সিদ্ধান্ত লোৱা কথা সঁচা নে ?

(খ) এইটো কথা সঁচা নে যে এজন একজিকিউটিভ ইঞ্জিনীয়াৰে প্ৰস্তাবিত প্ৰস্তৰ-মূৰ্ত্তিৰ কাৰণে আহিঁ চাই গোটেই ভাৰতবৰ্ষ ঘূৰিছে আৰু এই ভ্ৰমণত খৰচ প্ৰায় ৬০ হাজাৰ টকা হৈছে ?

(গ) সেই একজিকিউটিভ ইঞ্জিনীয়াৰজন কোন ?

Shri Altaf Hossain Mazumder [Minister of State, Public Works Department (Roads and Buildings)] replied :

157. (a)—Yes.

(b)—No. The Architect, P. W.D., however accompanied some members of Gandhi and Martyr's Memorial Committee in their tour to Calcutta and a few places in South India for the purpose. The expenditure incurred on T. A. and D. A. by the Architect was Rs. 1,950.

(c.—The name of the Architect is Shri Manik Chandra Hatikakati.

Shri Maneswar Boro: Sir. এই অসমীয়াতে প্ৰশ্ন কৰিছো, গতিকে অসমীয়াতে উত্তৰ দিব লাগিব।

Shri Altaf Hossain Majumder :

(a) হয়।

(b) P.W.D. বিভাগৰ Chief architect Gandhi and Martyr's committee ৰ কেইজনমান সভ্যৰ লগত কলিকতা আৰু দক্ষিণ ভাৰতৰ কিছুমান ঠাইলৈ গৈছিল ? এই architect জনে T. A. আৰু D. A ত ১৯৫০ টকা খৰছ হৈছে।

(c) The name of Architect is.

Shri Manik Chandra Hatikakati : Architect জনৰ নাম হল শ্ৰী মাণিক চন্দ্ৰ হাতীকাকতী ।

Shri Maneswar Boro : চাৰ ৮ লাখ টকা যে খৰচ কৰিব বিচাৰিছে সেইটো মাত্ৰ গান্ধীজীৰ প্ৰতি মূৰ্ত্তীটোৰ কাৰণে নে শৰণীয়া পাহাৰখন ভঙাৰ খৰচও ইয়াৰ ভিতৰত আছে ?

Shri Mohendra Mohan Choudhury ( Minister, Parliamentary Affairs) : এই প্ৰশ্নটো পৰি পূৰক প্ৰশ্নহিচাবে নুঠে তথাপিও কৰ খোজো যে, ৮ লাখ টকা কেৱল গান্ধীজীৰ প্ৰতি মূৰ্ত্তীতে খৰচ কৰা নহয়। এই সদনক আগতে জনোৱা হৈছে যে মূৰ্ত্তীৰ কামত মাত্ৰ ৬৭ হাজাৰ টকাহে খৰচ হৈছে, বাকী খিনি টকাৰে তাত এটা ২ মহলীয়া Auditorium কৰা হব। তাৰ ওপৰ তলাত মহাত্মা গান্ধীৰ গোটেই জীৱনৰ চিত্ৰ প্ৰদৰ্শন কৰা হব। অৰু গান্ধীজীৰ মূল্যবান বাণীসমূহ প্ৰকাশ কৰা হব। তলৰ Auditoritum ত গান্ধীজীৰ জীৱন আৰু গান্ধীদৰ্শন আলেচনা কৰাৰ বাবে আৰু বাহিৰৰ পৰা গান্ধীবাদ সৰ্ম্পক জ্ঞান থকা মানুহ আহি আলোচনা কৰাৰ ব্যৱস্থা থাকিব।

Shri Maneswar Boro : পাহাৰ কতা আৰু ৰাস্তাৰ খৰচৰ টকা বেলেগ নেকি ?

Shri Mahendra Mohan Chordhury : ইয়াৰ ভিতৰতে পৰিছে।

Shri Moneswar Boro : মই জানিব খুজিছো ৰাস্তাৰ বাবে কিমান খৰচ হৈছে ?

Shri Mohendra Mohan Choudhury : এইটো এটা নতুন প্ৰশ্ন। গতিকে ইয়াৰ কাৰণে এটা বেলেগ প্ৰশ্ন দিব লাগিব।

Shri Maneswar Boro : এই টকা খিনি কোনে খৰচ কৰিছে।

Shri Mohendra Mohan Choudhury : Gandhi & Martyr's Trust ত এই টকাখিনি দিয়া হৈছে আৰু P. W. D এই Trust ৰ Agent হিচাবে কাম কৰিছে।

Shri Phani Bora : এই সন্দৰ্ভত থকা মহৎ উদ্দেশ্যৰ কথা আমি বুজি পাইছো । জাতিৰ যিবিলাক সন্মানিত ব্যক্তি আৰু যাৰ অৱদান জাতিৰ ওপৰত প্ৰভাৱান্বিত তেনে ব্যক্তিৰ স্মৃতি ৰক্ষা কৰা দৰকাৰ আৰু বিদেশতো তাৰ উদাহৰণ বিৰল নহয়। কিন্তু এই প্ৰসঙ্গত মই এই কথা কব খুজিছো যে, ইতিমধ্যেই সেই ঠাইত গুন্দা আৰু জুৱাৰী এই ধৰণৰ কিছুমান মানুহৰ আড্ডাত পৰিণত হৈছে আৰু তাৰ ওচৰে-পাজৰে পাহাৰৰ নামনিত থকা মানুহৰ মাজত সন্ত্ৰাসৰ সৃষ্টি হৈছে। এই কথা চৰকাৰে জানেনে ?

Shri Mahendra Mohan Choudhury : এই প্ৰশ্নবোৰ কতো মাননীয় সদস্যাই সত্য খবৰৰ ওপৰত নিৰ্ভৰ কৰি সোধা নাই।

Shri Phani Bora : মই সেই পাহাৰৰ ওচৰতে থকা মানুহ। মই এই-বিলাক কথা ওচৰৰ মানুহৰ পৰা জানি শুনিয়েই কৈছো যে, তাৰ মানুহবিলাকৰ মনত সন্ত্ৰাসৰ ভাৱ সৃষ্টি হৈছে ! তাত সন্ন্যাসীৰ বেশত থাকি জুৱা আদিত সাধাৰণতে লিপ্ত থাকে। এই কথা চৰকাৰে তদন্ত কৰিবনে ?

Shri Mahendra Mohan Choudhury ( Minister ) : তাত তেনেকুৱা আড্ডা নাই কিন্তু তাত এটা মন্দিৰ আছে আৰু তাত এজন পূজাৰী আছে আৰু তেওঁ সপ্তাহত দুদিনকৈ অৰ্থাৎ মঙ্গলবাৰে আৰু শনিবাৰে পূজা চলায়। অৱশ্যে সেই দিন দুটা কোন কোন বাৰৰ বাবে সেইটো কোৱাত মোৰ ভুলো হব পাৰে। তাত দিনতহে পূজা হয়। ৰাতি তাত মানুহৰ সমাগম নহয় বুলিয়ে মই জানো।

M. Shamsul Huda : চৰকাৰে এইটো কথা জনাবনে যে, শৰনীয়া পাহাৰত ব্যক্তিগত বহুতো মানুহক মাটি ঘৰ-দুৱাৰ সাজিবলৈ দিয়া হৈছে। আৰু সেইসকলৰ ওপৰত গান্ধী প্ৰতিমূৰ্ত্তি ৰাখি তলত জীৱন্ত গান্ধীক বাস কৰিবলৈ দিয়া হৈছে।

Shri Mahendra Mohan Choudhury : সেইটো কথা সঁচা নহয়। যিবিলাক বেদখলকাৰী সেইসকলক উচ্ছেদ কৰি আৰু একচনীয়া পট্টাধাৰী মানুহবিলাকৰ পট্টা cancel কৰি ঠাইখিনি ভালকৈ সজাই লবলৈ ব্যৱস্থা লোৱা হৈছে। গছপুলি আদি কই ঠাইডোখৰ সেউজীয়া কৰি বিজুলিবাতি আদি দি যাতে Beauty spot হিচাবে গঢ়ি তুলিব পাৰি তাৰহে ব্যৱস্থা কৰিছে—তাৰ সৌন্দৰ্য্য হ্ৰাস কৰিবৰ কাৰণে নহয়।

## Re : Number of Doctors in Medical Colleges of Assam with Post-Graduate qualification

Dr. Bhumidhar Barman asked :

*148. Will the Minister-in-charge of Health be pleased to state—

(a) Whether it is a fact that there are numbers of doctors serving in the Medical Colleges of Assam as Registrars and Residential Srugeons or Physicians with post-graduate qualification ?

(b) Whether it is also a fact that these doctors are not entitled to get any special allowance or advanced increment for possessing special qualification ?

(c) If so, whether Government propose to consider the matter favourably ?

Shri Chatra Sing Teron ( Minister, Health ) replied :

148. (a)—Yes.

(b)—Yes: But as usual they get an N. P. A. of Rs. 125 p.m.

(c)—This is not contemplated at present.

Shri Bhumidhar Barman : এই কথা সঁচানে, যে, Medical college ৰ Registar, Residential-surgeon, and Phiysicians ৰ দৰে বাকী Asst. Surgeon আদিয়েও সেই সুবিধা পায়নেকি ?

Shri Chatra Sing Teron : তেওঁলোকৰ ভিতৰতে যিবিলাক Post graduate degree ধাৰী তেওঁলোকক ৫ টা increment

আৰু যিবিলাক Post graduate diploma ধাৰী তেওঁলোকক ২টা increment দিয়া হয়। এইটো দিয়াৰ আমাৰ উদ্দেশ্য হৈছে যে, এইটো Special-Qualification হিচাবে দিয়া হয় যাতে আমি এই ডাক্তৰ সকলৰ, বিশেষ জ্ঞান আমাৰ Hospital বা dispensary বিলাকত পোৱা হয়।

Shri Bhamidhar Barman : চাৰ, আমাৰ চৰকাৰী Hospital Medical-college বিলাকত কাম কৰা Surgeon, Phiysician, Registar আদি সকলোকে একেটা কেদাৰত ধৰা কিবা circular আছেনে কি ?

Shri Chatra Sing Teron : সেই Circular সমন্ধে একো নাজানো। কিন্তু কথাটো চিন্তা কৰা হৈছে যে, কেনেকৈ এই দুটা category ক একেটা-কৰা হয় সেই সমন্ধে বিবেচনাধীন হৈ আছে।

Shri Bhumidhar Barman : এইটো যেতিয়া চৰকাৰৰ বিবেচনাধীন চৰকাৰে সহানুভূতিৰে বিবেচনা কৰিবনে ?

Shri Chatra Sing Teron : এই দুয়োটা কেদাৰকে একে কৰিব পাৰিলে পাৰ্থক্য আৰু নাথাকিব।

Re : Nowgong-Bharagaon Road

M: Shamsul Huda asked :

* 149. Will the Minister-in-charge of Transport be pleased to state—

(a) Whether the Government aware that the Nowgong-Bharagaon Road is one of the busiest roads in Assam ?

(b) If so, the total number of private passenger buses plying every day on this road ?

(c) The total length of the road ?

(d) Whether the Government proposed to nationalise this road ?

(e) If so, when ?

(f) If not, why ?

Shri Prabin Kumar Choudhury (Minister of State for Transport) replied :

149. (a)- Yes.

(b)—Thirty buses.

(c)—Fifty-six K. M.

(d) and (e) The S. T. A. have recommended to the Government to nationalise this road under Fourth Five Year Plan. It is under active consideration of the Govt.

(e) In view of the answers to (d) and (e) this question does not arise.

M. Samshul Huda : Whether the Government of Assam have invited any report from the Eastern Road Survey Committee as this road is the busiest road in the Eastern Asia ?

Shri Prabin Kumar Choudhury : We have not received any report.

## Re: Direct Railway Services from Gauhati to Mairabari and Silghat

M. Shamsul Huda asked :

*150. Will the Minister-in-charge of Transport be pleased to state--

(a) Whether the Government is aware that public have been miserably suffering for want of direct railway services (passengers) from Gauhati to Mairabari and Silghat ?

(b) If so, whether the Government propose to urge upon Government of India for adequate shuttle train services from Gauhati to Mairabari and Silghat ?

(c) If not, why ?

Shri Prabin Kumar Choudhury (Minister of State for Transport) : replie

150. (a)—No.

(b)—Does not arise.

(c) - Information collected from the Railways reveals that on an average daily 8 passengers are booked from Gauhati to stations on Chaparmukh (exclusive) Silghat and 2 passengers on Senchoa (exclusive)-Mairabari sections. Through passenger traffic offering, therefore, does not justify urging Government of India for any shuttle train services on the section.

M. Shamsul Huda: Whether the Govt, is aware that a large number of W. T. passangers are travelling between Gauhati and Chaparmukh as the Railway Deptt: do not issue tickets to the passangers who travel a distance less then 150 K. M.?

Shri Prabin Kumar Choudhury: There is a letter from the Railway authority, I mean the General Manager N. F. Railway. I am quoting "The question of providing direct train services between Gauhati and Mairabari / Silghat has been examined. On an average daily 8 passangers are booked from Gauhati to stations on Chaparmukh (exclusive)—Silghat and 2 passangers on Senchoa (exclusive)—Mairabari

section. Through passenger traffic offering, therefore, does not justify such a service as suggested."

Shri Phani Bora চাৰ, এই ধৰণৰ গুৱাহাটী শিলঘাট Train Service আৰু গুৱাহাটী মৈৰাবাৰী লাইনটোও মানুহ নোহোৱা কাৰণে, State Bus ত ভীৰ বেচি হয় আৰু মানুহে Seat নোপোৱাৰ কাৰণে মালবাহী বছৰ ওপৰত মানুহ অহাযোৱা কৰে। এই কথা চৰকাৰে জানেনে ?

Shri Prabin Kumar Choudhury : এইটোও চৰকাৰৰ কোনো খবৰ নাই।

M. Shamsul Huda : এই সম্পৰ্কে চৰকাৰে অনুসন্ধান কৰিবনে ?

Shri Prabin Kumar Choudhury : এইটো Central Subject.

## Re : Massive encroachment in the Dessoi Valley Forest Reserve by underground Naga Hostiles

Shri Maneswar Boro asked :

*151. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that some underground Naga hostiles launched massive encroachment

into the vast areas of the Dessoi Valley Forest Reserve of the Sibsagar District of Assam ?

b) Whether it is a fact that the encroachers have been felling valuable trees in the said Reserve ?

(c) If so, what would be the value of those trees ?

Shri Bimala Prasad Chaliha ( Chief Minister ) replied :

151 (a)—Yes. In all about 700 Nagas including some hostiles from Changki, Japu and Chuntia villages of Nagaland have encroached in Dessoi Valley Reserve Forest and settled there for cultivation etc., since December, 1968. About 14,00 acres of land out of a total area of 40,480 acres of this Reserve Forest is under encroachment.

b)—Yes

(c)—Approximately Rs. 5,25,000.

Shri Moneswar Boro : চাৰ, যেতিয়া নগাই ডিচৈ ৰিজাৰ্ভত গছ কাটিছিল তেতিয়া তাত থকা Forest Incharge জনে চৰকাৰক জনাই-ছিল নে নাই ? যদি জনাইছিল চৰকাৰে কি ব্যৱস্থা লৈছিল ?

Shri Bimala Prasad Chaliha : Forest Incharge জন সেই বিষয়ে নিশ্চয় অৱগত আছিল। মাননীয় সদস্য সকলে জানে যে নগালেণ্ড চৰকাৰৰ পক্ষৰ পৰাও এই সীমা বিবাদৰ চেলু লৈ

বেদখল কৰিছে। সিহঁতৰ কিছুমানক উচ্ছেদ কৰা হৈছিল, কিন্তু সিহঁতে পুনৰ বেদখল কৰিলে। এতিয়া কেইটামান অঞ্চলত নাগালেণ্ড আৰু অসমৰ সীমা সম্পৰ্কীয় Survey কৰিবলৈ স্থিৰ কৰি Survey of India ক দিয়া হৈছে। বাকী বিলাকত বেদখল আৰম্ভ কৰা নাই।

Shri Moneswar Boro : নাগালেণ্ড চৰকাৰে encroachers সকলক Extensive cultivation কৰিবলৈ Loan দিয়াৰ কথা চৰকাৰে জানে নে ?

Shri Bimala Prasad Chaliha : Loaon দিয়া কথা নাজানো। নাগালেণ্ড চৰকাৰৰ পৰা বেদখলীক উচ্ছেদ কৰা সম্পৰ্কে সহযোগ পোৱা নাই।

Shri Jogen Saikia : উপাধ্যক্ষ মহোদয়, দিচৈ ৰিজাৰ্ভখন De-reserve কৰি অসমৰ মাটিহীন আৰু বানবিধ্বস্ত লোকক সংস্থাপন কৰিবৰ কাৰণে আচনি লোৱা হৈছিল। কিন্তু সেই আচনি কাৰ্য্যকৰী নোহোৱাৰ কাৰণেই নগাসকলে বেদখল আৰম্ভ কৰিছে।

Shri Bimala Prasad Chaliha : এইটো হয়। কিছুমান কাৰণবশতঃ আচনি কাৰ্য্যকৰী কৰিব পৰা হোৱা নাই। যেনে যাতায়তৰ কোনো সুযোগ নাছিল। তাৰোপৰি সেইবিলাক ঠাইত Police Protection নহলে মানুহ থাকিব নোৱাৰে। মাটি দিয়া মানুহ বিলাকো তালৈ যাব নোখোজে। এইবোৰেই অকল কাৰণ নহয়। সীমা বিবাদৰ চেলু লৈয়েই তেওঁলোকে বেদখল কৰিছে। তাত আগৰে পৰাই কিছুমান নগাই জুম খেতি কৰিছিল।

Shri Hiralal Patwary : মূখ্যমন্ত্ৰীয়ে সীমা বিবাদৰ কথা কলে। ব্ৰহ্মপুত্ৰৰ কিনাৰত থকা বনাঞ্চল বিলাকত বেদখলকাৰী উঠাই মাটিহীন লোকক মাটি দিয়াৰ ব্যৱস্থা কৰিব নে?

Shri Bimala Prasad Chaliha : দুই এঠাইত কৰা হৈছে। বান-বিধস্ত দিখৌমূখৰ মানুহবিলাকে Forest বিভাগক বেদখল এৰি দিম বুলি কোৱাত ৰিজাৰ্ভ খুলি তেওঁলোকক মাটি দিয়া হৈছে।

Shri Jogen Saikia : দিচৈ ৰিজাৰ্ভত যিবিলাক নগাই বেদখল কৰিছে সেইটো ৰিজাৰ্ভ বেদখলৰ পৰা মুক্ত কৰিবলৈ চৰকাৰে ব্যৱস্থা কৰিছে নে ? এই ৰিজাৰ্ভটো Survey কৰিবলৈ দিয়া হৈছে বুলি কৈছে। ই Disputed area ৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হৈছে নেকি ? আৰু Survay of India ক কিমান দিন লাগিব ?

Shri Bimala Prasad Chaliha : Survey of India ক কিমানদিন লাগিব সেই সম্বেদ লোৱা হৈছে। কাকডোঙাৰ বাহিৰে বাকী বিলাকৰ সম্বেদ লৈ দিবপৰা হব।

Shri Kandarpa Narayan Banikya : মূখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে এই উচ্ছেদ কৰা বেপাৰত নগালেণ্ড চৰকাৰে কোনো সহযোগ কৰা নাই। এই কথা আমাৰ মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰক জনাইছেনে ? যদি জনাইছে তাৰ ফলাফল কি ?

Shri Bimala Prosad Chaliha : এই বিলাক কথা কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰা হৈছে আৰু সঘনে ৰাজ্যপালৰ লগতো আলোচনা কৰা হয়।

Shri Dulal Chandra Barua : চংকি, জাপো আৰু ছুন্তীয়াৰ নগা বিদ্ৰোহী সকলে দিটৈ ৰিজাৰ্ভত বেদখল কৰি ঘৰ সাজি বহি গৈছে। এই বিষয়ে নাগালেণ্ড চৰকাৰক জনোৱা হৈছেনে নাই? যদি জনোৱা হৈছে সেই বিষয়ে কিবা ব্যৱস্থা হাতত লৈছে নেকি?

Shri Bimala Prosad Chaliha : নাগালেণ্ড চৰকাৰৰ Security force ৰ G. O. C ক এই সকলো কথা জনোৱা হৈছে।

Shri Jogen Saikia : মুখ্য মন্ত্ৰীয়ে এই বেদখল মুক্ত কৰাৰ চেষ্টা কৰিছেনে? যদি সময় মতে নকৰে তেন্তে এই ভাগেই থাকি যাব।

Shri Bimala Prosad Chaliha : কেইবাটাও স্তৰত আমি বেদখল মুক্ত কৰিবলৈ চেষ্টা কৰা হৈছে। এটা হৈছে নাগালেণ্ড চৰকাৰৰ লগত আলাপ আলোচনা আৰু ২য়টো হৈছে আমাৰ ফালৰ পৰা Eviction.

Shri Dulal Chandra Barua : চাৰ, মোৰ মনত পৰাত ১৯৬৪ চনত আমাৰ মুখ্য মন্ত্ৰী আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰীয়ে আলাপ আলোচনা কৰি Statusquo ৰাখিবৰ নিমিত্তে সিদ্ধান্ত কৰিছিল। তাৰ পিচত যোৰহাট Circuit House ত দুয়ো ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে আলোচনা কৰি সন্মতি প্ৰকাশ কৰিছিল। তাৰ পিচত মুখ্য সচিবৰ মাজত আলোচনা কৰি Statusquo ৰাখিবলৈ মান্তি হৈছিল। মই মুখ্যমন্ত্ৰীৰপৰা জানিব খোজো যে নগালেণ্ড চৰকাৰৰ উচতনিত Desoi Valley ৰ প্ৰায় ৯।। বৰ্গ মাইল এলেকাৰৈ নগাৰাজ্যৰ মানুহে বেদখল কৰি ঘৰ সাজি বহি গৈছে।

**Shri Bimala Prosad Chaliha** : মই স্পষ্টকৈ জনাব খোজো যে নগালেণ্ড চৰকাৰৰ পক্ষৰ পৰা শ্ৰীচিলুআওৰ লগত মোৰ যি কথা হৈছিল সেই কথা মতে তেওঁলোকে কব খোজে যে Statusquo ৰ কোনো চুক্তি হোৱা নাই। কথা হৈছে যেতিয়া আমাৰ Eviction operation হৈছিল তেতিয়া খেতিৰ সময়। শ্ৰীআত্তৱে কৈছিল যে খেতি নষ্ট হব আৰু খেতি শেষ কৰিবলৈ দিব লাগে। সেইটোত মই ৰাজী হৈছিলো আৰু কৈছিলো যে ভৱিষ্যতে যাতে বেদখল নহয়। Statusquo ৰ কোনো কথা নাই, বৰঞ্চ তেওঁলোকে দাবী কৰিছিল যে তাত কোনো মানুহ বহুৱাব নোৱাৰে। আমি বানবিধ্বস্ত মানুহক বহুৱাবলৈ স্থিৰ কৰিছিলো, কিন্তু তেওঁলোকে আপত্তি কৰাত স্থগিত ৰখা হল। এই বেদখলত নাগালেণ্ড চৰকাৰে যে উৎসাহ দিছে তাত সন্দেহ নাই।

## UNSTARRED QUESTIONS

( To which replies were laid on the table )

**Re : Facilites for Higher education to backward Section of people**

**Shri Tazmul Ali Laskar asked :**

82. Will the Chief Minister be pleased to state—

(a) Whether the State Govenment has recently received any instruction in regard to giving of facilities to students of sections of the people

particularly backward in respect of higher education in technical line?

(b) If so, could Government give an indication of the nature of the instructions?

(c) How do Government propose to implement the instructions if received?

Shri Joy Bhadra Hagjer (Minister of Education) replied:

82. (a)—No.

(b) & (c)—Do not arise.

Re: Declaration of Bijni as a Town.

Shri Golok Chandra Patgiri asked:

83. Will the Chief Minister be pleased to state—

(a) Whether there was any public demand for declaring Bijni as a town and whether Government received any public representation to this effect?

(b) If so, whether Government have taken any steps to declare Bijni as a town?

Shri Bimala Prasad Chaliha (Chief Minister) replied :

83. (a)—Yes.

(b)—The matter is under consideration of Government.

## Re: Flood damage grant to School's

Shri Kabir Chandra Roy Pradhani asked :

84. Will the Minister, Education be pleased to state—

(a) How many schools received the flood damaged grant for building reconstruction in the flood affected areas of Goalpara District ?

(b) Whether it is a fact that some M. V. Schools Senior Basic and L. P. Schools of the flood affected area, are deprived of getting such repairing grant ?

(c) Whether Government propose to give such grants to those flood affected schools ?

Shri Syed Ahmed Ali (Minister of State for Education) replied :

84. (a)—One hundred and seventy seven.

(b) & (c)—Repairing grants to the flood affected Schools were sanctioned basing on the list of Schools (L. P. M. V. and Senior Basic) prepared by the Assistant Secretaries of State Board for Elementary Education of Dhubri and Kokrajhar and no such schools seemed to have been left out of consideration. But, if the hon. Member furnishes a list of Schools not considered earlier, these may after necessary verification be considered for grants if fund permits:

**Re : Headmaster and Assistant Headmaster of Earl High School Cachar**

Shri Jatindra Mohan Barbhuiya asked :

85. Will the Minister Education be pleased to state—

(a) Whether it is a fact that the Headmaster and Assistant Headmaster of Earl High School of Cachar have been placed under suspension for misuse of school fund ?

(b) If so, whether any criminal case has been filed against them ?

(c) If filed, who has filed the case ?

(d) Whether this School has any Managing Commitee according to Departmental type and plan ?

(e) If not, how the School is being managed now without a Managing Committee ?

(f) Whether there is any Headmaster and Assistant Headmaster in place of those who have been suspended ?

(g) If not, how the School is running without a Headmaster and an Assistant Headmaster ?

Shri Joy Bhadra Hagjer (Minister, of Education) replied :

85. (a)—Yes.

(b)—Yes:

(c) The Managing Committee of the Sohool.

(d)—The school was under them anagement of the fullfledged Committee reconstituted according to departmental type and plan. Subsequently there was some difficulty in running the institution so after the expiry of the term of the said Committee and Ad-hoc Committee of the School was formed with effect from 27th July 1968 with 5 Government Officials.

(e)—Does not arise in view of the reply to (d).

(f)—No

(g)—As a stop gap arrangement, seniormost graduate assistant teacher of the School has been placed in charge for running the school till the regular Headmaster and Assistant Headmaster are appointed.

## Re : Pre-Primary School of State Social Welfare Board

Shri Prabhat Narayan Choudhury asked :

86. Will the Minister, Education be pleased to state—

(a) What is the total number of Pre-Primary Schools in the State ?

(b) What is the machinery for supervision of the functioning of the Pre-Primary Schools of State Sociol Welfare Board ?

(c) Whether the Government is aware that most of the said schools appear to be bogus for want of proper machineries for co-ordination with Departmental Schools and want of proper supervision ?

(d) What effective measures the Government pro-

pose to take to bring efficiency to the Pre-Primary Schools in Assam ?

Shri Joy Bhadra Hagjer ( Minister, Education ) replied :

86. (a)—Seventy-four under State Board for Elementary Education and Twenty-seven under Assam State Social Welfare Board.

(b)—The State Social Welfare Board has separate inspecting staff for supervision and guidance of Pre-Primary Schools. In addition, a member of the Board is in-charge of each district for supervising and guiding the institutions.

(c)—No. All the Pre-Primary schools under the State Board for Elementary Education are attached to the existing Lower Primary and Junior Basic Schools and therefore, the supervision of these schools is carried out by the usual inspecting staff.

The Pre-Primary Schools under Assam State Social Welfare Board are supervised by the inspecting staff of the Board and every institution is provided with standard publications and a guide book for organising a Pre-primary schools

(d)—Does not arise.

**Re : Outstanding of Utilisation Certificate from Co-operative Societies**

Shri Gaurisankar Bhattacharyya asked :

87. Will the Minister, Co-operation be pleased to state—

(a) What is the total number of utilisation certificates that are outsanding from the Co-operative Societies receiving various kinds of Government assistance ?

(b) How many of such defaulting societies are receiving Managerial assistance from the Government ?

Shri Lakshmi Prasad Goswami ( Minister, Co-operation ) replied :

87. (a)—One thousand nine hundred and fifty-five.

(b)—Five hundred forty-four.

**Re : Beki Railway bridge, etc, in danger of being eroded by the Naljara River**

Shrimati Pranita Talukdar asked :

88. Will the Minister-in-charge of P. W. D. ( R. & B. ) be pleased to state—

(a) Whether the Government is aware that the Beki Railway bridge, Beki National Highway Bridge, Railway line are in imminent danger of being eroded by the Naljara river in Barpeta Subdivision ?

(b) Whether Government realise that there might be a catastrophe caused by the Sitra river this year ?

(c) Whether the Government propose to take immediate action to close the Naljara and Hakua river at Mathanguri ?

Shri Altaf Hossain Mazumder [ Minister of State, P.W.D. ( R. & B. ) ] replied :

88. (a)—No. Generally the Railway authority always take up protective measures if there is any danger or threat of erosion, etc, to their works

As road bridge is on the down Stream side of the Railway bridge, our bridge is under protection of Railway Bridge.

(b)—No immediate catastrophe is foreseen as far as our works are concerned.

(c)—No.

**Re : Settlement between Transport Depar.ment and Transport Workers' Union**

Shri Durgeswar Saikia asked :

89. Will the Minister of Transport be pleased to state—

(a) Wherther it is a fact that some settlement has reached between the Transport Department and Transport Workers' Union ?

(b) If so, the nature of such settement ?

(c) Whether the deissions arrived at were implemented and, if not, the reasons thereof ?

(d) How long it will take to implement the same

Shri Prabin Kumar Choudhury (Minister of State for Transport) replied :

89. (a)—If the hon. Member means the Assam State Transport Workers' Union, this Union has not been recognised by Covernment. This being so, the question of any settlement with this Union does not arise.

(b), (c) & (d)—Do not arise.

**Re : Public works Department Road in Goalpara District**

Shri Mathura Mohan Sinha asked :

90. Will the Minister, P. W. D. (R. & B.) be pleased to State—

(a) How many roads with mileage are now existing under P. W. D. in Goalpara District (The names with mileages in Division-wise to be furnished)

(b) What is the total mileage of the said roads which are metalled and or gravelled ?

(c) Whether it is a fact that due to shortage of staff, roads and Government institutions are not properly supervised and maintained by Executive Officers ?

(d) If so, whether Government proposes to create a separate division at Bongaigaon specially for the north bank of Goalpara District in order to maintain and supervise the roads and Government institutions peoperly ?

Shri Altaf Hossain Mazumder [Minster of State, P. W. D. (R, &. B.)] replied :

90. (a)–A statement showing names of Road with mileages is placed on the Library Table.

(b)—Metalled 268·71 miles, gravelled 1,006·04 miles.

(c)– No

(d)—Does not arise:

## Re : Numbers of Farming Co operative Societies in Nowgong District

Shri Sadhan Ranjan Sarkar asked :

91. Will the Minister, Co-operation be pleased to state—

(a) The number of Farming Co-operative Societies in the district of Nowgong ?

(b) Who are the Chairmen of those Co-operative Societies ?

(c) Whether a person owning more then 10 bighas of land can become Chairman or member of such Farming Societies ?

Shri Lakshmi Prasad Goswami (Minister, Co-operation) replied :

91. (a) to (c)—The attention of the hon, Member is drawn to the question No. 563 which was replied on 21st September, 1968 during the August September, Sessio of the Assembly, 1968.

A list of names of the Chairmen of those Co-operetive Farming Societies is placed on the table of the House.

## Re : Members of the Public Service Commission, Assam

Shri Jagannath Sinha asked :

92. Will the Chief Minister be pleased to state—

(a) The names of the members of the Public Service Commission, Assam, including the Chairman since 1950 ?

(b) Whether there was any member among the members of the Public Service Commission since 1950 who hails from the Cachar District and if not why ?

Shri Bimala Prasad Chaliha (Chief Minister) replied :

92. (a)—A list showing the names of the Chairmen and members of the Assam Public Service Commission since 1950 is placed on the table of the House:

(b)—No, the Constitution of India which provides for the appointment of the Chairman and other members of the Public Service Commission does not envisage appointment on a regional basis.

### Re : Strengthening of left bank of the river Pagladiya, Further Information on Starred Questions No. 138 replied on 11th March 1969

Shri Gaurisankar Bhattacharyya : Yesterday I left the authority.

Shri Mohendra Mohon Choudhury ( Minister Parliamentary Affairs ) : I enquired from the Assembly Secretariat whether there is any authority or not. Anyway I shall reply to the question tomorrow.

### Re : Scarcify of water in the Pinewood Hotel and in Members, Hostels

Shri Debeswar Sarmah : উপাধ্যক্ষ মহোদয়, তাৰ আগতে মই এটা কথা কওঁ। আমি জনাত Pinewood Hotel খন চৰকাৰি তাৰৈ টুৰিষ্ট, ব্যৱসায়ী আদি আহে ভাৰতবৰ্ষৰ বহুতো ঠাইৰ পৰা আজি ৪ দিনমান আগতেও কেইজনমান বিষয়াও আহি-ছিল। তাত পানীৰ এনে অভাৱ যে পানী নায়েই। খাবলৈ দিয়া এবটল পানীৰে কোনোমতে মূৰটো ধুই আহিবলগীয়া হৈছে। অথচ আমি শুনাত এই Pinewood Hoteal ৰ Board of Directors ত Chief Secy. Chief Engineer আদি মাতব্বৰ অফিচাৰ সকলো আছে। এইটো অকল অসমৰ বদনাম হোৱাই নহয় এই টুৰিষ্ট সকল নহা হলে ৰাজ্যৰ লাভো কমে। পানীৰ ইমান আকাল। কি কৰে এতিয়া। চৰকাৰেনো কি কৰে ?

Shri Gaurisankar Bhattacharyya : ইয়াৰ লগতে মওঁ এটা কথা কওঁ, আজি আমাৰ নব ভৱনতো পানী নাই। আমাৰ মাননীয় সদস্য এগৰাকী মূৰ্চ্ছিত হৈ পৰাত তেওঁৰ মূৰত দিবলৈকো ঠাণ্ডা পানী পোৱা নগল। গৰম পানীহে আছে কিন্তু ঠাণ্ডাপানী নাই।

( Avoice—কোন ? সদস্যজনৰ নাম কি ? )

মাননীয় সদস্যজন হৈছে শ্ৰীহীৰালাল পাটোৱাৰী তেখেতক আজি আহিবলৈ বাধা কৰাতো সদনত উপস্থিত আছে। তেখেতৰ মূৰত দিবলৈকে ঠাণ্ডাপানী পোৱা নগল।

Shri Bimala Prasad Chaliha ( Chief Minister ) : পানীৰ নাটনি হোৱা কথাটো সচাঁ। কিন্তু এই বিষয়ে কি কৰিব পৰা যায় চিন্তা কৰি চাব লাগিব।

## Re : Divisional Scheme of the N. E. F. Railway

Shri Phani Bora : মাত্ৰ আধামিনিট কম। এটা কথা হৈছে যে এই সদনত Railway H.Q. যি Divisional Scheme ৰ প্ৰশ্ন হৈ গল আৰু বহুতো বাক-বিতণ্ডাও হৈ গল তাৰ কোনো সঠিক কথাও আমি নাপালো। এতিয়া কাগজত স্থগিত ৰখা বুলি দেখিবলৈ পইছো সেইবিলাক কথা সঁচানে মিছা যদি সত্য হয় মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইয়াৰ কিবা উত্তৰ দিব পাৰিব নে ?

Shri Bimala Prosad Caliha ( Chief Minister ) : উপাধ্যক্ষ মহোদয়, এই সুযোগটো পাই মই সুখী হৈছো। ইয়াতে যিটো Divisional Scheme ৰ প্ৰশ্ন আগতেও হৈছিল সেইটো Finally

N. E. F. আৰু N F. Rly. Implementation ৰ কথা লৈ পেলাই এই বছৰ Rly. বাজেটত ৰেলওৱেবিভাগৰ মন্ত্ৰীডাঙৰীয়াই ঘোষণা কৰিছে। তাৰ আগতে যদিও হৈছিল তেতিয়া এই কথা সিমান সঠিক হোৱা নাছিল। সেইকাৰণে এই বিষয়ে সিদিনা এই Divisional scheme Implementation কৰাত কি কি হব পাৰে এই বিষয়ে ভালকৈ বুজিবৰ বাবে আমাৰ N.E.F. Rly ৰ General Maneger ক শ্বিলঙলৈ নিমন্ত্ৰন কৰাত তেখেত অনুগ্ৰহ কৰি আহিলে আৰু তাৰ পিচত কথা পাতিলো। দেখা যায় যে ভাৰতবৰ্ষৰ সকলোবিলাক Rly, N, E. F. Rly আৰু N.F. Rly ৰ বাহিৰে সকলো বিলাকতে Rly. Divisional Scheme প্ৰচলিত হৈ আছে। এই Divisional Scheme খন Implement কৰাৰ কথা সিদিনা অফিচৰাজনৰ লগত আলোচনা কৰি যি দেখিলো সেই কথা এই সদনৰ আগত দাঙি ধৰিব খুজিছো।

এই N. E. F. Rly. 8 টা Division ত বিভক্ত। তিনিচুকীয়া, লামডি, কাটিহাৰ আৰু আলিপুৰ দুৱাৰ এই 8 টা Division ত বিভক্ত। এই যে Division আছে বৰ্তমানে তাত Commercial Deptt., Traffic Deptt. Machinery Deptt. আৰু Engineering Deptt. এই সমুদয় 8 জন বিষয়া তাত থাকে; আৰু তেওঁবিলাকলৈ পাণ্ডু অফিচৰ পৰা হুকুম, নিৰ্দ্দেশ পোনপতীয়া ভাৱে নেযায়। এই আচনি District level ত Co-ordination ৰ অভাৱৰ বাবে বহুত সময়ত কামত ব্যাঘাট জন্মে। সেইকাৰণে Divisional scheme অনুসৰি সেই District বিষয়া কেইজনৰ ওপৰত একো একোজন District Superintendent ইয়াত থাকিব। বিষয়াজনে Divisional Scheme ৰ সেই সকলোবোৰ কথা Co-ordinate কৰিব আৰু Accounts সম্পৰ্কীয় কথা পাণ্ডু অফিচৰ পৰা Divisional HQ. দিব। তাৰ কাৰণে পাণ্ডু অফিচৰ পৰা অনুমানিক

প্ৰায় ২৫৫ জন মানুহ ৩ টা Division লৈ Transfer কৰিব লাগিব আৰু ইয়াৰ ভিতৰত তিনিচুকীয়া Division Traffic Division বুলিহে আছে। অৰ্থ্যাৎ এই বিভাগে সকলো ধৰণৰ কাম নলয়। এই কথাৰ পৰা এই আচনিখনত আপত্তি কৰিব-লগীয়া কথা একো নাই। কাৰণ কথা হৈছে যে Divisional Scheme মতে বৰ্ত্তমানৰ দৰে উত্তৰ পাৰৰ ৰেল লাইনৰ Divisional অফিচ আলিপুৰ দুৱাৰ বিভাগৰ ভিতৰতে থাকিব। এই কথা ভালকৈ বুজি লৈ মই বৰ্ত্তমানে Rly. মন্ত্ৰীক অনুৰোধ কৰিছো যেন তেখেতৰ লগত পুনৰ আলোচনা নোহোৱা পৰ্য্যন্ত Divisional Scheme Implementation ৰ কথাটো স্থগিত ৰাখে।

Shri Phani Bora : কিবা সিদ্ধান্ত General Manager এ দিছিল নে ?

Shri Bimala Prasad Chaliha : ইয়াত সিদ্ধান্ত দিয়াটো General Maneger ৰ সীমাৰ অতীতৰ কথা। তেখেতে নিৰ্দ্দেশ পায় HQ.ৰ পৰাহে। সেইকাৰণে Rly. মন্ত্ৰীক অনুৰোধ কৰা হৈছে।

Shri Phani Bora : উপাধ্যক্ষ মহোদয়, তাৰমানে এইটো কথা বুজা যায় যে এতিয়ালৈ এই Divisional Scheme Implement কৰাৰ কথা Rly. মন্ত্ৰীৰ লগত আলোচনা কৰিয়েই আছে। তেখেতে আলোচনা কৰি অহামতে এইটো স্থগিত হৈছেনে নাই ?

Shri Bimala Prasad Chaliha : হয়।

M, Samsul Huda : চাৰ, মোৰ জিৰো আৱাৰৰ Notice টো কি হল ? Notice নিদিয়াকৈয়ে বহুতবে উত্তৰ আহে কিন্তু মই বেছি Formally যোৱা কাৰণে মোৰটো নাহে হে নাহে।

Shri Bimala Prasad Chaliha : মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ যিবিলাক পাকিস্তানী Tribunal আছে সেই Tribunal বিলাক জজৰ qualification থকা মানুহকহে লোৱা হয়। কিন্তু আগৰ লোৱা মানুহবিলাকক চৰকাৰী নীতি অনুসৰি যোৱা ২৮ ফেব্ৰুৱাৰীৰ তাৰিখৰ পৰা কেইজনমান লোকক অৱসৰ দিব লগীয়া হোৱাত তাৰে কেইটামান পদ খালি হৈ আছে। আকৌ এজনৰ যোৱা ১।১।৬৯ তাৰিখে মৃত্যু হয়। সেইকাৰণে উক্ত খালি পদৰ কাৰণে উপযুক্ত মানুহ নথকাত একোজন A.D.C. দিব লগীয়া হৈছে।

## Re : The State Civil Service in Assam

M Shamsul Huda : মাননীয় উপাধ্যক্ষ মহোদয়, যিবিলাক মানুহ Retire হৈছে তেওঁবিলাকৰ ঠাইত কাম কৰি থকা অভিজ্ঞতা সম্পূৰ্ণ মানুহ দিব লাগে। কিন্তু বাস্তব ক্ষেত্ৰত কিছুমান অসুবিধা হৈছে। আজি মই এই কথাৰে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে আমাৰ জিলা বিলাকৰ বৰ মূৰীয়া সকল, D. C. সকল I. A. S. officer তেওঁলোক অসমৰ বাহিৰৰ মানুহ। শেহতীয়া ব্যৱস্থা মতে A. D. C. বিলাকক Tribunal ত দিয়াৰ ফলত নতুন পৰিস্থিতি উদ্ভৱ হৈছে। আমাৰ স্থানীয় ১০/১২ বছৰ অভিজ্ঞতা থকা A. C. S, মানুহৰ ভিতৰত অসন্তুষ্টিয়ে দেখা দিছে। এই I. A. S. অফিচাৰ বিলাক ২/৩ বছৰৰ অভিজ্ঞতা লৈ A. D. C. আৰু Tribunal এই দুয়োটা Dual charge এই I. A. S- অফিচাৰ বিলাকক দিয়া হৈছে। কিন্তু ১০/১২ বছৰ কাম কৰা অভিজ্ঞতা থকা স্থানীয় এই A. D. C. বিলাকক দিয়া হোৱা নাই। এই স্থানীয় অনুসুচিত সম্প্ৰদায়ৰ কাম কৰি থকা অভিজ্ঞতা সম্পন্ন মানুহ নিদি কিছুমান অনভিজ্ঞ নতুন অসমৰ বাহিৰৰ মানুহকহে দিছে। তাৰ ভিতৰত স্থানীয় মানুহ আপোনালোকে নলব পাৰে? তাৰ ফলত কি হৈছে আৰু এই

A. D. C. সকলৰ মাজত এটা বিৰাট বিক্ষোভে দেখা দিছে, নানা ৰকমৰ বেমেজালীয় দেখা দিছে। এই ৰাজ্যৰ স্থানীয় মানুহক নিযুক্তি নিদিয়াৰ কাৰণে কাম বিলাকত নানা ৰকমৰ বিড়ম্বনা হোৱা দেখা গৈছে। তথাপি এই চৰকাৰে কিবা ব্যৱস্থা কৰিছেনে? আৰু মই ভাবো এই সম্পকত তেখেত সকলে এই কথা বিবেচনা কৰিব।

Shri Bimala Prosad Chaliha (Chief Minister) : উপাধ্যক্ষ মহোদয়, তাত সন্দেহ কোনো কাৰণ নাই। Tribunal ত যিবিলাক Officer দিয়া হব লাগে তেওঁলোক উপযুক্ত Qualification থকা মানুহ—নহলে Tribunal ৰ কাম চলাব নোৱাৰে। আমাৰ Executive ৰ পৰা Judicial আৰু তেনেকুৱা Qualification থকা মানুহক ADC আৰু Tribunal ৰ duel charge দিয়া হৈছে কাৰণ বৰ্ত্তমান High Court এ আমাক Tribunal ৰ কাৰণে কোনো Judge দিব নোৱাৰে। এতিয়া আমি যদি High Court ৰ পৰা জ্জ নাপাও re-employment নীতি গ্ৰহণ নকৰো তেতিয়া হলে ADC বিলাকক Duel charge দিবই লাগিব। কিন্তু তাৰ এটা working সীমা পৰীক্ষা কৰা হৈছে। এইবিলাক চাই পেলাই কৰা হব।

Shri Dulal Chandra Barua : উপাধ্যক্ষ মহোদয়, ADC post ত যাতে IAS অফিচাৰ দিয়া নহয় তাৰ ব্যৱস্থা হব নেকি?

Shri Bimala Prasad Chaliha : তেনেকুৱা কথা দিব নোৱাৰো।

## Re : Calling Attention Notice

Mr. Deputy Speaker : With regard to the Calling Atten-

tion standing in the name of the Hon'ble Member, Shri Kalita, since the Gauhati Refinery is a Central Sector Undertaking the Refinery Authority have stated that they can furnish the materials for the discussion only after obtaining a clearance from the Govt. of India. The State Govt. have already sent two telegrams to the Govt. of India. It is likely that there may be some delay in obtaining the materials from the Gauhati Refinery on account of the difficulties stated. Therefore, naturally we have to wait for it.

We now pass on to the general discussion on the budget. Shri Suren Das. Will you please finish within five minutes ?

Shri Dulal Chandra Barua : Sir, may I have a clarification ? May I know from the Minister, Industries, or from the Chief Minister whether the Govt. of Assam can send an Officer to collect the information ?

Chief Minister : Actually an Officer was sent, but the instructions from the Govt. of India so far as Central Sector Industries are concerned, is that all these information should be given to the State Govt. with the approval of the Govt. of India.

## General Discussion of the Budget

**Shri Surendra Nath Das :** माननीय उपाध्यक्ष महोदय, मई योৱা-কালিৰ সদনত আমাৰ অসমৰ গাওঁ অঞ্চলৰ চিকিৎসাৰ দুৰবস্থাৰ বিষয়ে কিছুমান আলোচনা কৰিছিলো। বিশেষকৈ গাৰে ভুয়ে দেখা দিয়া নানা ৰকমৰ বেমাৰ যেনে কলেৰা, T.B. যক্ষ্মা বেমাৰ আদিয়ে কোনো অঞ্চলত ব্যাপক ৰূপ ধাৰণ কৰা দেখা গৈছে। এইবিলাক Investigation কৰি আমাৰ চিকিৎসাৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা লব লাগে। বিশেষকৈ জনজাতীয় অঞ্চল বিলাকত চিকিৎসাৰ ব্যৱস্থা অতি শোচনীয়। এই দুৰবস্থাত পৰি থকা লোকসকলৰ অঞ্চল বিলাকত ডাক্টৰখানাৰ ঘৰ বাৰি সাজি দি, তাত ডাক্টৰৰ থকামেলা ঘৰ ব্যৱস্থা কৰি তেওঁ-লোকৰ চিকিৎসাৰ বিহিত ব্যৱস্থা কৰিব লাগে। এই জনজাতীয় অঞ্চল বিলাকৰ কাৰণে চৰকাৰে বিভিন্ন ধৰণৰ উন্নয়ণমূলক কামৰ কাৰণে যি প্ৰচেষ্টা চলাইছে তাত মই সুখী হৈছো। এই Tribal অঞ্চল বিলাকতো কেন্দ্ৰীয় চৰকাৰে Multipurpose Tribal Development Block কৰি সমাজ ব্যৱস্থাত যি উন্নয়ণ মূলক ব্যৱস্থা লৈছে তাক জনজাতীয় লোকৰ উন্নত কৰিবলৈ এই Tribal Block স্থাপন কৰা হৈছে। অৱশ্যে তাত শতকৰা ৫০ ভাগৰ বেচি জনসংখ্যা হব লাগে। কিন্তু আজি ১৯৬০ চনৰ পৰা এইটো পৰিক্ষা কৰিছে। কিন্তু এই ১০ বছৰৰ ভিতৰতো এই অনা Tribal আৰু Tribal অঞ্চলতো একো কাম হোৱা নাই। আৰু সেই কাৰণেই জনগণক আগতে যি শতকৰা ৫০ ভাগ থাকিলেহে Tribal block থকাৰ কথা আছিল সেইটো কমাই দি অন্ততঃ শতকৰা ৩০।৪০ ভাগলৈ কমাই তাতো Tribal Block স্থাপন কৰিব লাগে। এই অঞ্চলবিলাকত ১৯৬৮ চনতে Economic Survey কৰিছিল। এই Economic Survey ৰ Report ত কোৱা হৈছিল যে উত্তৰ কামৰূপ ব্লকত জনজাতীয় লোকৰ সংখ্যা ৪৭ জন। আৰু ৰৰপেটত ৪৮ জন আৰু

কামৰূপতো ৪০ জনৰ কম নহয়। সেই জনজাতীয় অঞ্চলত চৰকাৰে উন্নয়ণৰ ব্যবস্থা লব লাগে। এইবিলাক অঞ্চলৰ কাৰণে চৰকাৰে ভালেমান কাম কৰিব পাৰে।

এই ক্ষেত্ৰত চৰকাৰে অৰ্থনীতিৰ বহুমুখী উন্নয়ণৰ কাৰণে Co-operative Creadit Society গঠন কৰিব পাৰে। এই অঞ্চল বিলাকত যিবিলাক মানুহে মহাজনৰ পৰা ধাৰলৈ সুতৰ বোজা বহন কৰি থাকে, সেই লোকসকলক Co-operative Society ৰ জৰিয়তে ধাৰ দি সেই লোকসকলক মহাজনৰ কবলৰ পৰা ৰক্ষা কৰিব লাগে। গতিকে মই ভাবো এই ক্ষেত্ৰটো চৰকাৰে বিহিত ব্যবস্থা লব।

Applied nutritrion Scheme জনজাতীয় অঞ্চলৰ ব্লক বিলাকত খুলিব লাগে। তাৰ লগতে আমাৰ খেতিয়ক সকলে গৰু-ছাগলী গাহৰী, কুকুৰা পুহি তেখেতসকলৰ জীবন যাত্ৰাৰ আৰ্থিক উন্নয়ণৰ ক্ষেত্ৰত উন্নতি কৰিব পৰা আঁচনিৰ ব্যৱস্থা চৰকাৰে অতি সোনকালে কৰি দিব লাগে॥

অধ্যক্ষ মহোদয়, চৰকাৰে যাতায়তৰ ক্ষেত্ৰত যি প্ৰচেণ্টা চলাইছে সি সৰ্ব্বভাৰতীয় ক্ষেত্ৰত বিশেষ একো হোৱা নাই বুলি কব পাৰি। আজি গাৰলীয়া অঞ্চলত ৰাস্তা নিৰ্ম্মানৰ কাৰণে ৪ৰ্থ-৫ম পৰিকল্পনাত কিছু টকা দিছে কিন্তু সেইটো যথেণ্ট নহয়। কিয়নো পৰিবহনৰ ক্ষেত্ৰত আমাৰ ৰাজ্যত বিশেষকৈ জনজাতীয় অঞ্চল একেবাৰে পিছপৰি আছে। নদী জান-জুৰীৰ আৰত আমাৰ ৰাজ্য এখন প্ৰাকৃতিক ৰম্যভূমি। আজি ভাৰতৰ অন্যান্য উন্নত প্ৰদেশৰ লগত অসমৰ যোগাযোগৰ ক্ষেত্ৰত বিশেষ অসুবিধা হৈ আছে।

সেইকাৰণে Border ৰক্ষাৰ বাবে যি দৰে ৰাস্তাৰ ব্যৱস্থা কৰা হয়—সেইদৰে চাৰফংগুৰি ৰ পৰা শিলবাৰী ডুমনীবাগান চৰমগুৰি

সুবৰ্ণখাটা তামুলপুৰ আদি ঠাইবিলাক সংযোগ কৰি দিব পাৰিলে আমাৰ উন্নতি ক্ষেত্ৰত আগবাঢ়িব পাৰিম। আজি ২০ বছৰ Economy servey ৰ Report মতে...... মাইল ৰাস্তা কৰা হব। আৰু এতিয়ালৈকে...... মাইল ৰাস্তা কৰা হৈছে. গতিকে মই ভাবি জনাইছো ৰাস্তা পদূলিবিলাকৰ বিষয়টোলৈ যাতে চৰকাৰে বিশেষ দৃষ্টি দিয়ে আৰু এইবিলাক যাতে ভালদৰে Supervice কৰা হয় তাৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তব্য সামৰণী মাৰিলো।

Shrimati Lily Sen Gupta: উপাধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ ভাষনত উল্লেখ কৰিছে যে ৰাজ্যিক যোজনা সমূহ অধিক বাস্তৱকৰণ ফল-পসূ আঁচনিত ধন বিনিয়োগৰ সিদ্ধান্ত উন্নয়নৰ ক্ষেত্ৰত অগ্ৰাধিকাৰৰ ক্ৰম নিদ্ধাৰণ আৰু ইয়াৰ দ্বাৰা বিত্তিয় ব্যৱহাৰ নিয়ন্ত্ৰিত হব আৰু সাৰ্থক হব। মই এই শুভ প্ৰচেষ্টাৰ শলাগ লওঁ।

এই বাজেটখন ঘাটি পৰা যদিয়ো সম্পূৰ্ণ নিৰাশাজনক নহয়। শিক্ষা বিজুলী শক্তি যোগান স্বাস্থ্য, বাট-পথ ইত্যাদিৰ যথেষ্ঠ সফল হৈছে যদিয়ো তাত বহুখিনি ক্ৰুতি আছে আৰু যিবিলাক জনহিতকৰ যোজনা লোৱা হৈছে সেইবিলাক যাতে সোনকালে কৰিব পাৰে তাৰ কাৰণে যিসকল কৰ্ম্মচাৰী আছে তেওঁলোকে বিশেষ মনোনিবেশ কৰিলে এই যোজনা বিলাক কৃতকাৰ্য্য হব বুলি আশা কৰিব পাৰি।

চাহ শিল্পৰ বৰ্ত্তমান সংকতে দেখা দিছে,—চাহৰ মুল্য হ্ৰাস পাইছে আৰু তাৰ বাৰে বিশেষকৈ আন্তৰ্জ্জাতিক বজাৰত প্ৰতিদ্ব-ন্দীতা হৈছে—উৎপাদনৰ খৰছ বৃদ্ধি পাইছে কাৰণ বনুৱা আইনৰ সামাজিক ব্যৱস্থাৰেহে আজি শিল্প পৰিচালিত হৈছে, আনহাতে সকলো শিল্পৰেই আজি অৰ্থনৈতিক সঙ্কটেও দেখা দিছে, এই

অৱস্থাতে চাহ শিল্পত লাখ লাখ বনুৱাই কাম কৰি জীৱিকা নিৰ্ব্বাহ কৰি আছে। অসমৰো অৰ্থনীতি নিৰ্ভৰ কৰে এই চাহ শিল্পত যিবিলাকে কাম কৰি আছে, তেওঁলোক যদিয়ো মালীকৰ কৰ্ম্মচাৰী তেওঁলোকে বনাচ পায় আৰু সেইকাৰণে তেওঁলোকক শিল্পানুষ্ঠানৰ অংশীদাৰ বুলি গণ্য কৰিব খোজো। এই উদ্দেশ্য মই কেবাবাৰো আলোচনা কৰিছিলো যে যদি শিল্পৰ ওপৰত নিৰ্ম্মম ভাৱে কৰৰ হেচাঁ দিয়া হয় তেনেহলে চৰকাৰে যি বনুৱা কল্যাণ আইন প্ৰণয়ন কৰিছে সেই আইন দমন কৰি ৰখা হব আৰু সেই আইন কাৰ্য্যকৰী কৰাত বাধা পাব।

শিল্পত এটা ত্ৰাস, এটা সঙ্কটে দেখা দিছে এই চাহ শিল্পৰ ওপৰত অসমৰ অৰ্থনীতি বিশেষভাৱে নিৰ্ভৰ কৰি আছে। অতি পৰিতাপৰ বিষয় এই মাতৃশিল্পৰ একমাত্ৰ শিল্পৰ প্ৰতি ভাৰত চৰকাৰৰ আচৰণ গঠনমূলক নহয়। ভাৰত চৰকাৰে এই শিল্পৰ সমস্যা বা সঙ্কটলৈ অলপো গুৰুত্ব দিয়া নাই বৰঞ্চ কৰৰ উপৰি কৰৰ হেচাঁ দি এই শিল্পক গ্ৰাস কৰিছে। ভাৰত চৰকাৰৰ এই অন্যায় আৰু অসঙ্গত কৰ নীতিয়ে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সেয়ে মাননীয় বিত্তমন্ত্ৰী মহোদয়ে তথ্যপাতিৰে বাজেট বক্তৃতাত দাঙি ধৰাত তেখেতক ধন্যবাদ জনাও। অসমৰ সমগ্ৰ অথনীতি চাহ শিল্পৰ ওপৰত নিৰ্ভৰ কৰিছে। গতিকে মই কেন্দ্ৰীয় চৰকাৰে চাহ শিল্পৰ ওপৰত যি কৰৰ নীতি লৈছে তাৰ প্ৰতিবাদ কৰিছো। কাৰণ মই শিল্পৰ ওপৰতে শ্ৰমিকৰ শিক্ষাৰ কথা সকলো প্ৰকাৰৰ উন্নয়নৰ কথা নিহীত আছে। যদি এই শিল্প ধ্বংস কৰি দিয়া হয় তেনেহলে মজদুৰ কল্যাণৰ কাম কেনেকৈ কৰা হব। এই শ্ৰমিকৰ যি দাবী বনুৱা আইন পৰা এখোজো পিছ পৰিব নোৱাৰে।

যোৱা বাৰ খাদ্য সংকটৰ সময়ত মালীক সকলে চাউলৰ

দাম বৃদ্ধি হৈছে বুলি শ্ৰমিক সকলৰ চাউল দিবলৈ ইচ্ছা কৰা নাছিল। মজ্দুৰ দাবীৰ ওপৰত কিন্তু আমাৰ চৰকাৰে বিশেষ হেচাঁ দিয়াৰ বাবে মালিক সকলে ক্ষতিপূৰণ দিবলৈ বাধ্য হৈছিল আৰু আনকি শ্ৰমিকৰ সৰু সৰু লৰা ছোৱালী বিলাককো চাউলৰ বাবে ক্ষতিপূৰণ দিছিল। Zone (I) আৰু (II) এই ক্ষতিপূৰণ ১.৮০ পইচালৈকে চাউলৰ বাবে জনমুৰি ক্ষতিপূৰণ দিয়া হৈছিল।

আজি শিল্পৰ ওপৰত এই যে কঁৰৰ হেঁচা পৰিছে আৰু উৎপাদনৰ যিটো খৰচ সেইটো বাঢ়ি গৈছে তাৰ কাৰণে চাঁহ শিল্পও এটা অস্বাভাৱিক আকাৰ ধাৰণ কৰিছে বুলি মই কব খোজো। এই চাহ শিল্প অকল মালিকৰে নহয় ইয়াত মজদুৰৰো অংশ আছে, যোৱা বাৰ চীনৰ আক্ৰমণৰ সময়ত বহুতো বাগিছাৰ কৰ্তৃপক্ষাই বাগিছা এৰি গুচি গৈছিল। তেজপুৰত কেবাখনো চাহ বাগিছাত কৰ্তৃপক্ষ নথকা স্বত্বেও বনুৱা সকলে সুন্দৰ ভাৱে বাগিচাৰ কাম পৰিচালনা কৰি গৈছিল। সেইকাৰণে মই ভাবো এই শিল্প আমাৰ শিল্প, মজদূৰৰ শিল্প । কাৰণ বাগিছাৰ লাভৰ অংশ মজদুৰে বনাছ হিচাবে পাই আহিছে। গতিকে কৰৰ অহেতুক বোজা দি যদি মজদুৰৰ ক্ষতি কৰা হয় তেনেহলে আমি আন্দোলন কৰিব লাগিব। আৰু সেই আন্দোলনৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰক জনাব খোজো যে সমাজ নীতিতকৈ কৰৰ নীতি কেতিয়াও ডাঙৰ হব নোৱাৰে। সেই কাৰণে এই কথাটো বাজেটত স্পষ্ট ভাৱে ডাঙি ধৰাৰ বাবে সুখ পাইছো। আগতে চাহ শিল্পৰ মজদুৰ সকলে নিজে খৰি যোগাৰ কৰি আনিব পাৰিছিল কিন্তু এতিয়া সেই পৰিস্থিতি নাই গতিকে আমি খৰিৰ ক্ষতি পূৰণ মালিকৰপৰা আদায় কৰিছো আৰু চাউলৰ ক্ষতিপূৰণ এই বছৰ আৰু যোৱা বছৰ শিল্পপতিৰপৰা আদায় কৰা হৈছে। মাতৃ কল্যাণ আইনখন হোৱাৰ পিচত যিবিলাক মাতৃয়ে এই সুবিধা পোৱা নাছিল, মোৰ নিজৰ সমষ্টিৰে এখন বাগিছাৰপৰা ৪২ হাজাৰ টকা আদায় কৰি দিয়া হৈছে। আৰু

বনাচ আইন সংশোধিত হোৱাৰ পাচতো আজিও প্ৰত্যেক বছৰে শ্ৰমিক সকলে ১ কোটি বা ৪০/৫০ হাজাৰ বনাচ তেওঁলোকে পাই আছে। আৰু সেই বনাচ এতিয়াও পায় থাকিব। কিন্তু এই খিনিয়ে যথেষ্ট হৈছে বুলি কব নোৱাৰো। কাৰণ শ্ৰমিকৰ সমাজ কল্যাণ মূলক কাম এতিয়াও বহুতো কৰিবলৈ আছে।

তাৰ পিচত শ্ৰমিক সকল প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত বহুতো নিম্নগামী হৈ আছে। ৰাজ্যিক চৰকাৰে প্ৰাথমিক শিক্ষা ব্যৱস্থা আশ্বাস দিছিল আৰু সেই ধৰণে শিৱসাগৰ আৰু কাছাৰত প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰা হৈছে। কিন্তু আমাৰ ভৈয়ামত এই অৱস্থাৰ এতিয়াও উন্নতি হোৱা নাই। আমি আশা কৰো যে প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা ইতিমধ্যে শেষ হব লাগে। আমি দেখিছো আৰু বক্তৃতাতো উল্লেখ কৰিছে যে চতুৰ্থ পৰিকল্পনাৰ যিবিলাক Community Development Project তাত ৬/৭ টা আঁচনি কৰা হৈছে আৰু সেই বিলাকত ভাৰত চৰকাৰৰ অনুদানত আছে তাত পুষ্টিবৰ্দ্ধনৰ আচনি বিশেষভাবে লোৱা হৈছে। কিন্তু এই অনুদান বা সাহায্য চাহ শ্ৰমিক সকলৰ ক্ষেত্ৰত কিয় দিব পৰা নাই ? শ্ৰমিকৰ লৰাছোৱালীয়ে সামান্য ৰেচন পায় আৰু তাৰ ফলত পুষ্টিকৰ খাদ্য খাবলৈ নাটে, লৰাছোৱালীৰ স্বাস্থ্য ভাগি গৈছে। এই অৱস্থাত তেওঁলোকৰ বাবেও এই পুষ্টিবৰ্দ্ধন আচনি লব লাগে বুলি মই চৰকাৰক দাবী কৰো।

ৰাজ্যিক চৰকাৰে কিছুমান ক্ষেত্ৰত ভাল কামও কৰিছে। যেনে—ব্ৰহ্মপুত্ৰ Tea Company ত যি বৃত্ত অৱস্থাই—যেতিয়া তাৰ শ্ৰমিক সকলে কাম নাপাইছিল আৰু মালিকে তেওঁলোকৰ হাজিৰা পৰ্য্যন্ত বন্ধ কৰিছিল তেনে তৱস্থাত আমাৰ চৰকাৰে সেই শ্ৰমিক সকলক Relief দিছিল। এই বন্ধহৈ যোৱা বাগিছা খনক মজদুৰক ৰক্ষা কৰিবলৈ সেই অৱস্থাত আমাৰ চৰকাৰে

যি প্ৰচেষ্টা আৰু এটা গধুৰ দায়িত্বলৈ বাগিছাখন হাতত লৈছে তাৰ কাৰণে মই শ্ৰমমন্ত্ৰী আৰু বিশেষকৈ মুখ্যমন্ত্ৰী মহোদয়ক আন্তৰিক ধন্যবাদ জনাইছো। ই এটা জলন্ত সমস্যা আৰু এই সমস্যা সমাধানত আমাৰ মজদুৰৰ প্ৰকৃত উপকৃত হৈছে। আৰু মজদুৰ সমাজে ভৱিষ্যতৰ বাবে এটা ডাঙৰ নিৰাপত্তা লাভ কৰিলে। তাৰ পিচত "ভবিষ্যত নিধি" টো এছিয়াৰ মাজত এটা ডাঙৰ সফলতা লাভ কৰিছে। ইয়াত কমেও ৪/৫ কোটি Fund ত জমা আছে। আজি এই অৰ্থনৈতিক দু-অৱস্থাৰ সময়তো যিবিলাক বাগিছাই এই ভবিষ্যত নিধি'ত পইছা জমা দিয়া নাই, তেওঁলোকক Provident Fund আইনমতে শাস্তি বিহা হৈছে। আৰু ৫/৬ খন বাগিছাই Penality ও ভৰিব লগা হৈছে। এই ধৰণে ৰাজ্যিক চৰকাৰৰ যোগাযোগ আৰু সাহায্য আমি পাইছো আৰু ভবিষ্যতেও পাম বুলি আশা ৰাখিছো। ভাৰত চৰকাৰ আৰু অসম চৰকাৰে শ্ৰমিকৰ কল্যাণৰ কাৰণে বেছি বৰঙনি যোগাব লাগিব আৰু চাহৰ ওপৰত কৰ কাটল কিছু কমাব লাগে।

উপাধ্যক্ষ মহোদয়, দুঃখৰ বিষয় ডিব্ৰুগড়ত বানপানী হৈ দুখন বাগিছা নগাঘুলি আৰু ওকলেগু সম্পূৰ্ণ বিধস্ত কৰিছে আৰু খহায়ো আছে ফলত নিবনুৱা সমস্যা বাঢ়ি গৈছে। কিন্তু ৰাজ্যিক চৰকাৰে তাৰ কাৰণে একো যত্ন কৰা নাই। মই আজি ১০ বছৰে এই বাগিছাৰ উন্নতিৰ কাৰণে সদনৰ দৃষ্টি আকৰ্ষণ কৰি আহিছো কিন্তু কোনো কাম হাতত লোৱা নাই। এই অৱস্থাৰ কোনো ব্যৱস্থা নোহোৱাটো ভাল হোৱা নাই। গতিকে মই পুণৰ সদনৰ দৃষ্টি আকৰ্ষণ কৰিলো। এই দুখন বাগিছাৰ গড়াখহনীয়া ৰোধ কৰিবলৈ চৰকাৰে বিশেষ ব্যৱস্থা লব লাগে। তাৰ পিচত চৰকাৰে ধন ব্যৱহাৰ কৰোতে পৰি-কল্পিত ভাবে কৰিলে বহু টকা ৰাহি হব পাৰে। যেনে ছৈলোৱা অঞ্চলত বান নিয়ন্ত্ৰণৰ ব্যৱস্থাৰ কাৰণে মঠাউৰী দিয়া হৈছে

মঠাউৰীটো একহাতৰ মাজতে আকৌ অ'গ্নি এটাৰ কাৰণে টকা খৰছ কৰিছে। মঠাউৰীও সম্পূৰ্ণ কৰাৰ কাম চৰকাৰে হাতত লব লাগে। এই মঠাউৰী Road—cum—Embankment বিভাগক দিলে ভাল হয়। মথাউৰীটোক আৰু আলিটোও অসম্পূৰ্ণ টকাৰ অভাৱত কিন্তু এই যদি road cum enbankment কৰিলে হেতেন টকা কম খৰছ হয় হেতেন আৰু এই টকাৰে ৰাইজে ২টা উপকাৰ পাব পাৰিলে হেতেন।

কিন্তু মঠাউৰী টোৰ ৪ হাত পাচতে P. W. D. ৰ ৰাস্তাটো আৰু তাৰ কাম আৰম্ভ কৰা হৈছে আৰু যথেষ্ট টকা খৰচ হব। এনেধৰণৰ আঁচনি ঠিক নহয়। আৰু তাৰ দ্বাৰা টকাৰ অপব্যৱহাৰ কৰা হৈছে।

তাৰ পিচত মাটি সমস্যা সম্পৰ্কে কব খুজিছো যে কেৱল Reserve খুলি দিলেই নহয়। আমাৰ ডিব্ৰুগড়ত আৰু ছৈখোৱা অঞ্চলৰ বহুমাটি বানপানী হয় কাৰণে স্থবাবত পেলাই থোৱা হৈছে। এই মাটিৰ পৰিমাণ দীঘলে ১২ মাইল আৰু ২½ মাইল। ৭ মাইল যদি সেই ছৈখেৱা নৈখন divert কৰি দিয় পৰা হয় সেই ছৈখোৱা সৰু মথাউৰী কৰা হয় তাত বহুত মানুহ বহিব পাৰে আৰু সুন্দৰ মাটি। উপাধ্যক্ষ মহোদয় আপুনি নিজে Estimate Committeeৰ Chairman হৈ থাকোতে সেই ঠাইলৈ গৈছিল আৰু আপুনি নিজেও কৈছিল যে তাত হাজাৰ হাজাৰ মানুহ বহিব পাৰে। তাত সংৰক্ষিত কোনো ব্যৱস্থা নাই। গতিকে তাত যিবোৰ মাটি এনেই পৰি আছে তাত যাতে ৰাইজ বহিব পাৰে তাৰ ব্যৱস্থা E & D বিভাগত কৰিবলৈ দিয়া উচিত। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

Shri Promode Chandra Gogoi : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী মহোদয়ৰ বক্তৃতাত ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতি

সম্পৰ্কে দেখা যায় যে ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতিৰ অবস্থা ভয়াবহ। তেখেতৰ বক্তৃতাক চৰকাৰৰ বক্তব্য হিচাবে ধৰিলে তাত দেখা যায় যে আমাৰ প্ৰদেশখনৰ ভৱিষৎ উন্নতিকৰ কামৰ ক্ষেত্ৰত কোনো আঁচনি নাই। প্ৰদেশখনৰ উদ্যোগীকৰণৰ ক্ষেত্ৰত বা অন্যান্য সমাজ কল্যানৰ ক্ষেত্ৰত চৰকাৰৰ কোনো আঁচনি বক্তৃতাত দেখিবলৈ পোৱা নাই। মই আশা কৰিছিলো যে বিত্ত-মন্ত্ৰীয়ে তেখেতৰ বক্তৃতাত প্ৰদেশখনৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কাৰণে চৰকাৰে কিছুমান আঁচনি আমাৰ সন্মুখত দাঙি ধৰিব। কিন্তু তেখেতৰ বক্তৃতাত তেনে আচনি দেখিবলৈ পোৱা নগল। বাজেতৰ প্ৰথম লক্ষ্য হৈছে যে প্ৰশাসনিক সমাজ সেৱাৰ সম্প্ৰসাৰণ স্থগিত ৰখা। প্ৰশাসন সম্পৰ্কে মই নকও। এখন ৰাজ্যৰ—এখন দেশৰ, সমাজ ক্যলাণৰ কাম বিলাক বন্ধ কৰি আৰু সমাজ সেৱাৰ ব্যৱস্থাৰ সম্প্ৰসাৰণ স্থগিত ৰাখি কোনো এখন দেশৰ উন্নতি কৰা সম্ভৱপৰ হবনে? আমি জানো আৰু চৰকাৰে কয় ৰাষ্ট্ৰখন সমাজকল্যান ৰাষ্ট্ৰ হব লাগে আৰু যদি চৰকাৰৰ এইটোৱেই উদ্দেশ্য হয়, তেনেহলে সমাজকল্যানৰ কাম বিলাক স্থগিত ৰাখি বা সম্প্ৰসাৰণ বিলাক স্থগিত ৰাখি ভাৰতবৰ্ষত বোধকৰো কোনো এখন প্ৰদেশৰে অগ্ৰগতি সম্ভৱপৰ নহয়। অৱশ্যে, চৰকাৰে যিটো শ্ৰেনীৰ প্ৰতিনিধিত্ব কৰিছে, সেই ধনীক শ্ৰেনীৰ, ধনতন্ত্ৰ বিকাশত এনেকুৱা এটা স্তৰ আহি পৰেহি যিটো স্তৰত সমাজসেৱাৰ কাম বিলাক বন্ধ ৰাখিবলৈ বাধ্য হয়। যিবিলাক আঁচনিত সেই ধনীক শ্ৰেণীৰ লাভৰ সম্ভাবনা বেচি থাকে বা যিবিলাকত সৰহভাগ মানুহক নিষ্পেষন কৰাৰ সম্ভৱনা থাকে, তেনেকুৱা আঁচনি সেই শ্ৰেণীৰ প্ৰতিনিধি সকলেই কৰে। আৰু সেইকাৰণে মই কোনো আচৰিত হোৱা নাই।

ভাৰতবৰ্ষত ধনতন্ত্ৰৰ যি সংকট সেই সংকট বিত্তমন্ত্ৰী ডাঙৰীয়াৰ বক্তৃতাৰ মাজেদি প্ৰকাশিত হৈছে। সামগ্ৰিক-ভাৱে কেন্দ্ৰীয় চৰকাৰৰ বাজেটৰ প্ৰতিক্ৰিয়া সকলোৱে আমাৰ বিত্তমন্ত্ৰীৰ বক্তৃতাতে দেখিছো। সামাজকল্যানৰ কামবিলাকৰ সম্প্ৰসাৰণৰ

স্থগিত, মূল কাৰণ হিচাবে গ্ৰহন কৰাত ইয়াৰ পৰিনতি ভয়াবহ হৈ পৰিছে। চৰকাৰৰ লক্ষ্য হিচাবে সমাজখনৰ প্ৰগ্ৰতি প্ৰতিৰোধ কৰিবলৈ যত্ন কৰিলে স্বাভাবিকতে সমাজখনৰ দুৰ্ব্বলতাহে বাঢ়ে।

বিত্তমন্ত্ৰী ডাঙৰীয়াই যিকেইটা সমস্যা সম্পৰ্কে উল্লেখ কৰিছে তাৰ ভিতৰত যি কেইটা প্ৰধান সমস্যা, সেই বিষয়ে দুষাৰমান কবলৈ থিয় হৈছো। প্ৰথমতে, অসমত এটা কথা আমি সকলোৰে জনো যে, ভূমি-সমস্যাতো এটা ডাঙৰ সমস্যা হিচাবে আহি পৰিছে। সিদিনা ৰাজহ মন্ত্ৰীয়ে সদনত কৈছিল যে, আমাৰ প্ৰদেশত প্ৰায় ৮ লক্ষ পৰিয়াল ভূমিহীন, অৰ্থাৎ ৪০ লক্ষ ভূমিহীন লোক আমাৰ প্ৰদেশত আছে। এতিয়ালৈকে চৰকাৰৰ পক্ষৰ পৰা ভূমিসমস্যা সমাধানৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা হৈছেনে ? হয়তো, চৰকাৰৰ পক্ষৰ পৰা কব তেওঁলোকে কিছুমান আঁচনি লৈছে। কিন্তু এটা কথা, তেওঁলোকে পৰিকল্পনা পৰ্য্যালোচনাৰ যিটো Report দিছে তাত আমি দেখিবলৈ পাইছো যে, তৃতীয় পাচঁ-বছৰীয়া পৰিকল্পনাত পতিত, মাটিৰ অভাৱৰ কাৰণ এজনো ভূমিহীন কৃষকক সংস্থাপন কৰিব পৰা নহল। আৰু এই পৰিকল্পনাৰ ভিতৰত, কেন্দ্ৰীয় চৰকাৰৰ আঁচনি থকা স্বত্তেও অসম চৰকাৰে এজন কৃষি শ্ৰমিককো সংস্থাপন কৰিব নোৱাৰিলে; অজুহাত কি —সংস্থাপনৰ কাৰণে মাটি নাই। আচলতে সেইটো কথা নহয়। আচলতে কথাটো হৈছে চৰকাৰে অসমৰ ভূমিহীন কৃষকসকলক সংস্থাপন কৰাৰ কাৰণে যি নীতি গ্ৰহন কৰিব লাগিছিল সেই নীতিৰ পৰিবৰ্ত্তে আজি আমাৰ প্ৰদেশত বিভিন্ন ঠাইত দেখিছো, খেতিয়ক সকলক ব্যাপক ভাৱে উচ্ছেদ কৰাৰ আঁচনিহে লৈছে। আমাৰ প্ৰদেশত ভূমিহীন কৃষকক সংস্থাপন কৰিবলৈ হলে, যিবিলাক অঞ্চলত তেনেকুৱা আবাদি কৰিব পৰা খেতিৰ উপযোগী মাটি আছে সেই মাটিবিলাক মুকলি কৰি দিয়াৰ সম্পৰ্কে চৰকাৰৰ পক্ষৰ পৰা পৰিষ্কাৰ নীতি নাই। চৰকাৰে সদায়ে এটা কথা কয় যে, অসমত বনঞ্চল কম আৰু সেই বনাঞ্চল বিলাক খুলি দিয়াতো সম্ভৱ নহয়। মই এইটো কোৱা নাই

যে, অসমৰ যি, বনাঞ্চল আছে তাৰ বনজ সম্পদ আদি নাইকিয়া কৰি সেইবিলাক খেতিৰ কাৰণে মুকলি কৰি দিব লাগে। মই কৈছো যিবিলাক বনাঞ্চলত মূল্যবান গছ-গছনি নাই আৰু যিবিলাক ঠাই খেতিৰ কাৰণে উপযোগী সেই ঠাইবিলাক যদি সংস্থাপনৰ কাৰণে মুকলি কৰি দিয়া নহয়, তেতিয়াহলে অসমৰ ভূমিহীন লোকক সংস্থাপন কৰিব নোৱাৰে। আৰু চৰকাৰৰ পক্ষৰ পৰা কয় যে, অন্যান্য প্ৰদেশৰ তুলনাত অসমত বনাঞ্চল কম।

মই ভাবো চৰকাৰে প্ৰচাৰ কৰোতে ৰাইজক ভুলভাৱে পৰিচালনা কৰিছে। সৰ্ব্বভাৰতীয়ভাৱে ১৭ ভাগ মাটিত বনাঞ্চল আছে; কিন্তু আমাৰ প্ৰদেশৰ চৰকাৰৰ নিজৰ হিচাব মতেই বনাঞ্চলৰ পৰিমান ৰাজ্যৰ ৩৯ ভাগ মাটি। আৰু এইটো চৰকাৰী তথ্যই স্বীকাৰ কৰিছে। তাৰ লগতে আমি ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশৰ লগত বিচাৰিলে তেতিয়াহলে আমি দেখিবলৈ পাও অন্ধ্ৰপ্ৰদেশত ৮ ভাগ মাটি বনাঞ্চল আছে। অৰ্থচ, অন্ধ্ৰপ্ৰদেশ খেতিৰ ওপৰত আত্মনিৰ্ভৰশীল। অন্ধ্ৰপ্ৰদেশে আজি শস্য উৎপাদন কৰি অন্য প্ৰদেশলৈ দিব পাৰে।

বিহাৰত 8 ভাগ, পশ্চিমবংগত ১'৬ ভাগ মহাৰাষ্ট্ৰত ৮'৬ ভাগ, পঞ্জাবত ১'৯ ভাগ মাটিত বনাঞ্চল আছে। গতিকে বনাঞ্চল ৰক্ষাৰ ক্ষেত্ৰত আমি বিৰোধী নহয়। কিন্তু, ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশৰ তুলনা কৰি দেখা যায় যে, আমাৰ প্ৰদেশৰ বনাঞ্চল যথেষ্ট পৰিমানে আছে। কিন্তু তথাপিও বনাঞ্চল ৰক্ষা কৰিব লাগিব; বনাঞ্চলৰ নামত যিবিলাক ঠাইত গছ-গছনি নাই অথচ, যিবিলাক মাটি খেতিৰ কাৰণে উপযোগী সেই মাটিবিলাক চৰকাৰে মুকলি কৰি নিদিলে অসমৰ ভূমিসমস্যা সমাধান সম্ভৱপৰ নহয়। অসমৰ যিবিলাক গাৱলীয়া চৰনীয়া পথাৰ আছে সেইবিলাকৰ প্ৰয়োজনীয়তা কোনো কোনো ক্ষেত্ৰত আছে বুলি মই ভাবো। কিন্তু ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশৰ লগত তুলনা কৰি দেখিবলৈ পাও যে, অন্য প্ৰদেশত ইমান চৰনীয়া পথাৰ নাই আৰু ভাৰতবৰ্ষৰ ভিতৰতে, অসমৰ গৰুমহৰ সংখ্যা—বেচি, অথচ অসমৰ গৰুমহৰ

গাখীৰ উৎপাদন ভাৰতৰ সকলোতকৈ কম। যিবিলাক চৰণীয়া পথাৰ গৰু-মহৰ কাৰণে নিতান্ত প্ৰয়োজন, সেইবিলাক ৰাখি অন্যান্য যিবিলাক অঞ্চল খেতিৰ কাৰণে উপযোগী সেইবিলাক অতি সোনকালে মুকলি কৰি দিয়া দৰকাৰ।

চাহ-বাগানৰ যিবিলাক অতিৰিক্ত মাটি আছে, আমি জনাত কিছুদিন আগলৈকে প্ৰায় ১৪ লক্ষ একৰ মাটি আছিল ; অথচ চাহ খেতি হয় ৪ লক্ষ একৰতহে। বাকিখিনি অতিৰিক্ত মাটি —অধিক শস্য উৎপাদনৰ নামত চাহ বাগানৰ মালিক বিলাকে মজদুৰ আৰু ৰায়তক ব্যাপকভাৱে উচ্ছেদ কৰিছে। কিন্তু চৰকাৰেও অধিক শস্য উৎপাদনৰ নামত চাহ-বাগানৰ মালিক সকলক Tractor, কৃষি ঋণ দি বা তেওঁলোকক কৰৰ পৰা ৰেহাই দি প্ৰকৃত-পক্ষে চৰকাৰে চাহবাগানৰ মালিক সকলক বনুৱা আৰু ৰায়তক উচ্ছেদ কৰাত উচটনি দিছে। আজি অসমৰ লাখ-লাখ চাহ বাগানৰ শ্ৰমিক Ex-Tea garden Labour ক উচ্ছেদ কৰাৰ যি নীতি লৈছে তাৰ দ্বাৰাই চৰকাৰে এটা জটিল পৰিস্থিতি তৈয়াৰ কৰাতহে সহায় কৰিছে। অসমত জন্ম লাভ কৰা আৰু ডাঙৰ দীঘল হোৱা বনুৱাসকল কলৈ যাব—তেওঁলোকৰ সম্পৰ্ক চৰকাৰৰ দায়ীত্ব নাইনেকি ?

শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে কয় যে, আমাৰ প্ৰদেশত যথেষ্ট পৰিমানৰ টকা পইচা খৰচ কৰা হৈছে। মইও এইটো অস্বীকাৰ নকৰো। কিন্তু এটা কথা দেখিবলৈ পাইছো যে, যথেষ্ট পৰিমানৰ টকা পইচা খৰচ কৰা হৈছে যদিও আমাৰ শিক্ষা পৰিস্থিতি সন্তোষজনক নহয়।

১৯৬১ চনত পিয়ল কৰা মতে আমাৰ দেশত শতকৰা ২৭ জন মানুহ শিক্ষিত। আমহাতে পশ্চিমবংগত শতকৰা ২৯ জন, গুজৰাটত শতকৰা ৩০ জন মদ্ৰাজত ৩১% আৰু কেৰেলাত শতকৰা ৪৪ জন। আৰু এনেকৈয়ে আমাৰ প্ৰদেশ শিক্ষাৰ ক্ষেত্ৰত অতিকৈ পিচপৰা।

এই বাৰৰ পৰিকল্পনাত আমি দেখিছো যে, এই বছৰৰপৰা অসম ৰাজ্যত ছোৱালী বিলাকক ষষ্ঠ মানলৈকে বিনামূলীয়া শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে। এইটো এটা বিৰাট অগ্ৰগতি হৈছে বুলি হয়তো চৰকাৰে প্ৰচাৰ কৰিব। অন্যান্য প্ৰদেশত শিক্ষাৰ ক্ষেত্ৰত যি অগ্ৰগতি হৈছে তাৰ তুলনাত আমি একেবাৰে পিচপৰা। এতিয়ালৈকে আমি জনাত, পঞ্জাব হাৰিয়ানা ৰাজ-স্থান, গুজৰাট, মহাৰাষ্ট্ৰ, অন্ধ, মহীশূৰ, মধ্যপ্ৰদেশ আনকি উৰিষ্যাতো অষ্টম মান শ্ৰেণীলৈকে বিনামূলীয়া শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে। কেৰেলাতো দশম শ্ৰেণীলৈকে বিনামূলীয়া শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে। মাদ্ৰাজ প্ৰদেশত Pre-University লৈকে বিনামূলীয়া শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে। পশ্চিম বঙ্গতো সংযুক্ত চৰকাৰ গঠন হোৱাৰ লগে লগে দশম মান শ্ৰেণীলৈকে বিনামূলীয়া শিক্ষা দিব পাৰে তাৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰিছে। গতিকে সেই প্ৰদেশ বিলাকৰ লগত তুলনা কৰিলে দেখা যায় আমাৰ প্ৰদেশৰ অৱস্থা সন্তোষজনক নহয় আৰু সেই প্ৰদেশৰ তুলনাত যথেষ্ট পৰিমাণে পিছপৰা পৰিলক্ষিত হয়।

আমাৰ প্ৰদেশ খনৰ আৰ্থিক অনটনৰ ক্ষেত্ৰত যিখিনি উল্লেখ কৰা হৈছে তাৰ কাৰণে চৰকাৰৰ নীতি তথা চৰকাৰেই দায়ী। কাৰণ আমাৰ প্ৰদেশত এই কেই বছৰৰ ভিতৰতে যি ভাবে দুৰ্নীতিৰ প্ৰকোপ বাঢ়িছে বোধকৰো ভাৰতবৰ্ষৰ সকলো বিলাক প্ৰদেশতকৈ বেচি বাঢ়িছে। এই বাৰৰ Audit Report ত দেখিবলৈ পোৱা যায় যে অসমৰ বিভিন্ন বিভাগত ১৩ লাখ ৪৮ হাজাৰ টকা আত্মসাদ কৰিছে। ১৯৬৭ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত যিসকল officer য়ে এই টকা আত্মস্বাদ কৰিছিল তাৰ কোনো ব্যৱস্থা এতিয়ালৈকে কৰা হোৱা নাই। ইয়াৰ ভিতৰত দেখা যায় Appointment department fund ত ১১৯৯৪৮ টকা আত্মস্বাদ কৰিছে। আৰু জেল বিভাগে আত্মস্বাদ কৰিছিল ১১৬৩৫৩ টকা আৰু ৰাজহ বিভাগে ৬ লাখ ৮৯ হেজাৰ ৭ শ ৪৯ টকা।

গতিকে যিবিলাক বিভাগত বিভিন্ন কৰ্ম্মচাৰীয়ে ইমান ৰাজহুৱা ধন আত্মস্বাদ কৰিছে, সেই বিলাকৰ ব্যৱস্থা আজিলৈকে চৰকাৰে লোৱা নাই। অকল সেইটোৱেই নহয় Audit Report ত দেখুৱাইছে কিছুমান বিভাগে প্ৰতি বছৰে কোটি কোটি টকা অপচয় কৰিছে। Audit Report ৰ ৯১ পৃষ্ঠাত পোৱা যায় যে P. W. D. আৰু Public Health Engineering এই বিভাগ দুটাই ৯ কোটি ৮৯ লাখ টকাৰ ভাওচাৰ দিব পৰা নাই ইয়াৰ ভিতৰত ১৯৫২ চনৰে ৩ কোটি ৩৯ লাখ টকাৰ ভাওচাৰ দিব পৰা নাই। এই টকা বিলাক উদ্ধাৰ কৰা নাই কিয় ?

Shri Kamakhya Prosad Tripathi : Public Accounts Committee ৰ report ত চালে বুজা যাব।

Shri Promod Chandra Gogoi : আৰু এটা কথা দুনীতি নিয়ন্ত্ৰণ আৰু নিবাৰণৰ ক্ষেত্ৰত চৰকাৰৰ যথেষ্ট সহযোগ বা ইচ্ছা নাই। Electricity বিভাগৰ হীনদেৰি বিলাক তদন্ত কৰিবলৈ এটা তদন্ত কমিচন গঠন কৰিছিল। সেই কমিটিত বিৰোধী পক্ষৰ কোনো সদস্য লোৱা নাই। ইয়াৰপৰা এইটোৱেই অনুমান কৰিব পাৰি যে কমিটি কৰাৰ উদ্দেশ্য আছিল বৰ্ডৰ আসোৱাহ বিলাক বাহিৰ কৰা; কিন্তু তাৰ পৰিবৰ্তে সেই আসোৱাহ বিলাক ধেমাচেলা দিয়াৰ হে ব্যৱস্থা কৰা হৈছে। ভালকৈ তদন্ত কৰাৰ উদ্দেশ্য থাকিলে সকলো দলৰ সদস্য লৈ সেই কমিচন গঠিত হব লাগিছিল। এই বিলাক ঘটনাৰ পৰা সুস্পষ্ট হয় যে আমাৰ ৰাজ্যত এনেধৰণৰ পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ মূলতে হৈছে চৰকাৰ আৰু তাৰ কাৰণে চৰকাৰেই দায়ী। যিবিলাক দল ত্যাগ কৰিছে সেইবিলাকেই হৈছে কংগ্ৰেছৰ মুখিয়াল। গৃহমন্ত্ৰী চৱনে কৈছিল যে—কংগ্ৰেছৰ দলত্যাগী সকলক পুনৰ কংগ্ৰেছ পাৰ্টিত প্ৰবেশ কৰিব দিব নালাগে। কিন্তু তাৰ পৰিবৰ্তে আজি বিহাৰত কি হৈছে ? বিহাৰত Con-

gress Party এ যিজন মুখ্যমন্ত্ৰী পাতিছে, যি জন হৰিহৰ সিং তেওঁ কংগ্ৰেছৰ পৰা ওলাই জন কংগ্ৰেছ কৰিলে। ১৯৬৭ চনত স্বতন্ত্ৰ পাৰ্টিত যোগ দিলে। তাৰ পিচত ওলাই আহি ঘোষিত দলত ভুক্ত হয়। গতিকে দেখা যায় যে এই লোকজন ২ বছৰৰ ভিতৰতে তিনিবাৰ দলত্যাগ কৰিছে। অকল সেয়েই নহয় বিহাৰৰ চৰকাৰে গঠন কৰা "থায়াৰ কমিচন" গঠন কৰিছিল দুনীতিমূলক অপকৰ্ম্ম বিলাক উদঘাটন কৰিবৰ কাৰণে—সেই কমিচনেও এই মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে নানাৰকমৰ অভিযোগ আনিছে। তেওঁ এনে-কৈয়ে বহুত টকা আত্মসাৎ কৰিছিল। তেওঁ যে এই দুনীতি বিলাকত সক্ৰীয়ভাৱে লিপ্ত আছে সেইটো সাব্যস্ত কৰিছিল। এনেকুৱা মানুহজনক লৈ কংগ্ৰেছ দলক গাদীত প্ৰতিস্থিত কৰিবৰ কাৰণে আজি বিহাৰত সেই মানুহজনকেই কংগ্ৰেছে মুখ্যমন্ত্ৰী পাতিছে। তেনেকুৱা যে অকল বিহাৰতেই হৈছে এনে নহয়, এনেধৰণৰো মানুহক মুখ্যমন্ত্ৰী বা কেন্দ্ৰীয় মন্ত্ৰীৰ পদত লৈছে সি হয়তো ১০ বাৰ দলত্যাগ কৰিছে। কংগ্ৰেছক ক্ষমতাৰ অধিস্থিত কৰিবৰ কাৰণে এনেধৰণৰ মুখ্যমন্ত্ৰী পদ দিবলৈকো সঙ্কোচ নকৰে। অসমৰ জনকল্যান মূলক কাম বিলাকত নিৰুৎসাহে কৰা দেখা দিছে। অসমত ভৱিষ্যতে যদি তেলশোধনাগাৰ লৈ আন্দোলন হয় বা আন কোনো আন্দোলন হয় তেতিয়াহলে সেই আন্দোলন অবাঞ্চনীয় হব বুলি চৰকাৰে কৈছে। কিন্তু মই কও যে সেই আন্দোলন চৰকাৰৰ কাৰণে অবাঞ্চনীয় হব পাৰে, কিন্তু আমাৰ অসমৰ ৰাইজৰ কাৰণে সি কেতিয়াও অবাঞ্চনীয় হব নোৱাৰে। কাৰণ অসমত যদি কিবা উদ্যোগ হৈছে সি ৰাইজৰ আন্দোলনৰ ফলতহে হৈছে। চৰকাৰে কোনো অনুষ্ঠান বা উদ্যোগ আজিলৈকে ৰাইজৰ বিনা আন্দোলনে কেন্দ্ৰৰ পৰা আদায় কৰিব পৰা নাই। সিদিনা আমাৰ সংগ্ৰাম কৰিছে ২য় তেল শোধনাগাৰ অসমত স্থাপন কৰা দাবী জনোৱাৰ কাৰণে চুড়ান্ত সিদ্ধান্ত হৈ গৈছে। কেন্দ্ৰীয় চৰকাৰৰ শোধনাগাৰ স্থাপন নীতিৰ বিৰুদ্ধে আৰু অসম চৰকাৰৰ অকৰ্ম্মন্য-

তাৰ বিৰুদ্ধে জনসাধাৰণৰ তৰপৰ পৰা অসমত এটা বিৰাট আন্দোলনৰ সূচনা হৈছে। অসমৰ সমগ্ৰ ৰাইজ আৰু কৃষক সমাজে সেই আন্দোলনত নামিছে। এই ২য় তেলশোধনাগাৰ স্থাপনৰ সম্পৰ্কে সমগ্ৰ অসমব্যাপী যিটো আন্দোলনৰ সূচনা হৈছে সেই আন্দোলন সম্পৰ্কে মই সদনক জনাও যে—যেতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰে ২য় তেলশোধনগাৰ অসমত প্ৰতিষ্ঠা নকৰে তেতিয়ালৈকে বিৰাট আন্দোলন চলি থাকিব। অহা ২৪ মাৰ্চৰ পৰা গোটেই অসমজুৰি Demonstration Hunger Strike, ধৰ্ম্মঘট, বিভিন্ন আন্দোলন কৰা হব। অহা ১ এপ্ৰিলৰ পৰা ২৩ এপ্ৰিললৈ অসহযোগ আন্দোলন কৰা হব। অসম চৰকাৰে এইটো অবাঞ্চনীয় বুলি ভাবিব পাৰে। মই জনাও যে অকল জনসাধাৰণৰ এই আন্দোলন কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে নহয় অসম চৰকাৰৰ জননীতিৰ বিৰুদ্ধেও এই আন্দোলন কৰিব। এইটো অৱশ্যে ঠিক যে আজিৰ ৰাইজে এই আন্দালনৰ আলমেৰে নিজৰ ন্যাৰ্য্য দাবী, তেওঁলোকৰ ন্যাৰ্য্য অধিকাৰ তাক আদায় কৰাত যে সন্তৰপৰ সেইকথা ৰাইজৰ অবিদিত নহয়। আৰু ৰাইজে এইটোও জানে যে তেওঁলোকৰ সন্মুখত আন্দোলনৰ বাহিৰে তেওঁলোকৰ ন্যাৰ্য্য অধিকাৰ আদায় কৰাৰ অন্য কোনো পথ নাই। মোৰ কবলগীয়া বহুতখিনি বাকী থাকিল। যিহওক সময়ৰ সঙ্কেত পাই মই মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

Shri Kamakhya Prosad Tripathi ( Minister, Finance ) : I understand that the Estimate Committee of this House is going into the matter of Umiam construction.

Shri Premodhar Bora : উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই যিটো বাজেট দাঙি ধৰিছে সেইটো মই থূল মূল ভাৱে

পঢ়ি চালো। এই বাজেট খন দেখি মোৰ মনত ধাৰণা হৈছে যে, পণ্ডিত হিচাবে কবলৈ গলে "ঋনং কৃত্বা ঘৃতং পিবেৎ"। আৰু ভদ্রতাৰ সুৰত কবলৈ গলে। "বাহিৰত ৰবচুৰিয়াৰ ফেৰ ভিতৰত ধকুৱাৰ বেৰ। হলেও কব লাগিব যে "গাত নাই ছাল-বাকলি মদ খায় তিনিটেকেলি"।

উপাধ্যক্ষ্য ডাঙৰীয়া, আগতে আমাৰ বিত্তমন্ত্রী আছিল 'প্লেনিং মিনিষ্টাৰ"। প্লেনিং কৰোতে কৰোতে আমাৰ ৰাজ্য খনৰ ধাৰ হল ১১৯ কোটি টকা আৰু আমাৰ অসমৰ জন সংখ্যা হ'ল ১ কেটি ১৮ লাখ বা ২০ লাখ। এই ১ কোটি ১৮ লাখ মানুহৰ যদি ধাৰ হয় ১১৯ কোটি তেনেহলে Account ত জনমূৰীয়া ঋণ ১০০ টকা হ'ল। গতিকে আজি আমাৰ বিত্তমন্ত্রী ডাঙৰীয়াই অসম চৰকাৰৰ ভিতৰত বিত্তমন্ত্রী হিচাবে গৌৰৱ অৰ্জ্জন কৰিব পাৰে; কিন্তু মহাজনৰ ওচৰত হলে তেনেকুৱা মানুহ এজনক গোমোস্তাৰ কৰিও নাৰাখে। কাৰণ এজন গোমোস্তাদাৰে ১৩/২০ বছৰ ধৰি প্লেনিংকৰিও যদি ১১৯ কোটি টকা ধাৰ লগায় তেন্তে তেওঁক আৰু নাৰাখে।

এতিয়া আমাৰ বাজেটখন হল ২১৩ কোটি টকাৰ আৰু তাত ঘাটি পৰিছে ৫০ কোটি টকা।

উপাধ্যক্ষ মহোদয়, এই বাজেট খনত বৰ ভুল (wrong) দেখা গৈছে। এইটো Deficit Finance ৰ কাৰণে হৈছে। আমাৰ বিত্তমন্ত্রী ডাঙৰীয়াই তিনিটা প্লেন কৰিলে। প্লেন বাঢ়ি যোৱাৰ লগে লগে ধাৰও বাঢ়ি গৈছে। সেই ধাৰ কোন দিনা শেষ হব আৰু কোনটো প্লেনত শেষ হব ? তাৰ ইঙ্গিত এই বাজেতত নাই

উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ ৰাজহমন্ত্রী, আমাৰ কৃষিমন্ত্রী Finance Minister ৰ ওচৰতে বহি থাকে। আমাৰ কৃষিৰ

শিতানত 8 কোটি ৮ লাখ টকা ধৰিছে। আমাৰ ৰাজ্যৰ Famine relief ৰ কাৰণে টকা ধৰিছে ৩ কোটি ২৮ লাখ টকা। তেওঁখেতৰ এই গোটেইখিনি Scheme ত দেখা যায় Grant No. 47 ত নীল আৰু Agriculture Loan ত ধৰিছে ৩৬ লাখ ১২ হেজাৰ টকা। কিন্তু যিথন দেশত Femine হয়, তাত ধৰিছে ৩ কোটি ২৮ লাখ টকা আৰু কৃষিৰ শিতানত মাত্র 8 কোটি ৮ লাখ টকা আৰু Agricultural Improvement ধৰিছে বাজেট নীল কিন্তু কৃষি ঋণ Agriculture ৰ loan শিতানত ধৰিছে ৩৬ লাখ ১২ হেজাৰ টকা—এইবোৰ কি কৃষি আচনি তেখেতে হাতত লৈছে?

আমাৰ অসমখন এখন কৃষি প্রধান দেশ। এই কৃষি প্রধান ৰাজ্যত কৃষিৰ যদি উন্নতি নহয়, কিহৰ পৰা উন্নতি হব? অকল সেয়ে নহয়—উপাধ্যক্ষ ডাঙৰীয়া আপুনি Grant No. 100 ত পাব—আমাৰ পঞ্চায়ত মন্ত্রীয়ে এই পঞ্চায়তৰ ঋণ শিতানত ২ লাখ টকা ধৰিছে। Advance of Govt Servants Grant No. 99, তাত ধৰিছে ৫8 লাখ ২৫ হেজাৰ টকা। উপাধ্যক্ষ্য ডাঙৰীয়া আপুনি শুনি ভাল পাব যে, এই 8৩ লাখ টকাত Advance For Motor Conveyance দিছে ১০ লাখ ২৫ হেজাৰ টকা। এই টকা গাড়ী কিনিবলৈ দিছে? মই শুধিছো পঞ্চায়ত মন্ত্রীয়ে ইয়াৰ জবাব দিব লাগে।

( Voices—গাড়ী নহলে পঞ্চায়ত চলে কেনেকৈ? )

তাৰ পিচত, আমাৰ শাসন যন্ত্রটো এটা পঁয়ালগা মানুহৰ দৰে হৈছে। শাসনযন্ত্রত ধৰিছে ১৭৮ লাখ টকা। তাৰে Heads of State and Minister, Dy Ministes ১৯ লাখ, চেক্রেটৰী সকলৰ কাৰণে ধৰিছে ৮৯ লাখ টকা। কমিচনাৰ আৰু S.D.O. সকলৰ কাৰণে ধৰিছে ১৯০ লাখ। অর্থাৎ চালে দেখা

যায়, ১৯ লাখ হৈছে মুৰটো, ৮৯ লাখ হৈছে পেট্‌টো আৰু বাকী ১১০ লাখ হল তলছোৰা।

( Voices—এইটো বটল, এইটো এটা কেৰাচিন তেলৰ বটল )

( হাঁহি )

উপাধ্যক্ষ মহোদয়, এইটো শুনিলে আপুনিও হাঁহিব। আমাৰ মুখ্যমন্ত্ৰীৰ কাৰণে দৰ্ম্মহা ধৰিছে ১২ হাজাৰ টকা। কিন্তু Principal Private Secretary, Private Secretary to Chief Minister ৰ কাৰণে ধৰিছে ১৫ হাজাৰ টকা। গতিকে চাওক এইদৰে Minister সকলতকৈ Under Secretary, P. S. সকলৰহে দৰ্ম্মহা বেছি, এয়ে হল শাসন যন্ত্ৰ ?

( Voice—১২ হাত কেৰেলাৰ ১৩ হাত গুটি )

তাৰ পিচত, Grant No. 47 ত Director of Social Welfare ৰ কাৰণে ধৰিছে ৫৮ লাখ টকা। এই ৫৮ লাখ টকা Director of Social welfare নাইবা Minister এ ৰাখিব-লগীয়া নহয়। এই ৫৮ লাখ টকাৰে চলাবলৈ এজন Minister ৰ প্ৰয়োজন। তাৰ পিছত এই বছৰৰ কাৰণে আমাৰ বিত্তমন্ত্ৰীয়ে ২১৩ কোটি টকাৰ বাজেট কৰিছে। তাৰে ২১ লাখ ৫৮ হেজাৰ শিক্ষাবিভাগৰ মন্ত্ৰীমহোদয়ৰ কাৰণে। অৱশ্যে আমাৰ শিক্ষামন্ত্ৰী ইয়াত নাই। তেখেতৰ চতুৰালি চাওক। General Education ৰ কাৰণে ২১ কোটি আৰু Technical Education ৰ কাৰণে ৬৭ লাখ ধৰিছে। এইটো ৰকম হৈছে।

( সময়ৰ সংকেত )

মই আৰু বেছিকৈ আমনি দিব নোখোজোঁ। তাৰ পিচত Grant No. 51 ত আছে Preservation of ancient

monuments and manuscripts তাত ধৰিছে ৭৫ হেজাৰ টকা খৰচ। টকাটোৰ পৰিমান কম। উপাধ্যক্ষ মহোদয়, কিন্তু তাৰ খৰচ হিচাৰ দেখিলে আপুনিও হাঁহিব। এই টকাৰ ২৫ হেজাৰ টকা খৰচ হব Pay Officer ৰ কাৰণে আৰু ২২ হেজাৰ টকা হল Pay of Establishment আৰু Allowances and honoraria ৰ কাৰণে হল ১৩ হেজাৰ টকা। দুই হেজাৰ টকা Purchase of books আৰু ৫০০ টকা Purchase of furniture আৰু ৩০০ টকা হল চকমাটি মেপ আদি। এইদৰে এই টকাখিনি অযথা খৰচ কৰিব খুজিছো।

এতিয়া মই complement সম্পৰ্কে দুষাৰমান কও, Indian Airlines corporation ত অসমীয়া বিষয়া মাত্ৰ ৩ জন আছে গতিকে বাজ্যিক প্ৰবিবহন বিভাগৰ পৰা কেন্দ্ৰীয় পৰিবহন বিভাগক জনাব লাগে যে অসমৰ ভিতৰত এই লাইনৰ এটা Recruitmenting centre হব লাগে। এনে এটা centre অসমত এটাও নথকাতো কম পৰিতাপৰ কথানে ?

বিত্তমন্ত্ৰী ডাঙৰীয়াই M. L. A. ৰ দৰমহা বৃদ্ধিৰ যি খন বিল আনিছে তাৰপৰা ৰক্ষকেই ভক্ষক হৈছে বুলি কব পাৰি। যিখন বাজ্যত মানুহৰ খাবলৈ নাই, যিখন বাজ্যত শিক্ষকক উপযুক্ত দৰমহা দিব পৰা নাই যি সময়ত অৰ্থ সংকটত পৰি আমাৰ বাজ্য জৰ্জ্জৰিত হৈছে সেই সময়ত এনে এখন Bill অনাটো কেতিয়াও ভাল হোৱা নাই। মই ইয়াৰ পুনৰ বিবেচনা কৰিবৰ কাৰণে অনুৰোধ জনালো।

চৰকাৰৰ ভূমি নীতিৰ বিষয়েও মোৰ বহুতো কব লগা আছিল কিন্তু সময়ৰ অভাৱত তাৰ কিবা আলোচনা কৰিব নোৱাৰিম কিন্তু এই ক্ষেত্ৰত মই ইয়াকে কও যে Land Settlement Broad য়ে প্ৰস্তাৱ সমূহ চৰকাৰৰ ঘৰলৈ পঠোৱা স্বত্তেও আজিলৈকে কোনো proposal ৰেভিনিউ বিভাগৰ পৰা

উত্তৰ নোপোৱাতো। সেইকাৰণে ভূমিহীন খেতিয়কে যাতে মাটি পাই তাৰ এটা সুস্থ আৰু সবল নীতি কৰিবলৈ অনুৰোধ কৰি বক্তব্যৰ সমৰণী মাৰিলো। মই আশাকৰো ৰাজহমন্ত্ৰী আৰু ৰাজহ বিভাগৰ সচিবালয়ৰ মাজত সম্পৰ্ক আৰু ওচৰ চাপিব লাগে। এইটো অসমৰ মাটিহীন কৃষকৰ এটা জীৱন মৰণৰ সমস্যা।

Shri Upendra Nath Sanatan : মাননীয় উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী ডাঙৰীয়াই যি অৰ্থনীতি সম্পৰ্কে বাজেট ডাঙি ধৰিছে সেই সম্পৰ্কে কব খুজিছো যে এই বাজেটত দেশৰ জনসাধানৰ লাগতিয়াল কথা গোটেইখিনি কথা সামৰি আনিছে আৰু বহুতো ৰকমৰ জনসাধাৰণৰ কল্যাণৰ আঁচনি লোৱা হৈছে তাৰ কাৰণে বিত্তমন্ত্ৰী মহোদয়ক ধন্যবাদ দি দুষাৰ কব খুজিছো।

ইয়াৰ ভিতৰত মূলকথা হৈছে যে চাহ শিল্পটো আমাৰ এটা ডাঙৰ শিল্প আৰু চাহৰ Market যি আছিল সেইটো এতিয়া ঘাটি হৈছে এই কথা সদনৰ সকলো সদস্যই জানে Market টো কিয় ইমান তল পৰিছে তাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা কিছুমান যত্ন লব পাৰিলে মই আনন্দ পাম। যিহেতু চাহ শিল্পটো এটা আমাৰ কৃষিজাত শিল্প, আমাৰ Agriculture Department য়ে কেনেকৈ খেতি কৰিলে ২/৩ টা বেচি কৰিব পাৰি তাৰ উপায় উদ্ভাৱন কৰিছে ঠিক তেনেকে কি উপায়েৰে চাহ বেচি উৎপন্ন কৰিব পাৰি আৰু চাহ উন্নত কিধৰ হয় তাৰ বাবে ব্যৱস্থা কৰিব লাগে। কিন্তু দেখা গৈছে চাহ শিল্পপতিয়ে যি সময়ত বা যি ৰকমে Double কোৰ মাৰিব লাগে বা চিলিং কোৰ মাৰিব লাগে আজি কালি বাগানবোৰত সেইমতে কোৰ মৰা নহয় ১ নল মাটিত ১১ টাহে গছ থাকিব লাগে। কিন্তু এতিয়া তাৰ ঠাইত ১৮ টাকৈ গছ পচাইছে। আৰু তাৰ কাৰণে গছে গা কৰিব পৰা নাই য'ত double কোৰ মাৰিব লাগে তাত মাত্ৰ চিলিং কোৰ মাৰিছে

কাৰণে চাহৰ Quality বেয়া হৈছে। আকৌ য'ত বছৰে ৬ বাৰ কোৰ মাৰিব লাগে তাত মাত্ৰ এবাৰ মাৰিছে, এইবোৰ কাৰণত চাহটো বেয়া হৈছে আৰু চাহৰ Mark t তল পৰিছে। মালিকসকলে কেনেকৈ চাহ কৰিছে সেইটো চাই তাৰ যদি এটা control কৰিলে-হেঁতেন তেনেহলে ভাল হ'লহেঁতেন। মালিকসকলে Govt: তকৈ বেচি চালাকি কৰিবলৈ লৈছে, কিয়নো তেওঁলোকে ভাঙি ভাঙি সৰু কৰিবলৈ বিচাৰিছে আৰু দূৰৰ পৰা চাহ অনাৰ কাৰণে চাহবিলাক শুকাই যায়। কাৰণ ২/৩ টা বাগানৰ মাজত একটাহে কলঘৰ আছে আৰু মজদূৰৰ সংখ্যা কম কৰাৰ চেষ্টা চলাইছে। এই কাৰণে চৰকাৰে যত্ন লব লাগে যে শ শ বছৰ ধৰি চলি অহা চাহ বাগিচা বিলাক যাতে মালিকসকলে ভাঙিব নোৱাৰে আৰু তাৰ দ্বাৰা মজদূৰক নিবনুৱা কৰিবৰ যি ব্যৱস্থা কৰিছে সেইটোৰ বিষয়ে চৰকাৰে লক্ষ কৰিবলৈ অনুৰোধ কৰিলো।

আৰু এটা কথা কব খোজো যে আমাৰ সদনৰ এজন সদস্যই কৈছিল যে চাহ বাগিচাত যি বিলাক পথাৰত খেতিৰ মাটি আছে চৰকাৰে সেই মাটিবিলাক মালিকসকলক দিছে বুলি কোৱা কথা মই বিশ্বাস নকৰো। চৰকাৰে মালিকসকলক Grow More food ৰ কাৰণে কোনো মাটি দিয়া নাই। চাহবাগানৰ 1:2 formula মতে বাগিচাৰ মাটিত খেতি কৰিব বুলি কোৱা হৈছিল কিন্তু মজদূৰৰ পৰা মাটি কাঢ়ি নিয়া হোৱা নাই।

Shri Dulal Chandra Barua : মই সদস্য জনৰ পৰা এটা কথা পৰিস্কাৰকৈ জানিব খুজিছো যে মজদূৰৰ পৰা মাটি কাঢ়ি যি বাগানৰ মালিকসকলক মাটি দিয়া নাই বুলি যি কথাষাৰ কলে সেইটো কোন ভিত্তিৰ পৰা কৈছে।

Shri Upendra Nath Sanatan : কিন্তু তেনেকুৱা কোনো মজদূৰৰ পৰা মাটি কাঢ়ি লোৱাৰ কথা কোৱা নাই।

**Shri Dulal Chandra Barua** : মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় সদস্যজনৰ পৰা এটা কথা পৰিস্কাৰ কৰি লব খুজিছো যে তেখেতে কৈছে মজদুৰৰ পৰা G. M.F. ৰ কাৰণে মাটি কাঢ়ি নিয়া নাই। এই কথা তেওঁ কৰ পৰা কেনেকৈ কলে। মই জানো যে মোৰ এলেকাৰ যোৰহাট মহকুমাৰ ভিতৰত এই ঘটনা এতিয়াও ঘটি আছে।

( বিভিন্ন ফালৰ পৰা উচ্চ ধ্বনি )

**Shri Upendra Nath Sanatan** : Tea garden বিলাকত যি বিলাক মাটি মজদুৰৰ হাতত আছে আৰু তেওঁলোকে খাই আছে সেই মাটি G.M.F.-ৰ কাৰণে মজদুৰসকলৰ হাতৰ পৰা তেওঁলোকক উচ্ছেদ কৰি নিয়া নাই।

**Shri Dulal Chandra Barua** : তেখেতে এই কথা কোৱা ঠিক হোৱা নাই।

**Shri Upendra Nath Sanatan** : এনেকৈ নজনা কথা বিলাক কোৱা ঠিক হোৱা নাই। মই Tea garden ৰ মানুহ গতিকে মই Tea garden ৰ কথা বেছি বুজি পাওঁ।

**Mr. Deputy Speaker** : Let him speak.

**Shri Debeswar Sarmah** : উপাধ্যক্ষ মহোদয় মই বাহিৰত আছিলো ইয়াত ইমান হাই-উৰুমি হৈছে যে মই ভয় কৰি ইয়াত কিবা হৈছে বুলিহে ভাবিছিলো।

( A voice— বাহিৰত কিয় আছিল )

বাহিৰত মানুহে কিবা হৈছে বুলিহে ভাবিছে ময়ো ভয় পাইহে আহিছো।

Shri Upendra Nath Sanatan : Dy. Speaker Sir যিটো কথা নেজানে সেই নজনা কথাটো লৈ হাল্লা কৰিব নালগে।

Shri Dulal Chandra Barua : উপাধ্যক্ষ মহোদয়, 'নজনা' বুলি কোৱা শব্দটো Unparliamentary হৈছে এইটো উদ্ৰ কৰিব লাগে।

Shri Upendra Nath Sanatan : নহয় চাৰ, সেইটো হব নোৱাৰে। কাৰণ মই কৈছিলো "যি মানুহে নেজানে" মই কোনো ব্যক্তিক লক্ষ্য কৰি কোৱা নাই।

Shri Dulal Chandra Barua : এই বিলাক মানুহৰ পৰাই মজদুৰৰ অসুবিধা হৈছে কাৰণ এই বিলাক Capitalist সকলৰ Agent:

Shri Upendra Nath Sanatan : চাহবাগানৰ লাখ লাখ মজদুৰৰ কথা আগতে কোনেও নাভাবিছিল আৰু এতিয়া তাৰ সকলোৰে সুবিধা লৈ কথা কবলৈ ওলাইছে।

Shri Dulal Chandra Barua : It is objectionable. He must withdraw it.

Shri Upendra Nath Sanatan : আৰু এটা কথা মই Tea garden সম্পৰ্কে কব খুজিছো... .....

( Noise )

( সদনত গণ্ডগোল, ডেস্কত ভুকুৱাৰ শব্দ আৰু বিভিন্ন ধ্বনি )

মোৰ গলটো বৰ ভাল পাইছে সেই কাৰণে সকলোৱে ডুগি-ডাইনা বজোৱা বুলি ধৰি লৈছো।

মই কব খুজিছো যে চাহ মজদুৰ বিলাকে যি Bencfit পাব লাগিছিল সেইটো পোৱা নাই। আজি অসমৰ চাহ উৎপাদন যথেষ্ট কৰিছে কিন্তু তাৰ ওপৰত নানা ৰকমৰ কৰ লগোৱা হৈছে সেই বিলাক হৈছে—Income tax, Agricultural tax, Excise duty, Carrier tax, Import, Export tax west Be gal entry tax এই ৭ টা tax. এই tax বিলাকৰ পৰা অসম চৰকাৰৰ কোনো ফালে উপকৃত হোৱা নাই। গৰুগ'ই থিৰাই গাখীৰ বাল্টিয়ে লৈ যায় কিন্তু পোৱালীয়ে খাব নোৱাৰাৰ দৰে অসমৰ পৰা এই tax পশ্চিম বঙ্গই বা কেন্দ্ৰীয় চৰকাৰে লৈ গৈছে।

( Noise )

যিবিলাক tax west Bengle or Central Govt. লৈ গৈছে সেই বিলাক আমাৰ চৰকাৰে পাব লাগে। লগতে Entry tax টো উঠাই দিব লাগে।

( সময়ৰ সংকেট )

চৰকাৰে যিবিলাক কথা বাজেট বক্তৃতাত উল্লেখ কৰিছে সেই বিলাক কথা ভুল নহয়।

Mr. Deputy Speaker : আপুনি ১২-৩০ ত আপোনাৰ বক্তৃতা শেষ কৰিব লাগিব।

Shri Upendra Nath Sanatan : উপাধ্যক্ষ মহোদয়, মোক আৰু অলপ সময় লাগিব।

গতিকে মই অসম চৰকাৰক অনুৰোধ কৰিছো চাহৰ ওপৰত যিবিলাক tax আছে সেই বিলাক উঠাই দিব, লাগে। বিষেশকৈ West Bengale Entry tax টো উঠাই দিব লাগে আৰু যি বিলাক অসমৰ চাহৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে বা অন্য ৰাজ্যৰ চৰকাৰে পাইছে সেই বিলাকৰ পৰা অসম ৰাজ্যৰ ধন ভৰাল খালী হৈছে আৰু ফলত মজদূৰ সকলৰ সা–সুবিধা বিলাক অসম চৰকাৰে দিব পৰা নাই। আনহাতে চাহৰ বজাৰ নিম্নগামী হৈছে বুলি মালিক সকলে তেওঁলোকৰ লোকচান হৈছে বুলি চাহ বনুৱা সকলক সা–সুবিধা দিব নোখোজে আৰু এই সা-সুবিধা বনুৱাই দাবী কৰিলে মালিকসকলে তেওঁলোকৰ তেজ খাব খুজিছে বুলি কয়।

( সময়ৰ সংকেট )

Shri Jagannath Singha : Sir, he was disturbed all through. He may be allowed to speak.

Mr. Deputy Speaker : Order, order. The House stands adjourned till 2 p. m. to day Mr. Sanatan will speak for five minutes more.

## ADJOURNMENT

The House then Adjourned for lunch till 2 p. m.

## (AFTER LUNCH)

Shri Upendra Nath Sanatan : মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা কথা কব খুজিছো যে ১৯৫৭ চনত কাগজত প্ৰকাশ হৈছিল যে চাহবাগান বিলাকত কাবুলি বিলাকে যি টকাৰ ধাৰ দিয়ে সেইটো তদন্ত কৰিব আৰু তদন্ত কৰি তেওঁলোকে অতিৰিক্ত সুত ললে সেইটো বন্ধ কৰিব। কিন্তু সেইকথা এতিয়ালৈকে কাৰ্যকৰী হোৱা নাই। তাৰপৰি চাহবাগান বিলাকত যিবিলাক সৰু সৰু দোকান আছে সেইবিলাকতো এই কাবুলি বিলাকে টকা ধাৰে দিয়ে আৰু তাৰপৰা অতিৰিক্ত সুত আদায় কৰে। এই মজদুৰ বিলাকক যি টকা ধাৰে দিয়ে সেই টকা বিলাক মজদুৰ বিলাকৰ দৰ্মহাৰ পৰা কাটি লয়। তেওঁলোকৰ প্ৰতি আজিও সেই অন্যায় চলি আছে। এই সম্পৰ্কে বিশেষ ব্যবস্থা লবলৈ মই চৰকাৰক অনুৰোধ জনালো।

দুই নম্বৰ কথা কব খুজিছো যে আমাৰ Labour Depertment সম্পৰ্কে। এই Labour Department ত আজিও বহুত অসুবিধা হৈ আছে। তাত গাড়ী, মটৰ আদিৰ ব্যবস্থা নাই। এতিয়া মই কিন্তু মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে তেওঁলোকক গাড়ী, মটৰ আদিৰ সুবিধা কৰি দি Teliphone ৰ ব্যবস্থাও কৰি দিব লাগে।

আৰু এটা কথা কব খুজিছো যে, আমাৰ দেশত বহুটো অৰ্থ ব্যয় কৰা হৈছে। কোনো কোনো ক্ষেত্ৰত দেখিলে সচাকৈয়ে মনত দুখ লাগে। যেনে পঞ্চায়ত Depertment ৰ ক্ষেত্ৰত। মই বিশেষকৈ এটা কথা কব খুজিছো যে পানীতোলাত আঞ্চলিক পঞ্চায়তে ১৯৬৫ চনতে এটা Deep Tubewell fit কৰিলে। তাত ৪০ হাজাৰ টকা খৰচ কৰিলে। কিন্তু তাত পানী নোলাল। এতিয়া সেইটো বন্ধ হৈ আছে। গতিকে এনেকৈয়ে বহুত ক্ষেত্ৰত অজস্ৰ টকা খৰচ কৰি কাম কৰিছে কিন্তু সেই কামৰপৰা কোনো ফল পোৱা নাই। জনসাধাৰণৰ কোনো লাভ হোৱা নাই।

টকা বিলাক অজথা পানীত পেলোৱা হৈছে। আমাৰ চৰকাৰে এনেকুৱা বহুত কথা নজনাকৈয়ে থাকে, আৰু জনসাধাৰণৰ লাভ নোহোৱাকৈয়ে অজস্র টকা খৰচ কৰি থাকে। এই বিষয়ে তদন্ত কৰিবলৈ মই চৰকাৰক অনুৰোধ কৰিলো।

আৰু এটা কথা কব খুজিছো যে আমাৰ চাবোৱাত Health centre এটা আছে। আমাৰ ভাৰতবৰ্ষত মুঠতে চাৰিটা Health centre আছে। তাৰ ভিতৰতে এই চাবোৱাও এটা। এই Health centre টোতে অসম, মনীপুৰ, ত্ৰিপুৰা, নগালেণ্ড আৰু নেফাৰ লৰা-ছোৱালীক প্ৰশিক্ষণ দিয়া হয়। তাত এটা Scheme ১৯৫৭ চনতে আৰম্ভ কৰিছিল। এই Scheme টোৰ কাম হাতত লৈ ঘৰবাৰী আদি কৰি দিলে। তাত ২৫ হাজাৰ টকা খৰচ কৰি এটা Generator কিনি দিলে। কিন্তু এই Generator টো অচল হৈ আজিলৈকে গুদামত পৰি আছে। ইয়াৰপৰা কাম একো হোৱা নাই। তাত Eelctricity fit কৰিলে কিন্তু বাটি নজলিল। তাৰ খুটা বিলাক মাটিত পৰি গল। Electricity ৰ বড ৰ লগত লিখালিখি কৰাৰ ফলত এতিয়া ৰ.ণ্টাত বাটি জ্বলিছে কিন্তু মানুহৰ ঘৰবিলাকত এতিয়াও বাটি জ্বলা নাই। এইদৰে আমাৰ অজস্য টকা খৰচ কৰিছে। এইবিলাকৰ দ্বাৰা চৰকাৰৰ আঁচনি মতেও কাম নহল আৰু জনসাধাৰণৰো কোনো কামত নাহিল।

( Bell )

আৰু এটা কথা কব খুজিছো যে আমাৰ Education সম্পৰ্ক। এই Education সম্পৰ্ক কওঁ যে আমাৰ গাওঁ অঞ্চল বিলাকত যি বিলাক L.P. School আছে সেইবিলাকত free Education হব লাগে। সেইবিলাক অঞ্চলত L. P. School ৰ ঘৰ-দুৱাৰ সাজি দিব নোৱাৰে। শিক্ষকক দৰ্মহা দি ৰাখিব নোৱাৰে। এইবিলাক স্কুল নচলা হৈছে। মই চৰকাৰক পৰা-

মৰ্শ দিব খোজো যে আমাৰ L. P. School বিলাকৰ পৰা Matric লৈকে free Education হব লাগে। আমাৰ আজি যদিও ঘটিবাজেট আ নেছে তথাপি শিক্ষাৰ উন্নয়নৰ কাৰণে L. P. School ৰ পৰা Matric প্ৰৰ্য্যন্ত free Education কৰিবলৈ চৰকাৰক অনুৰোধ কৰিলো।

আৰু এটা কথা I. P. I. Training centre সম্পৰ্কে। এইবিলাকত শতকৰা ৬০ ভাগ কেন্দ্ৰীয় চৰকাৰে দিয়ে আৰু শতকৰা ৪০ ভাগ ৰাজ্যচৰকাৰে দিয়ে। কেন্দ্ৰীয় চৰকাৰে শতকৰা ১০০ ভাগ দি সেই Training centre বিলাক মজবুত কৰিব লাগে, মই অসম চৰকাৰক অনুৰোধ কৰিছো যাতে এই বিষয়ত কেন্দ্ৰীয় চৰকাৰক টানি ধৰে।

Shri Bichwanath Upadhaya : माननीय उपाध्यक्ष महोदय, माननीय बित्त मन्ती महोदय के Budget भाषण पर बरस चल रही है और जिन मित्रोंने भाग लिया है उनके साथ में भी बित्तमन्त्री महोदय को धन्यवाद देता चाहता हु। उन्होंने आज एक घाटा Budget पेश किया है। आज की परिस्थिति में उनके लिये और कोई चारा नही था कि ऐसा Budget पेश न करे। Sir, अगर मैं यह कहुँ, तो गलत त होगा कि जब हमारा खजाना खाली हो चुका है तमी उन्हे यह चभी दी गयी है, बिकास का काम करने के लिये, देश का शासन चलाने के लिये हमारे राज्य के चाय बगानों के अन्दर जो संकट आया हुआ है और उसे दुर करने के लिये हमारी बित्त मत्री और माननीय मुख्य मत्री महोदय ने जो प्रयास किया है वह बहुत ही प्रशंसनीय है। Oil Royality के लिये उन्होने जो भाग की, उसके लिये उन्हें सब तरफ़से समर्थन मिला है।

वित्त मन्त्री महोदय ने अपने Budget speech के 18 page मे यह कहा है कि आज चाय वगानों के श्रमिकों के ऊपर शान्ति विराजमान है। वगानों की परिस्थिति peacefull है। लेकिन मै यह कहुँ कि यह शान्ति क्षणिक है और अदुर भविष्य में ही एक भयंकर तुफान आनेवला है, तो गलत नही होगा। तुफान आने के पहले आकाश शांत दिखाई पड़ता है। लेकिन यह शांति एक बहुत बड़े तुफान का आभास देता है। यह शांति एक भयंकर तुफात का लक्षण है। एक वहुत बड़ा तुफान आनेवाला है चाय वगानों के श्रमिकों के अन्दर।

अभी अभी मुझे एक पत्र मिला है अपने area के Vidya Nagar चाय वगान से एक पत्र मिला है। यह वगान सरकार चलाते है। वहाँ की जनता यह मांग करती है कि उन्हे जमीन मिले। इस वगान की कुल जनसंख्या है 2404 और इसमे working population है सिर्फ 235। 235 आदमी काम करनेवाले है, बाकी सब के सब बेकार है। इस हालत में बेकार आदमी कैसे जीयेंगे; कहा खायेंगे और कहाँ रहेगे? वहाँ की जनता मांग करती है कि उन्हे चाय वगान की 5 हजार बीघा जमीन मिले। इस बगान की जमीत वेची जा रही है। जमीन बिकी जाने के पहले उन्हे जमीन दी जाये। सन 1960 में इस बगान मे छंटाई हुई थी और 400 श्रमीक छांटे गये थे। उस समय सरकार ने यह comment बिया था। यह वचन दिया था कि जमीन देकर वे बसाये जायेगे। लेकिन दुख की वात हैं कि आज तक उन्हें बसाने के लिये कोई व्यवस्था नही हुई। मैं कहता हुँ कि इन छांटे गये श्रमिकों को जमीन मिलती

चाहिये । सरकार का यह कर्ज हैं कि इन लोगोंको जमीन देकर बसाये । लेकिन इन लोगोंको बसाने के लियै कोई व्यवस्था नही हुई हैं ।

आज इस बगान के 15 लाख रूपये कर्जा हो गये हैं । और वगान का valuation किया जाय तो सिर्फ 6 लाख रूपये होंगे। जिस वगान का कर्जा 15 लाख रुपये हैं और उसका valuation सिर्फ 6 लाख रुपये का है उसके लियै पैसा खर्स करे तो हमारा सब पैसा पानी में डुवनेवाला हैं । इसलिये अगर मै यह कहुँ कि आज श्रमिको के अन्दर जो शांति बिराजमान हैं, यह वास्तव मे एक भयेकर तुभान का आभास दे रही हो तो गलत नही होगा । यही हमारे चाह वगानो का नकशा है । अगर सरकार के द्वारा चलाये हूए वगान की हालत यह हैं तो और वगानोकी हालत क्या होगी ? इस वगान के Neighbousing area के जो चाय वगान हैं वहाँ के मालिकोंने बगान की मिट्टिको बेचन शुरू किया हैं । मैं ने एक List collect किया है । यहाँ 9 बगान हैं । Gumlhiga Tea Estate, Sumalchara T. E. Charjola T. E. मालिकौ ने वगान की जमीन को बचना शुरू किया हें । यहाँ क्या तमाशा चल रहा हैं ? मालिकों ने वहुत बहुत तनखाह देकर अपना agent मुकरि किया है और इन agent कों के जरिमे बाहर से आदमी बुला वुलाकर बगान की जीवन बेच रहे हैं । Hailakandi Manipur और Agartala से party वुला वुलाकर बगान की जमीन बेच रहे हैं । किसीसे 500, किसीसे 1000 रूपये लिरे हैं और इस तरह उन्होंने 3,26000 रूपये इकट्ठे किये हैं । ख्यूवी

यह हे कि इस रूपये के लिये जो रसीद दी जाती हैं उसमें यह mention नही रहता कि यह advance किस काम के लिये हैं। उसमें लिखा होता हैं (Enlish यह advace जमीन के लिये या और किसी काह के लिये, उसका कोई उल्लेख नही रहता। कुछ लोगोंको रसीद दी गयी है उसकी रकम 3,26000 लख रुपये है। जिस रकम के लिये रसीद नही दी गयी हैं, वह भी 26000 हजार रुपमे हैं। जिसके पास रसीद हैं, उनके पास यह प्रमाण हैं कि रूपया दिया है और जिन लोगोंको कोई रसीद नही दी गयी है, उनके पास रुपये देनका कोई प्रमाण है और न कोई उपाय हैं। वे लोग २० पुरी रकम को ले लेते हैं और उसके लिये कोई रसीद नही देते। और कभी कभी रसीद को भी फाड़ देते है। उनके पास ऐसा form है कि 3 रूपये खजाने पर जमीन की बन्दोवस्ती हो गयी हैं। इस का कोई record नही है। हम चाहते है और जनता यह माग करती हे कि इन सबकी enquiry की जाय।

एक ही बगान के 2904 आदमियोंने से केवल 325 आदमी काम करनेवाले है और बाकी सबके सब बेकार है। अगर यही हालत है तो ये बेकार लोग कहाँ जायेंगे, कैसे जीयेंगे? इसके अलवा बगानोंके पास बस्तियाँ है। इन बस्तियों के रहने-वाले आदमी कहाँ जायेंगे? जो loeal people है वे कहाँ जायेगे? उनका हाल क्या होगा। उनके पास जमीन नही है। खेति नही हे। ऐसी हालत में वे चोरी करते है। धान की चोरी करते हैं। चावल की चोरी करते है। इसलिये मे कहता हूँ कि आज देश मे जो शांति बिराजमान है, वह वास्तव में

एक भयंकर तुफान का पूर्वाभास है। आज बस्ती के अन्दर लोग भूखों भर रहे।

गत 16 फरबरी में अपने यहाँ एक बहुत बड़ा प्रदर्शन हुवा था। उसमें कम से कम 10 हजार आदमी शरीफ हूए थे। उसमें मालिकों के विरुद्ध यह प्रस्ताव पारित हुवा था, यह मांग की गयी थी कि सदन की तरफ से एक enquiry committee बिणई जाय और इन सब बातोंकी पूरी छ्यानबीन की जाय। हमारे पास सीलिंग ऐक्ट और अधियार एक्ट हैं तो इस company को किसने यह अधिकार दिया था कि चाय बगान की जमीन की बिक्री करते इस चाय बगान के लिये। by 2 वाला जो फरसुला स्वीकार करते है। यहाँ क्या काम हो रहा है। सन 1955 में सरकार ने इंस company की 4 हजार बीघा जमीन धर कब्जा किया था. उस बरस मालिकों ने यह बहाना निकालकर कि वे एक Play Wood Factory खोलने जा रहे है, जमीन को फिर ले लिया। फिर जब यह जमीन ली गयी तो सरकार को चकमा देने के लिये, धोखा देने के लिये यह कहा गया कि वे Sugar Mill खोलनेवाले है। लेकिन जरूरी Licence मिलनेपर भी अब तक वहाँ Sugar Mill खड़ी नही हुई और वे आज इसी जमीन को बेच रहे है। यह एक बहुत ही serious matter है। इस बारेमें मैंने हमारे राजस्व मंत्रि महोदय का दलान आर्वित किया था और उन्होंने D. C. को Telephone किया था कि enquiry करके जमीन का बेचना बन्द करो। वो क्या हुआ कि वे High Court गये। और इस बीच में बगान की सोरी जमीन बेच-बाच के खत्म देंगे। इस तरह local people को जमीन नही मिलेगी और वे लोग भूखों मरेगे। यह एक बहुत बड़ा सवाल है। इसलिये मैं यह कहता हुँ और सरकार से निवेदन करता हुँ और जनता की यह

भांग है कि बिद्यानगर चाय वगान की जमोन मूमिहीन श्रमिकों को मिल जानी चाहिये शायद अगली 14 तारीख को थह बगान विकनेबाला है। इसलिये मै निवेदन करता हुँ कि वगान को बेचन के पहले मूमिहीन लोगोंको यहाँ की जमीन दे दे।

इसके बाद, Sir, Tea Garden Sehools के बारेमें भो दो शव्द कहने चाहता हु। सरकारने काछाड़ और शिवसागर जिले मे चाय वगानों के Schools को ले लिया है। लेकिन खेदकी बात है कि सरकार के लेनेके बाद इन स्कुलोंकी हालत और भी वदतर यो गयी है। Tea Garden के School को सरकार ले लेनेसे मालिकोंने अपना interest छोड़ दिया है और सरकार की मोर से भी कोई ब्यवस्था नही हुई। Plantation Labour Act के अनुसार Tea Garden Labour की शिक्षा का भर; शिक्षा का दायित्व management पर हैं। हम चाहते हैं कि Tea Garden School को ब्यवस्था हो। जरुरत हो तो इस काम के लिये अलग Dy. Inspection, Sub-Inspector की नियुक्ति हो। आवश्यक हो तो इस काम के लिये management पर education class लगायें, क्यों कि Tea Garden Labour की शिक्षा की responsiblity management पर है।

माननीय बित्त मंनी महोदय के आपने भाशण में कह है कि High School, Higher Secondary School औग M.E. School की सहायता करने इस बार कोई ब्हबस्था नही हो सकी। लेकिन L. P. Schools के लिये कोई रुकावत नही है। और एक बात यह हैं कि जब L. P. chool के शिक्षक Training के लिये जाते हैं तव बहाँ एक दुसरा शिक्षक देनकी कोई ब्यवस्था नही हैं। अगर दो दो शिक्षकबाले School मे एक शिक्षक Basic Training के लिये जाति है तो उनके स्थानपर दुसरे

कोई शिक्षक नही होते है। जहा एक ही शिक्षक है और जब उन्हे Training के लिये भेजने है तब Neighbouring Area के कोई क्षिक भेजा जाता है। इस तरह शिक्षा नही होती हैं। Minority लोगो के School से जब Teacher Training के लिये जाते हैं तव अन्य शिक्षक वहाँ नही भेजा जाता। लड़के स्कुल आकर बेकार घुमते फिरते है। मेरा निवेदन है कि सरकार इस बात की ओर ध्यान दे और जब इस तरह Training के लिये शिक्षक को भेजते हैं तब उनके स्थानपर दुसरे शिक्षक की व्यवस्था करे।

अब Sir, सरकार चाहती हैं कि हमारे राज्य की production बढ़े। लेकिन जब चाय बगान की जमीन मे टुकड़ा टुकड़ा करें तो कोई production सम्भव नही है। सरकार बगान की जमीन की बिक्री बन्द करे।

इन्ही शब्दों के साथ में माननीय वित्त मंत्री महोदव को फिर मान्यवर देकर अपना वक्तव्य समाप्त करता हुँ।

**M. Shamsul Huda:** माननीय उपाध्यক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী মহোদয়ে যি দৰে বাজেট বক্তৃতা আমাৰ আগত ডাঙি ধৰিছে তাত দেখা যায় পৰিষ্কাৰ ভাৱে যে আমাৰ ৰাজ্যিক চৰকাৰৰ আৰ্থিক অৱস্থা একেবাৰেই ভাঙি গৈছে। বিত্তমন্ত্ৰী মহোদয়ৰ বাজেটত অহা বছৰৰ কাৰণে ৫০ কোটি ২৮ লক্ষ্য টকাৰ ঘাটি পৰিছে। এই অৱস্থা একে দিনাই হোৱা নাই। এটা কাৰণত হোৱা নাই, আমি দেখিছো যে যোৱা ২১ বছৰৰ ভিতৰত তেওঁলোকে চৰকাৰৰ আয়বৃদ্ধি কোনো ব্যৱস্থা কৰা নাই। আয়বৃদ্ধিৰ ক্ষেত্ৰত মালিকসকলক নানাধৰণৰ সা-সুবিধা দিছে আৰু ধনতান্ত্ৰীক শোষনৰ ব্যৱস্থা কৰি দিছে। আয়-বৃদ্ধিৰ মাজেদি যি খিনি পইচা চৰকাৰৰ হাতলৈ আনিছে তাত আমি দেখিছো অপচয় হৈছে। আত্মস্বাদ লোকচাম অত্যাবিশ্যকীয় খৰচ

অনাদায়ী টকা পৰি আছে পাবলগীয়া টকাৰ কৰ কাটল যোৱা বছৰৰ হিচাবমতে ৯৭.৩০ কোটি টকা এই চৰকাৰে অপচয় কৰিছে।

বিত্তমন্ত্ৰী মহোদয়ৰ Report মতে ২৫.৬৭ কোটি টকা এতিয়ালৈকে ধাৰ আৰু loan আদায় হোৱা নাই আৰু আদায়ৰ আশাও নাই। আজি তেখেতে ৫০ কোটি ২৮ লক্ষ্য টকা ঘাটি বুলি কৈছে কিন্তু সেইটো আত্মস্বাদ অপচয়ৰ মাজেদিয়েই ১০০ কোটি টকা কংগ্ৰেছ চৰকাৰে ঘাটি কৰিছে। আমাৰ চৰকাৰে জধে-মধে কৰ ৰেহাই দিছে চিনেমা বিলাকত Amusement Tax ৰ চলিত ব্যৱস্থা উঠাই দিছে আৰু আমি দেখিছো Srirabaem Bayj jritiubala ৰ নাম শুনিলেই বিত্তমন্ত্ৰী য়ে Tax মাফ দি দিয়ে।—মই জনাত আনহাতে গাওঁৰ চিনেমা হল বিলাকে থাউকতে শতকৰা ২৩ ভাগ আৰু টানউৰ চিনেমা হল বিলাকে শতকৰা ২৫ ভাগ Amusenment Tax থাউকতে দিয়াৰ ব্যৱস্থা কৰিছে। Amusement Tax ৰ ক্ষেত্ৰত এই যে ৰেহাই দিয়াৰ যি সিদ্ধান্ত চৰকাৰে লৈছে তাৰ পৰা চৰকাৰৰ আয়ৰ গধূৰ ক্ষতি হৈছে।

কেৱল সেয়ে নহয়; উচ্চপদস্থ চৰকাৰী বিষয়া আৰু মন্ত্ৰীসকলৰ ভ্ৰমনৰ বিষয়ে আলোচনা কৰা হৈছে। উচ্চপদস্থ বিষয়াসকলে হোৱাই নোহোৱাই, দৰ্কাৰে অদৰ্কাৰে ভ্ৰমন কৰে আৰু মন্ত্ৰীসকলেও সেই অভিযোগ অভিযুক্ত আছে। মই জনাত, আমাৰ বিত্তমন্ত্ৰীয়ে যোৱাবাৰ ৫০ বাৰ দিল্লীলৈ গৈছে আৰু প্ৰত্যেকবাৰে তেখেতে লক্ষ্ণৌলৈ গৈছে। তেখেতে দিল্লীলৈযাবৰ কাৰণে যায়নে লক্ষ্ণৌলৈ যাবলৈ যায় কব নোৱাৰো। আমাৰ কৃষিবিভাগৰ মন্ত্ৰী মহোদয়েও কৃষি বিদ্যালয় নামত বহুবাৰ কলিকতালৈ অহাযোৱা কৰি আছে। তেখেতে Principal হয়নে Prof হয় কব নোৱাৰো। তেখেতে আকৌ কলিকতাৰপৰা দিল্লীলৈ যায়। দিল্লীত কৃষি সম্বন্ধীয় কি আছে মই কব নোৱাৰো। তদুপৰি ৰাজ্যচৰকাৰে যিবিলাক শিল্প কাৰখানা কৰিছে তাৰ সকলোতে লোকচান দি আছে। Electricity Board, লো-কাৰখানা, হাৰ্ড বোৰ্ড ফেক্টৰী আদি স্থাপন কৰা হৈছে আৰু

ৰাজহুৱা ক্ষেত্ৰত যিবিলাক শিল্প কাৰখানা কৰিছে তাত জনসাধাৰণৰ কোটি কোটি টকা লোকচান হৈছে। ইয়াৰ বাহিৰেও কৰ ফাকি আছেই। কৰ ফাঁকি দিয়াৰ ঘাই কেন্দ্ৰ গুৱাহাটী। কৰ বিভাগৰ Deputy Commissioner ৰ ছিলঙত অফিচটো পাতি দি শ্বিলংত চৰকাৰ মনে মনে বহি আছে।

ৰাজহুৰ ক্ষেত্ৰত দেখিছো মাটিৰ খাজনা মৌজাদাৰ সকলে খেতিয়কৰৰ পৰা জোৰ জুলুম কৈ আদায় কৰে; কিন্তু মৌজাদাৰে চৰকাৰী তহবিলত টকা জমা নিদিয়ে। এই কথা চৰকাৰে জানে অথচ টকা আদায়ৰ কোনো ব্যৱস্থা কৰা নাই। বৰং মৌজাদাৰৰ অধিক কমিচন দিয়াৰহে ব্যৱস্থা কৰিছে।

Defencc ৰ নামত এই চৰকাৰে অজস্ৰ টকা খৰচ কৰিছে। আমি Defence ৰ ওপৰত হাত দিব নোৱাৰাৰ সুবিধা লৈ লাখ লাখ টকা খৰচ কৰিছে আকৌ পৰিবহন বিভাগে বহুতো বস্তু-বাহানি কঢ়িয়াব পৰাৰ কাম এই বিভাগৰ হাতত নিদি ব্যক্তিগত লোকৰ হাতত দিছে। বহুতো ৰাস্তা জাতীয়কৰণ কৰা নাই, বৰং বহুতো ৰাস্তা ৰাইজে ৰাষ্ট্ৰীয়কৰণ কৰিবলৈ হেচা দিয়া স্বত্বেও চৰকাৰৰ ফালৰ পৰা তাত বিধি-পথালিহে দি.ছ। তদুপৰি আমাৰ পৰিবহন বিভাগে যি উপাৰ্জন কৰাৰ ৰাস্তা আছে তাতো চৰকাৰে বাধাৰহে সৃষ্টি কৰিছে যেনে O.N.G.C, Seed Corporation, Oil India আদিৰ বস্তু-বাহানি কঢ়িয়াৰ দায়ীত্ব ৰাজ্যিক পৰিবহন বিভাগে লোৱা নাই। তাৰ পৰিবৰ্ত্তে ব্যক্তিগত কিছুমান লোকক এই দায়ীত্ব দিয়া হৈছে। এই লোক বিলাকৰ অধিক সংখ্যকেই ক্ষমতাশীল দলৰ লোকৰ আত্মীয় লোক। আনহাতে ৰাজ্যিক পৰিবহন বিভাগক ইয়াৰ পৰা বঞ্চিত কৰা হৈছে।

তাৰ পিচত আমি দেখিছো আমাৰ ইয়াৰপৰা যি খাৰুৱা তেল বিহাৰলৈ গৈছে সেই খাৰুৱা তেলৰ Sale Tax ৰাজ্যিক

চৰকাৰে নাপায়। বৰং বিহাৰ চৰকাৰেহে সেই Tax পায়। এই ক্ষেত্ৰত এই দুৰ্ব্বল চৰকাৰে কোনো সবল নীতি লব পৰা নাই। যদি আমাৰ খাৰুৱা তেলৰ Sale Tax কেন্দ্ৰীয় চৰকাৰে নিদিয়ে তেনেহলে আমাৰ খাৰুৱা তেল বাহিৰলৈ যাব দিয়াটো বন্ধ কৰা উচিত। আৰু যদি আমাৰ চৰকাৰে ইয়াকে নকৰে তেনেহলে ৰাইজেই ইয়াৰ বাধাৰ সৃষ্টি কৰিব।

মৰাপাটৰ Purchase Tax আমাৰ চৰকাৰে পশ্চিমবঙ্গ চৰকাৰৰ পৰা পোৱা নাই। সিদিনা পশ্চিমবঙ্গ চৰকাৰে মৰাপাট Tax আদায় কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক জনাইছিল। আৰু টকা আদায় নকৰিলে পশ্চিমবঙ্গৰপৰা মৰাপাট নাযায় বুলি তাৰ ৰাজ্য চৰকাৰে জনাই দিছে। তেনে সিদ্ধান্ত আমাৰ চৰকাৰে লব পৰা নাই। সেইদৰে আমাৰ চৰকাৰেও কৰ পাৰে যে Purchase Tax নাপালে আমি মৰাপাট অসমৰপৰা যাবলৈ নিদিও।

চাহপাতৰ ক্ষেত্ৰত দেখিছোঁ যে কেন্দ্ৰীয় চৰকাৰে আমি চাহৰপৰা পাবলগীয়া প্ৰাপ্যৰ বঞ্চিত কৰিছে। চাহৰ ওপৰত আমি পাব লগীয়া টকাৰ বিষয়ে কোনো বলিষ্ঠ নীতি আমাৰ চৰকাৰে লব পৰা নাই। আৰু এটা কথা হৈছে। আন্তৰ্জাতিক ক্ষেত্ৰত আমাৰ চাহৰ দাম কমি গৈছে আৰু তাৰ কাৰণে চাহৰ আয়কৰ কমাই দিয়া হৈছে। আগতে চাহপাতৰ পৰা 4 কোটি আয়কৰ পাইছিলে, এতিয়া ১½ কোটিলৈ নামি আহিছে। চাহশিল্পৰ ক্ষেত্ৰত জাতীয়কৰণ কৰাৰ ব্যৱস্থা এই চৰকাৰে কৰা নাই।

কৃষিজাত বস্তুৰ ওপৰটো শিল্পায়ন হব পাৰে; কিন্তু তাৰ কাৰণে এই চৰকাৰে আমাৰ কৃষি Machanise Cultivation ৰ ব্যৱস্থা কৰিব পৰা নাই। আৰু ফলত সকলো প্ৰকাৰৰ দাইল আন আন ৰাজ্যৰ পৰা আনি আমি খাব লগীয়া হৈছে। বৰঞ্চ আমি সকলো ঠাইলৈ বস্তু পঠিয়াই উপাৰ্জন কৰিব পাৰিলো

হেতেন আজি আমি যি শতকৰা ১০% ফৰেষ্টৰ মাটি ৰাখিব লাগিছিল তাৰ ঠাইত ৩৬% ৰাখি কৃষিৰ উপন্নবৃদ্ধিৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিছো। অসম প্ৰাকৃতিক সম্পদেৰে ভৰা কিন্তু এই প্ৰাকৃতিক সম্পদ কামত লগোৱাৰ ফলত ভূ গৰ্ভতে বস্তুবোৰ্ নষ্ট হৈ যাব পাৰে। আজি আমি Fisso, Cultex আদি Company ক বাহিৰৰ পৰা আনি ইয়াত তেল বিক্ৰী কৰিবলৈ দিছো। অথচ অসমত বজাৰ নাই বুলি আমাৰ ইয়াত প্ৰচুৰ থকা তেল ওলোৱা স্বত্বেও ইয়াত শোধনাগাৰ পাতিব পৰা নাই।

উপাধ্যক্ষ মহোদয়- মই আৰু দুটা মাত্ৰ Point কৈয়েই শেষ কৰিম। প্ৰথমতে আমাৰ যোজনাত, এই পিচপৰা ৰাজ্য-খনৰ ক্ষেত্ৰত আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰপৰা যিমান টকা আদায় কৰিব লাগিছিল তাত সম্পূৰ্ণ ভাৱেই ব্যৰ্থ হৈছে।

দ্বিতীয় Point টো হৈছে—অনুপ্ৰবেশকাৰী সমন্ধে এই সম্পৰ্কত এই সদনত বহুতো বাক বিতণ্ডা হৈছে। এই কথা চৰকাৰে অস্বীকাৰ কৰিব নোৱাৰে। অনুপ্ৰবেশকাৰী বহিষ্কাৰ কৰিবলৈ চৰকাৰে যি পন্থা অৱলম্বন কৰিছে, তাৰে মাত্ৰ এটা নিৰ্দিষ্ট সংখ্যা লঘু সম্প্ৰদায় অৰ্থাৎ মুছলমান সম্প্ৰদায়ৰ ওপৰতহে অত্যাচাৰ চলিছে। অনুপ্ৰবেশকাৰীৰ বহিষ্কাৰৰ নামত স্থানীয় মুছলমান সকলৰ নিৰাপত্তাৰ ভাৱ নাইকিয়া হৈছে। আৰু এই কথাটো চৰকাৰে কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰে।

ইয়াৰোপৰি চৰকাৰে কিছুমান P. I. P. post কৰি ঘৰে ঘৰে চেক কৰা কথাতো কি উদ্দেশ্য হব পাৰে ? এই P. I. P. চেক পষ্টৰ পৰা ৰাজ্যখনৰ সংহতি নষ্ট হৈছে। ফলত ৰাজ্যৰ সংহতি দুৰ্বল হৈ গৈছে।

আমাৰ চৰকাৰে পাকিস্থানী অনুপ্ৰবেশকাৰীৰ নামত যিমান জুলুম কৰিছে আৰু অন্য কিছুমান ভাৰতীয় নাগৰিককে বহিষ্কাৰ

কৰি দিছে। তাৰ পিচতো আমাৰ চৰকাৰ ক্ষান্ত হোৱা নাই। আনকি ৰাষ্টা ঘাটৰ পৰা ধৰি নিও জুলুম অত্যাচাৰ কৰা হৈছে। P. I, P, চেক পষ্টৰ দ্বাৰা প্ৰাতঘৰ ভাৰতীয় সংখ্যালঘু মানুহক অনুপ্ৰৱেশকাৰীৰ বুলি সন্দেহ কৰিছে।

(সময়ৰ সংকেট)

গতিকে মই চৰকাৰক অনুৰোধ জনাও, যাতে এই সমস্যাৰ অচিৰে সমাধান কৰা হয়।

(সময়ৰ সংকেট)

আৰু ২ মিনিট কম। আজি অনুপ্ৰবেশকাৰীৰ বহিস্কাৰৰ নামত সংখ্যালঘু সম্প্ৰদায়ৰ ওপৰত অত্যাচাৰ হৈছে—কিন্তু সীমা বন্ধ কৰাৰ কোনো ব্যৱস্থাই চৰকাৰৰ আজিলৈকে কৰা নাই। সীমান্তত থকা মানুহে টকা পইছা পাই মদ-ভাং খাই ইফালৰ মানুহ সিফালে, আৰু সিফালৰ মানুহ ইফালে পথিয়াই থাকে। আৰু এই অনুপ্ৰবেশকাৰীৰ নামত বাঘনৰা অঞ্চলেদি বহুতো হিন্দু বিহাৰী আদিও সোমাইছে। কিন্তু বহিস্কাৰৰ নামত কেৱল মুছলমান সকলৰ ওপৰতহে অত্যাচাৰ কৰা হয়। এই জুলুম অত্যাচাৰ অৱস্থাৰ অৱসান ঘটাবলৈ মই চৰকাৰক অনুৰোধ জনালো। ইয়াকে কৈ মই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

**Shri Kehoram Hazarika:** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিত্তমন্ত্ৰীৰ বাজেট বক্তৃতা শুনি আৰু বাজেট বক্তৃতা নিজে ভালকৈ চায়, মই এই সিদ্ধান্তত উপনীত হৈছো যে, আমাৰ চৰকাৰ আৰু বিত্তমন্ত্ৰী চাহবাগানৰ মালিক বিলাকৰ লগত কিবা অবৈধ সমন্ধত আবদ্ধ হৈছে। বিত্তমন্ত্ৰীয়ে যি বাজেট বক্তৃতা দিছে, এই বাজেট বক্তৃতাৰ

ভিতৰেদি আমি এটা ইংগিত দেখিবলৈ পাইছো যে, চাহবাগানৰ মালিক, ধনী কৃষক, আৰু মহাজন বিলাকক conession দিয়াৰ ইয়াত এটা প্ৰত্যক্ষ উদগনি দিয়া হৈছে। চাহ বাগান বিলাক আমি জনাত বেচিভাগ বিলাতী মালিক বিলাকে চলাইছে।

এই চাহ বাগান বিলাকত তেওঁলোকে যিমান টকা নিয়োগ কৰিছিল তাৰ বহু গুণ বেচি টকা নিজ দেশলৈ লৈ গুছি গৈছে। আৰু এতিয়া চাহবাগান বিলাকত লোকচান হৈছে, ইত্যাদি হৈ চৈ লগায়। আমাৰ দেশত যি বিলাক মজদুৰ কৰ্ম্মচাৰী, সাধাৰণ মানুহ সেই বিলাকক নিৰ্ম্মম ভাৱে শোষণ কৰাৰ এটা চক্ৰান্ত চলিছে আৰু আমাৰ বিত্তমন্ত্ৰীয়ে তেওঁলোকৰ এই চক্ৰান্তত অংশ গ্ৰহণ কৰিছে। আমি দেখিবলৈ পাইছো যে, চাহ বাগানৰ মালিক বিলাকে তেওঁলোকৰ মুনাফা ঠিক ৰাখিবৰ কাৰণে শ্ৰমিকক চাতাই কৰিছে, কৰ্ম্মচাৰী চাতাই কৰিছে আৰু কামৰ বোজা বেচিকৈ বঢ়াই দিছে। চাহ-বাগানৰ পতিত মাটিত যি বিলাক কৃষক আৰু Ex-Tea-garden Labour আছে সেই বিলাকক উচ্ছেদ কৰি তেওঁলোকৰ মুনাফা মাত্ৰা আগৰ সমান ৰাখিবৰ কাৰণে বৃদ্ধি কৰিছে।

এই ক্ষেত্ৰত মই এটা উদাহৰণ দিব খুজিছো যে, কেইবাজনো কংগ্ৰেছ পক্ষৰ সদস্যই কৈছে যে, চাহবাগানৰ শ্ৰমিকৰ ওপৰত কোনো অত্যাচাৰ হোৱা নাই আৰু কাকো বৰখাস্ত কৰা নাই। ৰঙামাটী নামৰ এখন বিলাতী মালিকৰ বাগান আছে। সেই বাগানত শ্ৰমিক আৰু কৰ্ম্মচাৰীসকলক বৰখাস্ত কৰিছে। ৫।৬ বছৰৰ আগতে তাত শ্ৰমিকৰ সংখ্যা আছিল ১৩১৪ জন, বৰ্ত্তমান তাৰ সংখ্যা ৯০৭ জন আৰু ৫।৬ বছৰ আগতে কৰ্ম্মচাৰীৰ সংখ্যা আছিল ৪৩ জন আৰু বৰ্ত্তমানত আছে ৩৫ জন। বাগানৰ আইন মতে ৩ মাহত এজন শ্ৰমিকক ৫০ ঘণ্টাতকৈ বেচি সময় over time খটুৱাব নোৱাৰে। কিন্তু, বৰ্ত্তমান ১ মাহতে একোজনক ৫০ ঘণ্টাকৈ over time খটুৱায়। এই ধৰণে শ্ৰমিক আৰু কৰ্ম্মচাৰীৰ ওপৰত বেচি বোজা জাপি দি,

শ্ৰমিকৰ ওপৰত অত্যাচাৰ কৰি তেওঁলোকৰ লাভৰ মাত্ৰা একে ৰখাৰ কাৰণে চেষ্টা কৰিছে। কিন্তু, আমাৰ বিত্তমন্ত্ৰীৰ চকুত এই বিলাক কথা পৰা নাই লাখ লাখ শ্ৰমিকক কামৰ পৰা চাতাই কৰা হৈছে ফলত সেই বিলাক পথৰ ভিক্ষাৰী হৈছে, লবা-ছোৱালীৰ খোৱা লোৱাৰ সুবিধা নাই। কাপোৰ দিয়াৰ সুবিধা পোৱা নাই এই কথা বিলাক বিত্ত-মন্ত্ৰীৰ চকুত পৰা নাই। মাত্ৰ বিত্তমন্ত্ৰীয়ে এইটো উপলব্ধি কৰিছে যে, চাহ বাগানৰ মালিকসকলৰ লোকচান হৈছে আৰু provident fund আদি দিয়াৰ দায়িত্বত ব্যাঘ্যত ঘটাবলৈহে বাজেটত ইংগিত দিয়া হৈছে।

তাৰ পিচত, চাহবাগানৰ মাটি সম্পৰ্কে কওঁতে শ্ৰীসনাতন ডাঙৰীয়াই শ্ৰমিকক উচ্ছেদ কৰা নাই বুলি কৈছে। চৰকাৰে ১:২ ফৰ-মূলা বাহিৰ কৰাৰ লগে লগে, চাহবাগানৰ মালিক সকলে বহুদিন খেতি কৰি থকা কৃষকক উচ্ছেদ কৰি তাত Tractor আদি হাজিৰ কৰিছে। তেওঁলোকে অধিক শস্য উৎপাদনৰ নামত, শ্ৰমিকৰ খোৰাকি যোগোৱাৰ নামত ধনতন্ত্ৰ পদ্ধতিৰে যি খেতি কৰা আৰম্ভ কৰিছে তাৰে চৰকাৰৰ কোনো লক্ষ্যই নাই।

আমি জানিবলৈ পাইছো লক্ষীমপুৰৰ তৰাজান বাগানৰ কিছু মাটি আগৰ Revenue Minister এ Recquisition কৰিছিল। আৰু মালিকে High court ত আপিল কৰিছিল। High court এ Revenue Minister লৈ পঠায় দিলে। Revenue Minister এ আপীল নাকচ কৰিলে। কিন্তু বৰ্ত্তমান জানিবলৈ পাইছো যে, বৰ্ত্তমানৰ Revenue Minister এ সেই মাটি খিনি De-Requisition কৰি দিছে: সেইটো কেনেকৈ হবলৈ পালে ?

Shri Mohendra Mohan Choudhury : মই এটা ব্যক্তিগত কৈফিয়ত দিব খুজিছো। আগৰ ৰাজহ মন্ত্ৰীয়ে তৰাজান চাহ বাগিছাৰ মাটি requisition কৰিবলৈ order দিছিল। তাৰ পিচত Highcourt লৈ দিয়া হ'ল। Highcourt এ কলে Revenue

minister এ যি কেইটা point দিছিল সেইকেইটা বিচাৰ নকৰাকৈ ৰায় দিব নোৱাৰি। সেই কাৰণ গোটেই কেইটা কথা বিচাৰ কৰাত আগৰ requisition order বদলাই দিলে। কথাটো হৈছে, মন্ত্ৰীসকলৰ এটা quasi Judicial power থাকে। তাত Error of judgement হলেও একো কৰিব নোৱাৰে। ইয়াৰ দ্বাৰা আগৰ minister ৰ কথা নাকচ কৰা হোৱা নাই।

**Shri Keho Ram Hazarika :** তাৰ পিচত ভূমি সংস্কাৰৰ ক্ষেত্ৰত বহুবাৰ কৈছে যে প্ৰকৃত ভূমিহীন খেতিয়কক মাটি দিয়া হব। কিন্তু দেখা গৈছে কৃষকক মাটি দিয়া হোৱা নাই। এই কথা বিত্তমন্ত্ৰীৰ ভাষণটো নাই ৰাজ্যপালৰ ভাষণটো নাই। চৰকাৰী হিচাব মতে আমাৰ দেশৰ ৮ই লাখ ভূমিহীন কৃষক পৰিয়াল আছে।

**Shri Mohendra Mohan Choudhury :** ভূমিহীন নহয়। ১০ বিঘাতকৈ কম মাটী থকা ৮ লাখ মানুহ আছে। অৰ্থাৎ ৩ বিঘাতকৈ বেছি বা পাঁচ বিঘাতকৈ বেছি মাটি থকা অথচ ১০ বিঘাতকৈ কম।

**Shri Keho Ram Hazarka :** বিত্তমন্ত্ৰীৰ বক্তৃতাত স্বীকাৰ কৰিছে যে অসমৰ ৰাজহৰ শতকৰা ৫০ ভাগ কৃষিৰ পৰা আহে। অহা পাঁচ বছৰৰ ভিতৰত ২৭০০ পৰিয়ালক মাটি দিবৰ কাৰণে যি আঁচনি লৈছে আৰু ধাক-ধোল কোবাই আত্মসন্তুষ্টি লাভ কৰিছে। মই ভাৱো যে জনসাধাৰণৰ সন্মুখত ইয়াৰ দ্বাৰা জল্ জল্ পট্ পট্ কৈ চৰকাৰৰ অকৰ্ম্মন্যতা প্ৰকাশ পাইছে। আমাৰ দেশত লক্ষা লক্ষ্য মাটিহীন খেতিয়ক আছে। আৰু সেই বিলাকক যদি পৰিকল্পিত-ভাৱে মাটি বিতৰণ নকৰে তেনেহলে আমাৰ বিশেষ উন্নতি হৈছে বুলি কব নোৱাৰি। আৰু আমি প্ৰতি বছৰে অন্য দেশৰ ওচৰত হাত পাতিবলৈ বাধ্য হ'ম। সেইকাৰণে কৃষি সংস্কাৰৰ যি আঁচনি

কৰিছে সেইটো সলনি কৰি নতুন আঁচনি কৰিব লাগে। সাৰৰ কথা কৈছে যে এইবাৰ ২৪ হাজাৰ টন ব্যৱহাৰ হৈছে আৰু অহা বছৰ ৪০ হাজাৰ টন হব। এইবিলাক ক'ত ব্যৱহাৰ কৰিছে? জিলা কৃষি বিষয়াই এখন ট্ৰাকত সাৰ ভৰাই নি গাওঁ সভা অফিচত পেলাই দিলেই তেখেতৰ দায়ীত্ব শেষ হয়। মই জনাত সেই বিলাক চোৰাং ভাৱে চাহ বাগিছাত বিক্ৰী কৰে। আৰু কৃষকসকলে ব্যৱহাৰ কৰিবলৈ নাপায়। কৃষি ঋনৰ ক্ষেত্ৰত যোৱা বছৰ এই সদনত দাখিল কৰা অডিট ৰিপটৰ পৰা কৃষি ঋানৰ মই এটা নমুনা দিওঁ—১৯৬৫ চনৰ মাৰ্চ মাহত সমবায় বিভাগৰ ৰেজিষ্টাৰে ১১'২৬ লাখ টকা draw কৰিছিল। ১৯৬৬ চনৰ মে'ই আৰু জুন মাহত ১০'৪৫ লাখ টকা বিভিন্ন চচাইটি লৈ পঠায়, ১৯৬৭ চনৰ ফেব্ৰুৱাৰী মাহত অডিট কৰোতে দেখিবলৈ পোৱা হল যে প্ৰকৃত জনসাধাৰণে ০'১৭ লাখ টকাহে পাইছে। আৰু ইয়াৰ utilisation certificate পোৱা গৈছে। বাকী ১'৮১ লাক্ষ পঠোৱা বা ব্যৱহাৰ কৰাৰ কোনো Particulars অডিট কৰা সময়লৈকে পোৱা নাই। ইয়াৰপৰা দেখিবলৈ পোৱা যায় যদিও কৃষিঋনৰ নামত লাখ লাখ টকা দিছে সেই টকা খেতিয়কে পোৱা নাই। সেইবিলাকৰ সুবিধা পাইছে কিছুমান ধনী খেতিয়ক আৰু ধনী মহাজনে দুখীয়া খেতিয়ক সকলক সেই সা-সুবিধা বোৰৰ পৰা বঞ্চিত কৰা হৈছে।

জলসিঞ্চনৰ কথা কওঁ যে চৰকাৰে কয় বহুত মাটিত জল-সিঞ্চন সুবিধা কৰা হৈছে। মোৰ সমষ্টিত চাপানলা নামে এটা "কেনেল" আছে। বাৰিষা ঢলত যেতিয়া পানী বাঢ়ি আহে তেতিয়াহে দ ঠাই বিলাকত এই কেনেলে দি পানী সোমায় আৰু বাম ঠাইত তেতিয়াও পানী নহয়। আজিও কৃষিমন্ত্ৰী বা Irrigation মন্ত্ৰী গলে দেখিব যে পথাৰখন শুকান হৈ পৰি আছে তাত হাল বাব নোৱাৰে। এনেকুৱা জলসিঞ্চনৰ পৰা খেতিয়কৰ একো লাভ নহয়।

শিক্ষা সম্পৰ্কে কওঁ যে শিক্ষা সংকোচনৰ নীতি ধাৰণ কৰা হৈছে

চৰকাৰৰ মতে আমাৰ দেশত কাঠফুলাৰ দৰে শিক্ষা অনুষ্ঠান বিলাক হব ধৰিছে। তথাপিও ভাৰতবৰ্ষৰ ভিতৰত যি কোনো প্ৰদেশতকৈ আমাৰ ইয়াত শিক্ষিতৰ হাব কম। এনে অৱস্থাত আজি শিক্ষা বৃদ্ধিৰ পৰিবৰ্ত্তে সঙ্কোচনহে কৰিবলৈ লৈছে। বৃটিছৰ দিনত শিক্ষাৰ অলপ সুবিধা আছিল, ৰাইজে স্কুল পাতে আৰু চৰকাৰে অনুদান দিয়ে। আজিও শিক্ষা ব্যৱস্থা তেনেদৰেই চলি আছে। কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত বিশেষ একো কৰা নাই। শিক্ষকসকলৰ ক্ষেত্ৰতো বৈষম্যতা ব্যৱহাৰ কৰা হৈছে। আপোনালোকে জানে যে L.P. স্কুলৰ শিক্ষকসকলে মৰগীয়া বানচ পোৱা নাই। আৰু ex-gratia grant পোৱা নাই। দাস কমিচনৰ যি টকা পাব লাগে তাকো পোৱা নাই। লগতে চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীসকলকো বৈষম্য মূলক ব্যৱহাৰ কৰা হৈছে। এইটো কিয় হৈছে? চৰকাৰে এইধৰণৰ discrimination কিয় কৰিছে? তাৰ বাহিৰেও ১০/১২ বছৰ এম-ভি স্কুলত কাম কৰা শিক্ষকসকলৰ চাকৰিও confirm হোৱা নাই। ফলত Provident fund ৰ পৰা বঞ্চিত হৈছে। এই শিক্ষক সকলৰ পেঞ্চনৰ ব্যৱস্থাও নাই। যদি Provident fund ৰ পৰাও বঞ্চিত হয় তেনেহলে তেওঁলোকৰ ভৱিষ্যত অন্ধকাৰ। M. V. School ত কাম কৰা ইংৰাজী শিক্ষক সকলৰো এই একেই অৱস্থা। চৰকাৰে শিক্ষা বিভাগটো re-organise কৰাৰ ব্যৱস্থা কৰিব লাগে। তাৰোপৰি আমাৰ দেশত বিভিন্নধৰণৰ experiment আঁচনি গ্ৰহণ কৰিছে। মেট্ৰিকৰ ঠাইত Higher Secondary কৰিছে, আৰু কিছুমানত এতিয়াও মেট্ৰিকেই চলি আছে। M.V. School ত ইংৰাজী শিকাইছে, M.E, বা M. V. পাচ কৰিও class VII ত নাম লগাই। M. E. স্কুলত হিন্দী শিকোৱাৰ ব্যৱস্থা আছে কিন্তু দুই এখনৰ বাহিৰে M. V. স্কুল সমূহত হিন্দী শিকোৱাৰ ব্যৱস্থা নাই। এই বিলাক বেমেজালি হোৱাৰ কাৰণে M. V. পাচ কৰি অহা ছাত্ৰসকল বিপদত পৰিবলগীয়া হয়। M. V. স্কুল বিলাকত হিন্দী শিকোৱাৰ ব্যৱস্থা কৰিব লাগে।

আজি ১০/১২ বছৰে কাম কৰি থকা M. V. স্কুলবিলাকৰ ইংৰাজী শিক্ষকসকলৰ confirmation হোৱা নাই। সেই কাৰণে তেওঁলোকো Provident fund ৰ পৰা বঞ্চিত হৈছে। এইবিলাকৰ পৰা শিক্ষকসকল বহুপৰিমাণে বিক্ষুব্ধ হৈছে। এই বিলাক বেমেজালি অনতি পলমে দূৰ কৰিব লাগে।

(সময়ৰ সংকেত)

তাৰ পিচত মই পঞ্চায়তৰ সম্পৰ্কে দুআষাৰমান কথা কওঁ। বৰ্ত্তমান পঞ্চায়ত বিলাক টকা পইচা নোহোৱা "ঢাল নাই তৰোৱাল নাই নিধিৰাম চৰ্দ্দাৰ হৈ পৰিছে। কিন্তু বিত্তমন্ত্ৰী ডাঙৰীয়াৰ বাজেটত পঞ্চায়ত সম্পৰ্কে বহু কথা ধৰিচে যদিও ৰাইজৰ কোনো কামত নাহে। যিখিনি পইচা তাত দিয়ে সেইখিনি পঞ্চায়তৰ President আৰু Secretary ভাট্টা দিওঁতেই শেষ হয়, ৰাইজে তাৰ সামান্য অংশও নাপায়। গাওঁলীয়া ৰাস্তা এটা বন্ধা কামতো পঞ্চায়তে টকা যোগাব নোৱাৰে। Rural Development আঁচনি এইধৰণে ব্যৰ্থ হৈছে

(সময়ৰ সংকেত)

(মাননীয় সদস্যই নিজ ঠাই লয়)

Shri Govinda Chandra Bora : মাননীয় উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী ডাঙৰীয়াই বাজেট বক্তৃতাৰ যোগেদি এখন ৫০ কোটি টকাৰ ঘাটি বাজেট দাঙি ধৰিছে। অৱশ্যে এখন Welfare State ত ঘাটি বাজেট হোৱাটো অস্বাভাৱিক নহয় কিন্তু আমাৰ বাজেটৰ ঘাটিৰ পৰিমাণ প্ৰত্যেক বছৰে বেছিহে হৈ গৈছে। ইয়াৰ শেষ কত হব কোনেও কব নোৱাৰে। বৰ্ত্তমান আয় ব্যয়ৰ হিচাবৰ যি বিলাক আচনি কৰিছে তাৰ ভিতৰত Rural development Programe ত চাৰি কোটি সাতাইশ লাখ টকা ধৰিছে, তাত আৰু বেছি টকা ধৰা দৰকাৰ আছিল।

কিয়নো যিথন দেশৰ শতকৰা ৮০ জনেই খেতিয়ক আৰু তেওঁলোক গ্ৰাম্যঅঞ্চলতে বসবাস কৰে গতিকে তেওঁলোকৰ যদি অৱস্থাৰ উন্নতি কৰিব নোৱাৰে তেতিয়াহ'লে সচাঁকৈ কল্যাণ-কামী দেশৰ চৰকাৰৰ দায়িত্ব পালন কৰাত বাধা হব। এতিয়া কথা হল যে, এই বাজেটত যিখিনি টকা ধৰিলে সেই টকা খিনি খৰচ কিদৰে কৰিব। কল-কাৰখানা আদি কিনিবলৈও টকা ধৰিছে। এইটো কথা ঠিক যে উৎপাদন বৃদ্ধি কৰাৰ কাৰণে আজি ট্ৰেক্টৰ কিনাৰ আৱশ্যাক হব! সেই হিচাবে আজিলৈকে যিবিলাক ট্ৰেক্টৰ কিনা হৈছে সেই বিলাকৰ ভিৰৰত বহুত অচল হৈছে। আৰু ফলত লোকসকলৰ B. D. O সকলৰ লগত আৱশ্যক অনুসৰি ট্ৰেক্টৰ যোগান ধৰিব নোৱাৰাত অসন্তুষ্টিৰ কাৰণ হৈ পৰিছে। কৃষি বিভাগে যি বিলাক ট্ৰেক্টৰ কিনিছে সেই বিলাক ট্ৰেক্টৰো দোষমুক্ত নহয়। এই ট্ৰেক্টৰ বিলাক বিশেষকৈ International বিধৰ ট্ৰেক্টৰ আমাৰ চৰকাৰে কিনিছে! কিন্তু এই ট্ৰেক্টৰ বিলাক অচল হোৱাত সেইবিলাক কিনাৰপৰা কিনোতাসকলৰ লোকচানহে হয়। এনেকি এদিন মোৰ আগতে আমাৰ কৃষি মন্ত্ৰীক খেতিয়ক এজনে কৈছিল মে আমাক এই ট্ৰেক্টৰ বিলাক কিনিবলৈ দি আপোনালোকে লোকচান সাধন কৰিছে কিয়? মানুহ বিলাকে এই ট্ৰেক্টৰ বিলাক কিনোতে অনেক টকা খটুৱাই অথচ খেতিও কৰিব নোৱাৰে— এইটো এটা বৰ দুখৰ কথা। সেই কাৰণে ইয়াৰ এটা ভাল ব্যৱস্থা কৰিব লাগে। নহলে এই ট্ৰেক্টৰ কিনা মানুহ বিলাকৰ ২০/২৫ হাজাৰ টকা এনেয়ে ট্ৰেক্টৰ কিনোতে সোমাই থাকিব যাৰ কোনো ফলেই তেওঁলোকে নাপাব।

পাৱাৰ পাম্পৰ সহায়েৰে পানী যোগান ধৰি যদি খেতি কৰিব পৰা যায় তেন্তে সেইটো বৰ ভাল কথা। যন্ত্ৰৰ সহায়েৰে পানীৰ যোগান ধৰিলে বৰষুণ নহলেও খেতিৰ ফল ভাল হয়।

Shri Atul Chandra Goswami: আপোনালোকে ভেকুলী বিয়া নাপাতে নেকি ?

Shri Govinda Chandra Bora ঃ আমি মানুহৰ বিয়াহে পাতো। মই নিজে এজন খেতিয়ক। মই এটা চৰকাৰী পাৱাৰ পাম্পৰ কথা কওঁ। মোৰ চোতালতে ২ দিন ৰাতি Repair কৰাৰ পিচতো সেই পাৱাৰ পাম্পটো ভাল নহল। গতিকে তেনেকুৱাই যদি পাম্প হয় অথাৎ চাৰি কোটি তেত্রিশ লাখ টকাৰ আধা টকাই যদি নষ্ট হয় তেন্তে আমাৰ আচনি বিলাক কাৰ্য্যকৰী কেনেকৈ হব সেইটো ভাবিবলগীয়া কথা। সেই কাৰণে মই কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে এনে বিলাক বিষয়ে বিশেষ ব্যৱস্থা গ্ৰহণ কৰে।

তাৰ পিচত আমাৰ Electricity ৰ কথা দু আষাৰ মান কওঁ। এই Electricity ৰ কাৰণে ৭ কোটি টকা ধৰিছে। অৱশ্যে এইটো কথা সচাঁ যে Electricity ত বহুত বেছি টকা খৰছ কৰিলেও বহুত পিচতহে তাৰ ফলটো পোৱা যায়। তথাপিও দেখা যায় যে Electricity Board ত বহুতো টকা অযথা খৰছ হৈছে। বৰ্ত্তমান এনেকুৱাই হৈছে যে এই Board ধাৰত পোত খাই আছে। এইটো এটা সচাঁকৈ ভাবিবলগীয়া কথা।

(সময়ৰ সংকেত)

মোৰ বোধেৰে উদ্যোগৰ উপযোগী অঞ্চল বিলাকত বিদুৎ-শক্তি যাতে ভালদৰে দিব পৰা হয় সেই কাৰণে ভাল বিবেচনা কৰিব লাগে। মোৰ সমষ্টিতে কেইটামান Rice mill আছে তাত বিদুৎ শক্তি যোগান ধৰিব পৰা নাই। মই বিভাগীয় মুৰব্বী সকলৰ বহুতৰ লগতে কথা পাতিলো তেওঁলোকৰ মতে তাত Electricity যোগান ধৰিব লগা হলে ১ মাইলত প্ৰায়

১৮ হাজাৰ টকা খৰচ হয় আৰু ব্যক্তিগত ভাৱে ৫০ হাজাৰ টকা খৰচ কৰি নিবলৈ সক্ষম নহয়। কেৱল নগৰ বিলাকত বিজুলী শক্তি যোগান ধৰিলেই নহয় তাৰ লগে লগে গাওঁ অঞ্চলতো বিজুলীশক্তি যোগান ধৰিব লাগে। নহলে বিজুলীৰ পৰা বেচি লাভ আশা কৰা নাযায়। Electricity ত ২ কোটি ৪৮ লাখ টকা ধৰিছে। বৈজ্ঞানিক প্ৰণালীয়ে খেতি কৰিব নোৱাৰিলে খেতিৰ উন্নতি আশা কৰিব নোৱাৰি। জনসাধাৰণক খেতিৰ সুযোগ দিয়াটোৱেই হৈছে চৰকাৰৰ প্ৰধান কৰ্ত্তব্য।

আমাৰ স্কুল কলেজৰ ক্ষেত্ৰত আমাৰ উত্তৰ লক্ষীমপুৰ মহকুমাটো আটাইতকৈ পিচপৰা। শিক্ষা-দীক্ষা আৰু অন্যান্য ফালৰ পৰাও আমাৰ এই মহকুমাটো পিচপৰি আছে। মই নিজেই দেখিছো তাৰ Govt Higher Secondary স্কুলৰ ল'ৰা বিলাকে Strike কৰিছে তেওঁলোকক পঢ়ুৱাবলৈ শিক্ষক নাই বহিবলৈ বেঞ্চ নাই, ব্লেকবোৰ্ড নাই। স্কুল ঘৰৰ এটা Compound নাই। স্কুলৰ ল'ৰা বিলাকে Cycle থবলৈ ঠাই নাই। সেই কাৰণে তেওঁলোকে Strike কৰিছে।

(সময়ৰ সংকেট)

এইবিলাক আহিলা পাতিৰ ব্যৱস্থা যাতে অতি সোনকালে হয় আৰু ল'ৰা-ছোৱালীয়ে পঢ়া শুনাত আগবাঢ়ি যাব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে।

তাৰ পিচত আমাৰ উত্তৰলক্ষীমপুৰত ৪টা থানা, উত্তৰ লক্ষীমপুৰ, বিহপুৰীয়া, ঢকুৱাখানা আৰু লালুক। তাৰো ঢকুৱাখানা থানাখনক ডিব্ৰুগড়ৰ লগত লগ লগোৱাৰ চেষ্টা কৰিছে যি কথাটোৰ বিৰোধিতা কৰি ৰাইজে সভা সমিতি পাতি Resolution লৈছে। সেই Resolution টো হ'ল এই

"Read and discussed the Govt. notification under Memo No. AAP/193/63/part dated 20th Feb/69 and this emergent meeting of the North Lakhimpur Bar Association views with grave concern the widespread resentment and dissatisfaction amongst all sections of public of North Lakhimpur over the sudden transfer of Dhakuakhana Police Station area of this subdivision which has been an integral part of this Subdivision since its inception to Dibrugarh Subdivision and that without ascertaining even the public opinion in such a vitally important matter and strongly urges upon the authorities concerned to rescind forthwith the Govt. orders, transferring the said area comprising the four mousas of Dhokuakhana, Gohain, Machkhowa and Bordoloni to Dibrugarh Subdivision in view of the great hardship and unconvenience the people of the area concerned will have to suffer as a consequence of this sudden transfer.

And in view of this sudden transfer the public in general and the litigent public in particular will have to suffer much hardship and inconvenience in attending to their cases Civil Criminal and Revenue if they are suddenly transferred to Dibrugarh because of the existing and uncertain means of communication from Dhakuakhana Police Station area to Dibrugarh town".

( Bell ring )

মোক আৰু অলপ সময় দিব লাগিব। আমাৰ উত্তৰ লক্ষীমপুৰ চাবডিভিচনটোৰ পৰিস্থিতি এনেকুৱা যে rest of Assam ৰ লগত মাঝে মাঝে সংযোগ বিহিন হৈ যায়। গতিকে মই দাবী কৰিছো যে উত্তৰলক্ষীমপুৰ চাবডিভিচনখন জিলা পৰ্য্যায়লৈ নিব লাগে। উত্তৰলক্ষীমপুৰ ধেমাজী আৰু মাজুলি থানাৰ area হব প্ৰায় ২০০০ বৰ্গমাইল আৰু তাত জনসংখ্যা প্ৰায় ৫ লাখ। এই অঞ্চলটো লৈ এখন জিলা কৰিব লাগে বুলি ৰাইজে তাত গবৰ্ণৰ যাওক, মুখ্যমন্ত্ৰী যাওক, স্মাৰক পত্ৰ দি আজি বহুত বছৰ ধৰি দাবী কৰি আহিছে। কিন্তু আজিলৈকে সেই দাবী পূৰণ নোহোৱাত ৰাইজৰ মাজত অসন্তুষ্টিয়ে প্ৰকাশ পাইছে। এইটো কথা আমাৰ মুখ্য মন্ত্ৰী, ৰাজহমন্ত্ৰী আৰু বিত্তমন্ত্ৰীয়ে চিন্তা কৰি চাবলৈ মই তেখেতসকলক অনুৰোধ জনালো। তেখেতসকলে তাত জিলাৰ কাৰণে দাবীৰ কথা ইমানখিনি জানি শুনি একো কৰা নাই এইটো দুখৰ কথা।

(সময় সঙ্কেত)

তাৰ পিছত উত্তৰ লক্ষীমপুৰ আৰু rest of Assam ৰ লগত সংযোগ কৰাৰ এটা মাত্ৰ ৰাস্তা উত্তৰ লক্ষীমপুৰ—কমলাবাৰী P.W.D ৰাস্তা যিটোৰ দ্বাৰা উত্তৰলক্ষিমপুৰক যোৰহাটৰ লগত সংযোগ ৰক্ষা হৈছে। এই ৰাস্তাটো মাত্ৰ ২৩ মাইল। এই ৰাস্তাটোৰ একেবাৰে উন্নতি হোৱা নাই। আৰু তাত খাবলি আৰু শুৱনশিৰিত দলঙ কৰি দিয়া হোৱা নাই। মই আশা কৰো চৰকাৰে এই বিষয়টো চিন্তা কৰিব। উত্তৰ লক্ষিমপুৰ মহকুমাৰ চাৰিওজন বিধান সভাৰ সদস্যই এই ৰাস্তাটো Boarder Road scheme ত লৈ অতি সোনকালে উন্নতি কৰিবৰ কাৰণে M.L.A Sub Commttee ৰ সভাত প্ৰস্তাব লৈ চৰকাৰক জনোৱা হৈছে!

**Shri Golok Chandra Patgiri :** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই যিখন বাজেট উত্থাপন কৰিছে তাৰ ওপৰত হোৱা

বিতৰ্কত অংশ গ্ৰহণ কৰি মন্নো কেইটামান পৰামৰ্শ আগবঢ়াব খুজিছো। আমাৰ মাননীয় বিত্তমন্ত্ৰী মহোদয়ে যিখন বাজেট উত্থাপন কৰিলে সেই খন চৰকাৰৰ কাৰণেও উৎসাহজনক নহয় আৰু আমাৰ ৰাইজৰ কাৰণেও উৎসাহজনক নহয়। আমাৰ মাননীয় সদস্যসকলে এই বাজেট সম্পৰ্কত যিবিলাক পৰামৰ্শ দিলে তাৰ অবতাৰনা কৰি আমাৰ যি ভাবে টকাৰ অপচয় আৰু অপব্যয় হৈছে আৰু যি বিলাক বেয়া ৰাষ্টাৰে এই টকা বিলাক ওলাই গৈছে, সেই ৰাষ্টা বিলাক বন্ধ কৰিবলৈ যদি সৰ্তকতা অবলম্বন নকৰে তেনেহলে বছৰি বছৰি এইবিলাক আৰু বাঢ়িহে যাব।

আৰু এটা কথা মই কব খুজিছো। এইটো হৈছে ৰাজহ সম্পৰ্কে। এই ৰাজহৰ পৰা আজি বহুতকে ৰেহাই দিয়া হৈছে। বিশেষকৈ গোৱালপাৰা জিলাৰ বহুতো মাটিৰ পট্টন দিয়া হোৱা নাই। এই বিলাকৰ পৰা আমাৰ চৰকাৰে ৰাজহ আদায় কৰিব পৰা নাই। মই পৰামৰ্শ আগবঢ়াব খোজো যে এই পতিত মাটি বিলাক আৰু পট্টন নোহোৱাকৈ খাই থকা মাটি বিলাক পট্টন দিয়াৰ ব্যৱস্থা কৰিব লাগে। তেতিয়াহে আমাৰ অধিক পৰিমানে ৰাজহ সংগ্ৰহ হব। আজি কিছুমান দিনৰ আগতে বিজনী সমষ্টিৰ Tribal Belt Area ত ১১ হাজাৰ বিঘাকৈ মাটি Refugee সকলক দিয়া হৈছে। তেওঁবিলাকক চৰকাৰে খেতিৰ কাৰণে ৭ বিঘাকৈ আৰু বস্তিৰ ২ বিঘাকৈ মাটি দিয়া হৈছে। কিন্তু দুভাগ্য বসতঃ দহবছৰ পাৰহৈ যোৱাৰ পিচতো কোনো সিধান্ত এই বিষয়ত হোৱা নাই। এই ১১ হাজাৰ বিঘা মাটিৰ তৌজি বাহিৰ খাজানা হয়তো উঠোৱা হয়। এনে ভাবে কিছুমান কথাত আমাৰ চৰকাৰ ঠিক ভাবে কাম বিলাক কাৰ্য্যকৰী নহাৰ কাৰণে খাজনা আদায় কৰিব পৰা নাই, আৰু তাৰ দ্বাৰা টকাৰ অভাৱ হৈছে এইবিলাক কথাত যাতে আমাৰ চৰকাৰে মনোযোগ দিয়ে।

আজি আমাৰ চৰকাৰে মনত ৰাখিব লাগিব আমি খেতিৰ উন্নতি কৰিব পাৰিলেহে খেতিয়কৰ অবস্থাৰ উন্নতি হব। কিন্তু আমি

দেখিবলৈ পাইছো যে বছৰি বছৰি আমাৰ বানপানীৰ সমস্যাটো বাঢ়ি আহি আমাৰ খেতি বাতি সমূলে নষ্ট কৰি আহিছে। উপাধ্যক্ষ মহোদয়, আপুনি নিজে জানে যে আপোনাৰ সমষ্টি আৰু মোৰ সমষ্টিৰ মাজত পোকলগা নদী এখন আছে। এই নদীয়ে বছৰি বিষ্টৰ ক্ষতি সাধন কৰি আহিছে। আজি ২ বছৰৰ পৰা তাত জলসিঞ্চনৰ বিভাগৰ দ্বাৰা Survey আদি হৈছে। কিন্তু এই নদী নিয়ন্ত্ৰন সম্পৰ্কত চৰকাৰে আজিলৈকে একো বন্ধবস্ত কৰা নাই। যোৱা বানপানীত এই নদীয়ে অজস্য টকাৰ সা-সম্পত্তি আৰু খেতি নষ্ট কৰিলে। অহা বছৰত যদি এই নদী নিয়ন্ত্ৰনৰ ক্ষেত্ৰত কিবা বন্দবস্ত নকৰে তেনেহলে তাৰ পৰা ৰাইজৰ ঘৰ-দুৱাৰ আৰু খেতি-বাতিৰ নিৰাপত্তা নহব। মই আশা কৰো চৰকাৰে এই ক্ষেত্ৰত বিশেষ ব্যৱস্থা লব। আৰু বান্ধ মথাউৰি তৈয়াৰ কৰি যেন খেতিয়কৰ নিৰাপত্তাৰ ব্যৱস্থা কৰিব। আৰু এনেকৈ কৰিলেহে খেতিয়ক সকলৰ মনলৈ উৎসাহ আহিব।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ ৰাজ্যখনৰ উন্নতি অধুন্নতিৰ সম্পৰ্কে যথেষ্ট আলোচনা বিলোচনা হৈছে। আজি সমৃদ্ধিৰ বৈষম্যতা আমাৰ চৰকাৰৰ মাজত দেখা গৈছে। তাৰ ফলত আজি মানুহৰ মাজত দুই এটা অসন্তোষৰ ভাব সৃষ্টি হৈছে। প্ৰতে'ক অঞ্চলতে উন্নতি হৈছে বুলি কোৱা টান। আজি হয়তো কিছুমান জেগাতহে উন্নতি হৈছে; কিন্তু কিছুমান জেগাত উন্নতি হবলৈ এতিয়াও বহুত বাকী। কবলৈ গলে আমি দেখিবলৈ পাইছোঁ যে বিশেষকৈ টাউন কমিটি গঠন কৰাত গুৱালপাৰা জিলা অৱহেলিত হৈছে। গতিকে সেই ঠাই বিলাকৰ টাউন বিলাক টাউন কমিটিত ৰূপান্তৰিত কৰি উন্নতি কৰিবলৈ বিশেষ ভাবে মই চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰিলোঁ—। বিশেষকৈ বিজনী আৰু বাচুগাওঁ এই দুখন টাউন টাউন কমিটিৰ প্ৰস্তাৰ লৈ বহুত দিন দেৰি হৈ গৈছে।

খেতিৰ ক্ষেত্ৰত এনে কিছুমান অঞ্চল আছে যত বিদ্যুৎ শক্তি সৰবৰাহ কৰিব পাৰিলে আৰু পানী যোগানৰ ব্যৱস্থা কৰি দিব

পাৰিলে উত্তম টাইচুং খেতি হব পাৰে। বহুতো অঞ্চলত আজিলৈকে বৰষুণ হোৱা নাই। সেই কাৰণে তাত ধান, মৰাপাট গজাব পৰা নাই। সেই বিলাক ঠাইত power pamp, lift pamp ৰ ব্যৱস্থা কৰিব পাৰিলে তাত ধান গজিব মৰাপাত গজিব। আমি যদি ঘাটি বাজেট দেখুৱাওঁ আৰু ৰাইজৰ কোনো উন্নতি দেখুৱাব নোৱাৰোঁ, তেনেহলে ৰাইজে কেতিয়াও সহ্য নকৰিব। এই বিলাকৰ প্ৰতি চৰকাৰক সতৰ্ক কৰি দিলোঁ। আজি মোৰ সমষ্টিত পাখাজানি নামৰ এটা Irrigation Scheme আছে। তাত আগতে বহুতো মানুহৰ মাটি ভেটি চৰকাৰে অধিগ্ৰহন কৰিছে। কিন্তু মাত্ৰ দুই চাৰিজন মানুহৰ আপত্তিৰ কাৰণে কামটো হোৱা নাই। গতিকে বেচি ভাগ মানুহ এই কথাৰ কাৰণে অসন্তুষ্ট।

বিজুলী শক্তিৰ অপচয়ৰ কথা যথেষ্ট ভাবে আলোচনা হৈছে। বিজনী টাউনত বিজুলী সৰবৰাহ হোৱা কথাও আছে। তাত Saw mill, Rice mill, Splin Factory আছে কিন্তু দুখৰ বিষয় চৰকাৰৰ যথেষ্ঠভাবে দৃষ্টি আকৰ্ষন কৰা স্বত্বেও, তাত বিজুলী শক্তিৰ বন্ধবস্ত কৰা নহল। তাত দুবাৰো বিজুলী সৰবৰাহৰ খুটি অনা হল। কিন্তু বিজুলী সৰবৰাহ নোহোৱাটো দুখৰ কথা। সেইদৰে বাসুগাওঁলৈ খুটা অনা হল। টাৰ লগালে। কিন্তু সেই সকলো যেই সেই ভাবে পৰি থাকিল। সেই ঠাইবিলাকত এতিয়া গৰু বাচুৰ চৰি ফুৰিবলৈ টান হৈছে। এই অৱস্থা চলি থাকিলে মানুহৰ চৰকাৰৰ ওপৰত কি ধাৰণা হব? সেই কাৰণে চৰকাৰৰ এইবিলাক কথাৰ প্ৰতি দৃষ্টি আকৰ্ষন কৰি মোৰ বক্তব্য ইমানতে সামৰণি মাৰিলো।

**Shri Matilal Nayak:** উপাধ্যক্ষ মহোদয়, আমাৰ বিত্তমন্ত্ৰী মহোদয়, যিখন বাজেট এই সদনত উথাপন কৰিছে, তাৰ হিচাব খণ্ডলৈ যদি চোৱা হয়, তেন্তে এইটো ঘাটি বাজেট হব বুলি ধাৰণা নহয়।

কাৰণ দেখা যায় যে, প্ৰত্যেকটো Depttৰ পৰা সকলো সুবিধা-অসুবিধা বাহিৰ কৰি আনি বহুতো যোগ-বিয়োগ কৰি আমাৰ আগত দাঙি ধৰিছে। কিন্তু কাৰ্য্যত: দেখা যায় যে এইটো ৰাইজক ভুৰা দিয়া বাহিৰৰআন একো নহয় আৰু দেখিছো যে আপোনালোকে সকলো Supplementary Demand পাছ কৰি লৈ যায় আৰু কংগ্ৰেছৰ মুৰব্বী সকলৰ কাৰণে টকাৰ কোনো অভাৱেই নাই আৰু আমি টকাৰ কথা কলে কয় যে ঘাটি বাজেট কাৰণে টকা নাই। কিন্তু কংগ্ৰেছ মুৰব্বী সকলক টকা দিয়াৰ ব্যৱস্থাও হয়, আৰু সেই টকা Supplementary Demand হিচাবে লৈ যায়।

আজি তিনচুকীয়া ৰাইজলৈ যিখিনি টকা বিভিন্ন উপায়ে লৈ গৈছে সেইখিনি টকা যদি খেতিয়ক ৰাইজক দিলেহেতেন তেনেহলে অসমত বহুত খেতি-শস্যাদি যথেষ্ট উৎপন্ন হল হেতেন আৰু মঠাউৰিৰো বিশেষ উন্নতি সাধন কৰিব পৰা হল হেতেন।

মই যোৱা Assembly-ত এটা প্ৰশ্ন কৰিছিলোঁ যে আমাৰ কিমান Officer Suspend হৈ আছে আৰু তাৰ ভিতৰত কিমানক পুণৰ চাকৰিত নিয়োগ কৰা হৈছে? কিন্তু আজি দুই বছৰে তিনিবাৰ প্ৰশ্ন কৰিও সেই প্ৰশ্নৰ উত্তৰ নাপালোঁ। মই জনাত এই Case বিলাকৰ কাৰণে কোটি কোটি টকা ভৰিব লগা হব আৰু এই Case বিলাকৰ শতকৰা ৯৫ ভাগকে পুণৰ নিয়োগ কৰিব লাগিব। মই উদাহৰণ স্বৰূপে কব পাৰো যে শ্ৰীদেব বৰুৱাৰ ভুলৰ কাৰণে বহুত শিক্ষকক ক্ষতি পূৰণ দিব লগা হল। এনেকৈয়ে টকা খৰচ কৰিবলৈ কি অধিকাৰ আছে? মন্ত্ৰী উপমন্ত্ৰী ভ্ৰমণৰ কাৰণে বহুতো টকা নষ্ট হৈছে। অফিচাৰ সকলে নিজে কাম কৰিব নোৱাৰা হৈ পৰিছে, সকলো কামৰ কাৰণে মন্ত্ৰী সকলে হস্তক্ষেপ কৰে। অফিচাৰ বিলাকে যেতিয়া কোনো এটা সিদ্ধান্ত লব খোঁজে তেতিয়া মন্ত্ৰীসকলৰ

লগত কিছুমান Influential মানুহে মন্ত্ৰীসকলৰ দ্বাৰাই সিদ্ধান্ত লৰচৰ কৰিব পাৰে আৰু আনকি এই Influential মানুহ বিলাকে বিষয়া সকলৰ চাকৰিৰ স্থান অদল বদল কৰিব পাৰে মন্ত্ৰীসকলৰ সহায়ত। এই শাসন ক্ষেত্ৰত কৰ খোজোঁ যে শিক্ষা, কৃষি আৰু স্বাস্থ্য এই তিনিটা বিভাগৰ ওপৰত বিশেষ গুৰুত্ব দি টকা বেচি পৰিমাণে দিব লাগে।

( Avoice—Industry ত গুৰুত্ব দিব নালাগে নেকি ? )

মই বৰ বিশেষ গুৰুত্ব নিদিও। আমাৰ মানুহে চৰকাৰৰ পৰা ঋণ পাব বুলি আশা কৰি থকাৰ কাৰণেই কোনো Industry গঢ়ি উঠিব পৰা নাই। নহলে পঞ্জাৰৰ দৰে আমাৰ বিশেষকৈ বৰপেটাত বহু Industry গঢ়ি উঠিল হেতেন। সেয়েহে Industry Dept তুলি দিয়াত মোৰ কোনো আপত্তি নাই।

আজি চৰকাৰৰ যিবিলাক Industry আছে তাতো চৰকাৰৰ লাখ লাখ টকাৰ লোকচান হৈছে। কিছুমান Industry আছে য'ত তাৰ কোনো Utilisation Report চৰকাৰে নিদিয়ে। গুৱাহাটীৰ CERAMICS Industry অচল হৈ মিচিন পত্ৰ সকলো এনেয়ে আছে। লাগিলে মই এই বিলাকৰ তথ্যপাতিও চৰকাৰক দিব পাৰো; আৰু লগে লগে উদ্যোগ মন্ত্ৰীকো দিব পাৰো। অৱশ্যে মোৰ লগত এতিয়া নাই।

গবৰ্ণমেণ্টৰ যি, Weight and Measure Dept. আছে তাৰ কামো ঠিকমতে চৰকাৰে চলাব পৰা নাই। কাৰণ গাৱ অঞ্চলত এতিয়াও ৪০ K. G. ত ১মোণ চলি আছে। এই সৰু সুৰা কথা বিলাকত চৰকাৰে মন দিয়া উচিত।

আমাৰ চৰকাৰৰ এটা ইলেকচন Dept. আছে। আৰু ইলেকচনৰ কাম ইলেকচন হোৱাৰ ১ বছৰৰ আগতহে আৰম্ভ

হয় আৰু বাকী ৪ বছৰ এনেয়ে বহি থাকে। আমাৰ Supply বিভাগতো যিমান বিলাক Supdt আজি আছে--তাতো ইমান বিলাকৰ প্ৰয়োজন আছে বুলি নাভাবোঁ। E A C বিলাকৰ এতিয়া বেদখলি কৰা মানুহক তুলাই দিয়া Duty হৈ পৰিছে তাত বাহিৰে ২/১ টা কেচ শুধা আৰু একো নাই॥ আমাৰ চৰকাৰে এখন লটাৰী কৰিব খুজিছে ইয়াতো প্ৰায় ১০/১১ জন অফিচাৰ নিয়োগ কৰিব লাগিব। মই ভাবো যদি এই লটাৰী Dept ও যদি ইলেকচন Dept লগতে দিয়া হয় তেনেহলে "ইলেকচন' অফিচৰ মানুহ বিলাকেই সেই কাম কৰিব পাৰিব—আৰু চৰকাৰৰ বহুতো টকা ৰাহি হব।

উপাধ্যক্ষ মহোদয় মই আৰু বেচি কথা নকওঁ। মই আমাৰ নিজৰ কথাকেই কওঁ। আমি ৰাষ্ট্ৰৰ প্ৰতিনিধি হিচাবে ইয়ালৈ M. L. A. হৈ আহিছো। আৰু আমি ১০ টা পৰা ১২ টালৈ আকৌ ২ টাৰ পৰা ৪½ বজালৈ মিটিং কৰিছো। আৰু এই দৰে বহি বহিয়ে আমি ৯০ বা ১০০ দিন Assembly ত থাকো। এইদৰেই Assembly ও দিনে প্ৰায় ৩/৪ হাজাৰ টকা খৰচ হয়। মই মাত্ৰ চৰকাৰৰ খৰচৰ নমুনাহে দেখুৱাছো। ইয়াকে নকৰি চৰকাৰে ১০ দিনকৈ বছৰত ৪ বা ৫ বাৰ Sitting কৰিলে টকাও কম খৰছ হয় আৰু আমিও একে লেঠেৰি ১০/১২ দিন Assembly বহিব পাৰো। আমাৰ যি Pine wood Hotel আছে তাত আমাৰ সদস্য শ্ৰীযুত দেৱেশ্বৰ শৰ্ম্মা, শ্ৰীযুত বিষ্ণুৰাম মেধি আদি আছে। তেখেত সকলোকো আগতে ডাঙৰ ঘৰ নালাগিছিল জানো? আৰু বহুতো Quarter তাত এনেয়ে পৰি থাকে। তাৰ Cottage বিলাকত মন্ত্ৰী বাসভবন হোৱা উচিত আমাৰ মাননীয় Revenue Minister ৰ লৰা-ছোৱালী এতিয়া নাই।

(হাঁহি)

ইমান এটা ডাঙৰ ঘৰৰ প্ৰয়োজন নাই।

উপাধ্যক্ষ মহোদয়, আমাৰ গুৱাহাটীত যি Tribel belt খুলি দিয়াৰ কথা আছিল সেইটো হব নালাগে বুলি বহুতে আবেদন নিবেদন কৰিছিল। কিন্তু কংগ্ৰেছৰ নেতাসকলে ইয়াকে বাহাল ৰখাৰে প্ৰচেষ্টা চলাইছে। ৰাইজৰ ভোটেৰে প্ৰতিনিধি হোৱা মেম্বৰ সকলক কোনো ইয়াত্বা নিদিলে। এনেদৰে যদি ৰাইজৰ প্ৰতিনিধি কংগ্ৰেছ আৰু অপোজিচনত এক হোৱা দিচিচনটো একো ইয়াত্বা দি নাথাকে – তেতিয়া হলে ভৈয়ামৰ জনজাতি বিলাকেও অনতি পলমে Separate State বিচাৰিবলৈ বাধ্য নহব জানো? এনেদৰে শাসনতন্ত্ৰ চলিলে গণ্ডগোলৰ কোনো শাম নাকাটিব।

মই ভাবো এই গণ্ডগোলৰ মূল বহুত দিনৰেপৰা চলি আহিছে। আগৰ মন্ত্ৰী শ্ৰীবিষ্ণু মেধিৰ দিনৰ পৰাই চলি আহিছে আৰু Step by Step এইটো বেচি হৈ আহিছে। মিঠা আমৰ পুলি ৰুলেহে মিঠা আম খাব পোৱা যায়।

সেইকাৰণেই এইটো বেচি ভয়াবহ ৰূপলৈ পৰিণত হোৱাৰ আগতেই চৰকাৰে ইয়াৰ সমাধান কৰিব নোৱাৰিলে ইয়াৰ অৱস্থা বৰ বেয়া হব। আৰু মই ভাবো এইটো অচিৰেই চৰকাৰে সমাধান কৰিবলৈ ভাবি চোৱা উচিত হব।

Shri Jatindra Mohan Barbhuyan : মাননীয় উপাধ্যক্ষ মহোদয়, আমাদের বিত্তমন্ত্রী মহোদয় এই বৎসরের বাজেটকে ঘাটতি বাজেট বলে পেশ করেছেন। গত ৩ বৎসর ধরে এই ভাবে আমাদের বাজেটকে ঘাটতি বলে পেশ করা হচ্ছে। বাজেট সংক্রান্ত আলোচনায় আমার পূর্ববর্তী অনেক বন্ধুই অনেক আলোচনা করেছেন। প্রশাসন শিক্ষা, কৃষি ইত্যাদি বিষয়ে সরকারের দুর্নীতির কথা বহু সদস্যই আলোচনা করেছেন। কৃষি সম্পর্কে আমার মাননীয় সদস্য শ্রীমইনুল হক চৌধুরী সাহেব অত্যন্ত প্রাঞ্জল ভাষায় কৃষিমন্ত্রীর সমালোচনা করেছেন এবং নানা বিধ তথ্য উদ্ঘাটন করে দেখিয়ে-

ছেন। অবশ্যে আমার মাননীয় সদস্য পূর্বে কংগ্রেসী মিনিষ্টার ছিলেন। হয়তোবা সেই জন্যই তিনি সমস্ত বিষয়ের তীব্র সমালোচনা করেন।

উপাধ্যক্ষ মহোদয় মাননীয় সদস্য মইনুল হক্ চৌধুরী মহাশয় কাছেড়ের, জনৈক পি ডব্লিউডির সেক্শোনেল অফিসার ও লক্ষীপুর আঞ্চলীক পঞ্চায়েত সভাপতি শ্রীমুদসির আলী আহম্মদের বিরুদ্ধে এই বিধান সভার দুর্নীতির অভিযোগ এনেছেন। এবং সেই সঙ্গে কছাড়ের একজন মন্ত্রীকে এই সেকসোনেল অফিসারের বাড়ীতে ডিনার পার্টিতে যোগ দেওয়ার কথা উল্লেখ করেছেন। উপাধ্যক্ষ মহোদয় এই ডিনার পার্টিতে আমিও ছিলামবিষয়টা এইযে, সোনাই আঞ্চলিক পঞ্চায়েত সভাপতি শ্রীগোলাম জিলানী চৌধুরী মাননীয় মন্ত্রী শ্রীআলতাফ হোসেন মজুমদারকে তাঁর আঞ্চলিক পঞ্চায়েত এলাকা পরিদর্শন নিয়ে যান এবং যিহেতু তাঁর এলাকার কিয়দংশ আমারই নির্বাচনী এলাকার অন্তর্ভুক্ত তাই আমিও নিমন্ত্রীত হয়ে তাহাদের সঙ্গে যাই। এই সফরে আমাদের সঙ্গে ছিলেন শিলচরের এডিসনেল এক্সিকিউটিভ ইঞ্জিনিয়ার ডিষ্টিক্ট এগ্রিকালচার অফিসার, এসিষ্টেণ্ট ডাইরেক্টর অব ভেটেরিনারী ও ডিষ্টিক্ট পাবলিসিটি ও পাবলিক রিলেশন অফিসার সোনাই আঞ্চলিক পঞ্চায়েতের নির্দ্ধারিত কার্য্যসূচী অনুযায়ী আমরা আমাদের সফর শেষ করে গাওঁ পঞ্চায়েতে সভাপতি শ্রীগুলেজর আলী মজুমদারের বাড়ীতে ডিনার পার্টিতে যোগ দেই দুর্ভাগ্য বসতঃ যদি এই গুলেজর আলী মজুমদারের ভাই মাননীয় হক চৌধুরী কর্ত্তৃক অভিযোক্ত সেকসোনেল অফিচার হয়ে থাকেন তবে আমরা নিরুপায়। আর শ্রীমুদসির আহম্মদের কথা, তিনি আমার বাল্য বন্ধু ও সহপাঠী। জনসাধারণ তাঁকে সৎ ও সুযোগ্য ব্যক্তি বলেই জানে। তিনি লক্ষীপুর আঞ্চলিক পঞ্চায়েতের সভাপতি এবার বিনাপ্রতিদ্বন্দ্বিতায় নির্বাচিত হয়েছেন গত বারেও তিনি সভাপতি নির্বাচিত হয়েছিলেন। অবশ্য মাননীয় হক চৌধুরী মহাশয়ের মনোনীত প্রার্থীকে পরাজিত করে।

উপাধ্যক্ষ মহোদয় ! আমাদের বিত্তমন্ত্রী ঘাটতি বাজেট পেশ করেছেন বলে তাঁকে আজ তীব্র সমালোচনার সন্মুখীন হতে হচ্ছে কিন্তু ঘাটতি বাজেট পেশ করা ছাড়া তাঁর আর কোন গত্যন্তর ছিল না। নূতন ট্যাক্স কমিয়ে ঘাটতি পুরনের ও কোন পথ খোলা নেই। বর্ত্তমানে যে ট্যাক্সের বোঝা—জনসাধারণের মাথায় আছে তাতেই তারা হিমসিম খাচ্ছে। নূতন ট্যাক্সেরত আর কোন কথাই উঠে না এই ঘাটতি বাজেট জন্য বিত্তমন্ত্রীকে এক তরফা দোষী করলে তাঁর উপর অবিচার করা হবে বলে আমি মনে করি। কারণ, যে জন্য বিত্তমন্ত্রীকে আমাদের আজ ঘাটতি বাজট পেশ করতে হয়েছে, তার জন্য দায়ী আমাদের কেন্দ্রীয় সরকারের গৃহীত অর্থনীতি যে অর্থনীতির জন্য আজ কি কংগ্রেসী কি অকংগ্রেসী রাজ্যসরকার গুলিকে ঘাটতি বাজেট পেশ করতে হচ্ছে। বাংলা উড়িষ্যা প্রভৃতি অকংগ্রেসী রাজ্যেও আজ ঘাটতি বাজেট এবং কংগ্রেসী রাজ্য গুলিতেও। স্বাধীনতা পর কেন্দ্রীয় কংগ্রেস সরকার মিশ্র অর্থনীতি অনুসরণ করে দেশকে পরিকল্পনার মাধ্যমে স্বয়ং সম্পূর্ণ করে তুলতে চেয়ে ছিলেন, এবং কাজ সুরু ও করেছিলেন। কিন্তু সরকারের এই মিশ্র অর্থনীতি (Mixed Economy) যে দেশের মধ্যে এক বিরাট ধনবৈষম্য সৃষ্টি করবে এবং পর পর তিনটি পঞ্চবার্ষিকী পরিকল্পনার শেষে দেশকে অর্থনৈতিক ব্যাপারে যে একেবারে দেউলিয়া পর্য্যায়ে নিয়ে আসবে তাহা বোধহয় সরকার কোনদিন চিন্তা ও করতে পারবেনি। ১৯৬৫ সালে তৃতীয় পঞ্চবার্ষিকী পরিকল্পনা কাল শেষ হয় কিন্তু অর্থাভাবে চতুর্থ পঞ্চবার্ষিকী পরিকল্পনার কাজ সুরু করা সম্ভব হল না। তাই পরিকল্পনার অর্থ সংস্থানের জন্য ভারত সরকারকে বিদেশের দ্বারে ধর্ণা দিতে হল, কিন্তু আশানুরূপ অর্থ সংস্থান না হওয়াতে তিন বছর কাল পরিকল্পনার নামে বার্ষিক পরিকল্পনার মাধ্যমে কাজ চালাতে হয়েছে। যাই হওক, অবশেষে চতুর্থ পরিকল্পনার কলেবরকে কাঁটছাট করে আগামী ১ লা এপ্রিল থেকে তা চালু করা হবে। এই পরিকল্পনার জন্য আসাম সরকার

চেয়েছিলেন মোট ৩৮৫'১৭ কোটি টাকা কিন্তু কেন্দ্রীয় সরকার তা কেঁটে দিয়ে মাত্র ২২৫'৫ কোটি টাকা দিয়ে চতুর্থ পরিকল্পনাকে রূপায়িত করার পরামর্শ দিয়েছেন ।

উপাধ্যক্ষ মহোদয়, কেন্দ্রীয় সরকারের গৃহীত মিশ্র অর্থনীতি সম্পর্কে যতই ষালভরা কথা বলা হউক না কেন আমি ব্যক্তিগত ভাবে এই অর্থনীতির উপর বীতশ্রদ্ধ এই অর্থনীতির ফলেই আজ দেশের অর্থনৈতিক চাবিকাটি মাত্র কয়েকটি পুঁজিপতি পরিবারের হাটে চলে গিয়েছে। আর অন্যদিকে সরকার অর্থনৈতিক বিপর্য্যয়ে দিশেহারা। আমি অর্থনীতি বলতে দুটা অর্থনীতি বুঝি, যথা socialistic Economy আর Capitalistic Economy আমাদের কংগ্রস সরকারের বোধহয় এই দুইটীৰ কোনটিতেই আস্থা নেই।

তাই এই দুটোকে মিশিয়ে Mixed Economy অথাৎ মিশ্র অর্থনীতি গ্রহণ করে কংগ্রেস সরকার বাজীসাৎ করতে চেয়োছলেন কিন্তু তৃতীয় পবিকল্পনার শেষ প্রান্তে এসে সরকারের এই মিশ্র অর্থনীতি সরকারকে সথে বসিয়েছে। সরকার এই দুরবস্থাটা গল্পের সেই এক বৈরাগীর দুরবস্থার মত কৌত-কারই গল্পটি হল ঃ

এক ফকীর ও এক বৈরাগীর মধ্যে গভীর বন্ধুত্ব ছিল। তারা দুজনেই এক সঙ্গে বাস করতো। হঠাৎ একদিন তাদের মধ্যে আল্লা শ্রেষ্ট, কি হরি শ্রেষ্ট এই নিয়ে তর্ক সুরু হলো তর্কের কোন মীমাংসা হয় না। অবশেষে তারা ঠিক করলো যে দুজনেই একটী ৪০ হাত উচু গাছে চুড়বে এবং সেখান থেকে যে যার ইষ্টদেবতার নাম করে মাটীতে ঝাপিয়ে পড়বে, যে অক্ষত অবস্থায় থাকবে তার ইষ্টদেবতাই শ্রেষ্ট। কথা মত ফকিরও বৈরাগী গাছে চড়লো। প্রথমেই লাটিতে ঝাঁপিয়ে পড়ার পালা এলো ফকিরের সে কায়মন বাক্যে আল্লা-আল্লা

বলে মাটিতে ঝাঁপ দিল এবং অবিশ্বাস্য ভাবে অক্ষত রহ'ল। ফকিরকে অক্ষত দেখে বৈরাগীর মনে তার ইষ্ট দেবতা হরির শ্রেষ্ঠত্ব সম্পর্কে একটু সন্দেহ দেখাছিল। ভাবতে লাগলো যদি হরির নাম করে মাটিতে ঝাঁপিয়ে পড়ে হাত পা ভেঙ্গে আতুড় হয়ে যাই। তার চাইতে আল্লা ও হরি এই দুই নাম করে যদি মাটিতে ঝাঁপ দেই তবে একজনত নিশ্চয় আমাকে রক্ষা করবেন। তাই সে আল্লা-আল্লা-হরি-হরি বলে মাটিতে ঝাঁপিয়ে পড়লো এবং মুখ থুবড়ে পড়ে ক্ষত বিক্ষত হয়ে আর্ত্ত-নাদ করতে লাগলো।

উপাধ্যক্ষ মহোদয়! আমাদের কংগ্রেস সরকারের অবস্থাটাও ঠিক এই বৈরাগীর মত। Mixed Economy এর দোহাই দিতে গিয়ে কংগ্রেসী সরকারের অর্থনীতি আজ ক্ষত বিক্ষত।

উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্রী বলেছেন যে আমাদের আর্থিক আশ্রমের জন্য কৃষির উপর জোর দিতে হবে। তিনি বলেছেন যে কৃষি উন্নয়নের জন্য উপযুক্ত পরিবেশ সৃষ্টির প্রয়োজন। কিন্তু কি ভাবে এই পরিবেশ সৃষ্টি হবে? যত দিন না আমাদের বর্ত্তমান সামন্ততান্ত্রিক ভুমি ব্যবস্থার বৈপ্লবিক পরিবর্ত্তন না হয় ততদিন কৃষি উন্নয়নের উপযুক্ত পরিবেশ সৃষ্টি করা কিছুতেই সম্ভব নয় বলে আমি মনে করি। যে দেশে শতকরা ১৪ জন লোকের কাছে দেশের মোট কৃষিযোগ্য ভুমির শতকরা ৬২ ভাগ বাধা পড়ে আছে আর শতকরা ৮৬ জন লোক শতকরা ৩৮ ভাগ জমি নিয়ে কাড়াকাড়ি করে মরছে যে দেশে কি ভাবে কৃষির উন্নতির জন্য উপযুক্ত পরিবেশ সৃষ্টি করা সম্ভব? এই ৮৬ জন লোকের কারোই Economic holding নেই, তাদের জমির আয় থেকে কোনমতে তাদের গ্রাসাচ্ছাদন হয় কিনা সন্দেহ। উদ্বৃত্ত অর্থ তাদের কাছে না থাকলে কি ভাবে তারা ব্যয়বাহুল বৈজ্ঞানিক চাষে উদ্বুদ্ধ হবে?

আর অন্য দিকে যে ১৪ জন লোকের হাতে ৬২ ভাগ জমি তারা তাদের জমির মাত্র এক ভগ্নাংশে বৈজ্ঞানিক প্রথায় চাষ করে। কাজে কাজেই দেশের বিরাট পরিমান জমিতে বৈজ্ঞানিক প্রথায় চাষ সুরু করা সম্ভব হচ্ছে না। যে সব জমিতে চলছে গতানুগতিক চাষ ব্যবস্থা। সুতরাং আমাদের সামন্ততান্ত্রিক ভূমি ব্যবস্থায় কৃষির বিশেষ উন্নতি সম্ভব নয় যদিও সরকার সিলিংএক্ট আধিয়ার এক্ট প্রভৃতি প্রবর্ত্তন করে বৈপ্লবিক ভূমি নীতি গ্রহণ করার কথা বলছেন কিন্তু তা শুধু কাগজে কলমেই সীমাবদ্ধ। এসব আইনের বাস্তব প্রয়োজন সরকার ব্যর্থ হয়েছেন এবং এইসব আইনের জন্য সাধারন গরীব চাষীরা বিপন্ন বোধ করছে।

মাননীয় উপাধ্যক্ষ মহোদয়, অবশেষে আমি আমার কাছাড় জেলা সর্ম্পকে কয়েকটি কথা বলে আমার বক্তব্য শেষ করছি। সরকার সব ব্যাপারে কাছাড় জেলাকে অবহেলা করে চলেছেন। গৌহাটী মেডিকেল কলেজ ও শিলচর মেডিকেল কলেজ একদিনেই সুরু হয়েছিল। গৌহাটী মেডিকেল কলেজ এখন একটি পুনাঙ্গ কলেজ আর শিলচর মেডিকেল কলেজ এখনও আতুড় ঘরে। কেন এই বৈষম্য? আমরা মনে করছিলাম যে প্রাক্তন স্বাস্থ্য মন্ত্রী শ্রীবৈদ্য নাথ মুখার্জ্জী অন্ততঃ একজন কাছাড় বাসী হয়ে শিলচর মেডিকেল কলেজকে তাড়াতাড়ী একটি পূর্ণাঙ্গ কলেজে পরিণত করবেন, কিন্তু দুখের বিষয় তিনি তাঁর অপদার্থতার স্বাক্ষর রেখে মন্ত্রীসভা হতে বিদায় নিয়েছেন। তারপর এলেন কাছাড়ের একজন কৃতি সন্তান শ্রীসতীন্দ্র মোহন দেব। কিন্তু তিনিও তার অযোগ্যতার জন্য স্বাস্থ্যমন্ত্রীর পদ থেকে ইস্তফা দিলেন। বর্ত্তমানে আমরা একজন তরুণ স্বাস্থ্যমন্ত্রী পেয়েছি। তিনি আগামী ১৬ই মার্চ শিলচর মেডিকেল কলেজ পরিদর্শনে যাচ্ছেন। আমরা আশা করবো তিনি অবিলম্বে এই শিলচর মেডিকেল কলেজকে একটি পুর্ণাঙ্গ কলেজে পরিণত করবেন।

দ্বিতীয়তে, শিলচর রিজিওনেল ইঞ্জিনিয়ারিং কলেজর কথা বলছি। এই কলেজ কি কোনদিন প্রতিষ্ঠিত হবে? আমার সন্দেহ হচ্ছে কোন চক্রান্ত চলছে কিনা কারণ, রাজ্য পালের ভাষনে এবং বাজেট বক্তৃতায় এই ইঞ্জিনিয়ারিং কলেজ সম্পর্কে কোন উল্লেখ না থাকায় সন্দেহ ঘণীভূত হয়ে উঠছে।

সরকারের কাছে আমি দাবী জানাই অবিলম্বে রিজিওনেল ইঞ্জিনিয়ারিং প্রতিষ্ঠায় যেন সরকারী তৎপরতায় কোন ক্রটি না হয়। বরাক ডামের দাবী অনেক দিন আগের। এই দাবীও যেন আমাদের পুর্ণ হয়।

গতবছর এই বিধান সভায় মাননীয় শিল্পমন্ত্রী মাননীয় সদস্য তজমুল আলী লস্করের একটি প্রশ্নোত্তরে বলেছিলেন যে কাছাড়ে পেপার এণ্ড পাল্প ইণ্ডাষ্ট্রি স্থাপনের কথা সরকার বিবেচনা: করছেন। কিন্তু দুখের বিষয় এসম্পর্কে কোন কিছুই সরকার করছেন না এর কারণ কি?

গোয়াল পাড়া জেলাকে অবহেলিত রাখার জন্য আজ সমগ্র গোয়াল পাড়ায় যে অসন্তোষ ধূমায়িত হয়ে উঠিছে কাছাড়েও তার প্রতিক্রিয়া দেখা দিচ্ছে। আমি সরকারেব কাছে অনুরোধ জানাই সরকার যেন আন্তরিকতার সহিত আঞ্চলিক বৈষম্য দূর করতে অগ্রসর হন।

এই বলেই আমি আমার বক্তব্য শেষ করলাম।

Shri Prabhat Narayan Choudhury: Mr. Deputy Speaker, Sir, we are discussing here about the deficit Budget before us. This is not the case of this year only. This has been our normal phenomenon

to go in for deficit budget by every year. It may so happen that at some point of time the deficit may mount up to such an extent that it may not be possible to pay the bills of the officers and employees of the State Government. Therefore, it is time now to review the whole situation. In this context I do not want to suggest any definite measures. Many of the hon. Members have given very useful suggestions for bringing about economy in the administration as also for augmenting the resources. Presently I would like to suggest that there should be a Committee like Budget Committee consisting of the Member of this House which should go into the question of augmenting resources and curtailment of expenditure to make an economic Budget. I hope Government will consider this matter and set up a Resources Committee or Budget Committee, whatever may be called, in the line of some other States.

Sir, I do not want to go to the wide range of things that have been discussed here because the time is short and my knowledge is also limited. But as a student of co-operation I want to speak something about the co-operative movement in the country. In a country like ours which is predominently inhabited by agriculturists, particularly our State where the peasantry is very

week, co-operative movement is a must.

In a democratic country co operative is the only agency which can bring economic salvation to the masses and the people in general. Here in our State also the Govt. of India direct that the Reserve Bank of India should flow resources to the agriculturists. These 3 tier system namely State Bank which is the Apex Bank, the Central Banks, the primary co-operative societies ; the Service co operatives. In Assam the co-operative movenment is in a very precarious condition. Through a Legislation namely Credit Co-operative Act came unlike many other States of the world. Committees were set up in different State in India like Maharastra and Madras. As per recomendations of the Committee India passed Act. This was anacted in 1949. But in a developing country like ours after Independence co-operative movement has a wide range of activities and a great role to play. Govt. of India prescribed certain set of model rules. Some other states passed their own Co-operative Act in the above line. Unfortunately our State has not been able to fall in line in making a co-operative societies act to cope with the present need. Co operative societies in our State is very weak. Different meeting held at different places to devise ways and measure to strengthen Co-operative Societies in the Estern zone.

There was a meeting in Bombay. There was another meeting help at Calcutta to devise ways and means. Why co-operation in Assam is weak. Our State has not been able to use the money to the extent the Reserve Bank promise. Our co-operative societies are weak. Our Apex Bank is a fairly good one. Central Banks and primary Cooperative societies have not been able to inplement the decision taken. Our State ought to have been able to reach the target for revitalising and reorganising of the co-aperative societies. Time has passed we have not been able to achieve much. We are lagging much behind. We have not been able to fulfil the target of revitalision and re-organisation. There was a formula set up by the Reserve bank that they will allow fresh loan against overdue to the extent of 20%. But here in our State that formula has not benefitted our Corperations. Assam Co-operative Apex Bank Ltd. made liberalised formula of 50. 50. The result is that even than our people are going without credit needed for agricultural movement. In this context the Govt. of India have already prepared a legislation for the State for Agricultural credit co-operation with 5 States. I do not know whether our State was consulted. After enforcement of State Credit Corportion Act. in Assam, people will run away from the co-operation. That will be the burial of

the co-operation. Mr. Goswami. and I we are here to bury Caesar and not to praise. The audit organisation, registration has been the responsibility of the Department. So far as our State is concerned, our Co operative movement is not strong The Minister will tell me sometimes that in strengthening cooperative movement Assam State co-operative Union has a role to play. Unless we have the co-operation is a strong one we cannot have a strong Union and unless the Union becomes strong co operative movement cannot flourish. This is a vicious circle. The co-operative unions should be given liberal grant. Though the Govt. of India has changed their policy of giving participation to many schemes the state Government came forward to revise the role. There were appoptionment of granting funds in between the Govt. of India and the State Govt. The Govt. of India of ate withdrawn all the facilities. Our State co-operative union took up the responsibilities of propaganda, publicity as well as for co-operative training. Co-operative training in the basic institute of Joysagar as well as for Members Education Programme. Now an acute situation has arisen here. The State Govt. has not yet come forward of meeting the obligation. We are to discusse this matter. This is not only the case. of Assam. I have seen some of the

State Co-operative of India, Maharastra which has a very strong/, co-operative movement and the deficit is wiped up by the Govt. itself. Here in our State we have got only the basic co oper-ative instituion. Other States have got co operative colleges but we have not yet a definite seheme for having a-Cooperative College to be set up here. In the co-operative movement the co oper ative officers must have faith in co-operative. Not only the Minister, the M. L. As and the Panchayat leaders must have faith in co-operative movement. Some time past a committee was set up by thes Govt of India to decide as to who should be the Registrar of Co-operatives. They decided that the leadaship of late lamented Baikunta Mehta committee decided that the Registrar of Cooperative should either be an I. A. S. officer with 5 years or one person promoted from Co operative Department to the post of an I. A. S. experienced in co-operative. Futhere in Assam persons rejected by other depart-ments are taken as Registrar of Co-operatives Societies.

What happened sometime ago under the direc-tion of the Govt. of India our State Govt. wanted to re-organise the Central co-operative Banks. What was done in case of Kamrup Cen-tral Bank ? A co-operative Society like this can-

not be organised without first amending the Byelaws of the existing Central Bank. But organisation of Kamrup Central Bank with over lapping area with Nalbari Central Bank is illegal. So, Kamrup Central Bank is an illegitmate child of the co-operative Department. Again, year after year speaking to the Minister and every body in the Department, the reply is that let the movement came together. That can not be so. When the Govt. have taken responsibility of making rural credit available, it can not shirk responsibilitiy. People of Nalbari are suffering for no faults of theirs. There was a conference of credit Institutions and Banks and it was held under the leadership of Mr. Chaliha and he also directed some ways to be found out to meet the rural credit of the agriculturiss of Nalbari but nothing has as yet been done. The people have no fault but they are deprived of getting the due share out of the co-operative credit and other facilities.

But in respect of Nalbari, Govt. have completely ignored or denied to give facilities. So, Sir, it is high time that some specific measures should be taken so that the Central Bank is amalgamated and loan is given to the people of this Sub-division.

Sir, I would like to speak a few points about

Handloom Co-operatives. Sir, we have a Handloom Section of the Co-operative Department. The Handloom Co-operative Department is manned by those who have no technical knowledge nor business ability. This state of affairs is going to worse for a long time past. The result is that there is wastage of public money. The parts and machineres like powerloom; Jacquard purchased by non-technical persons who have no knowledge whatsover may be and as a result none of the Cooperatives particularly Powerloom Cooperatives except one managed of the Apex Weavers Corporation Ltd. are functioning properly. So, Sir, my suggestion is that Handloom Co-operatives should be manned by proficient technical persons as has been done in all other States of India. In case of Orissa, what has been done there ? It is manned by persons who are technically qualified who has reponsibility both inside and outside the Hand loom co-operatives works and I have seen they are funetioning very well both in industry and in business. I suggested the same thing to the State Government, but possibly the State Governmeut has not paid due consideration to it. The result is that a huge number of Jacquerd, flyshuttle looms and accessories are lying unused at Gauhati godown and many other godowns in each subdivision for years together, and most of the parts have been rusted.

That is also the case with the Power-looms. These were also purchased by persons having no technical knowledge. Persons to whom given for operating are also not technical personnel and not gifted with technical know-how. The result is that a large number of powerloom in almost all powerlooms co-operative are lying idle. They have also no resources. Most of the power-looms are defective. They were purchased by the Departmental officers through one Kanaria of Calcutta.

( A Voice — In which year ? )

That relates to 4 or 5 years,

Shri Lakshmi Prasad Goswami ( Minister ): ( When the honourable member was the Chairmen of the Apex Marketing Society ? )

Shri Prabhat Narayan Chowdhury : No, no. I had no business to purchase. This was purchased by the officers of the Department and not by the Apex Society. I want to say emphatically that this Society has nothing to do with the power looms and handlooms purchased by the Department.

This purchase was made through the agency of Kanari of Calcutta where our officers found

a good resort.

( Bell Rings )

Sir, I am going to finish my speech just with one point only. This is about rebate business. This rebate business is going on unabated. Unfortunately, Government of India granted 5 p. c. of the price of production as reabate. But what has happened ? The Society producting fabrics of the value of the rebate given earn similar amount of rebate. In other words rabate is granted an false account which is not the account of production possibly business of purchased cloth ?

( Voice can you give some instances ? )

There are inumerable instances. In respect of Sualkuchi and many other Villages possibly Khagarijan Industrial cooperative that is also an instance of the some and the society is under suspension. Now, Sir, my point is so long the handloom is not properly manned by those who have technical knowledge about it, the Co-operative cannot give good result.

Sir, my last point is about purchase of parts and machinery of rice mills. These are also purchased by the departmental officers having no technical knowledge and the result is that

many of them have constant defects and some of them could not be commissioned.

Shri Lakshmi Prasad Goswami ( Minister ) : Can the hon. Member cite some names ?

Shri Prabhat Narayan Choudhury : Yes, I can cite so many names. Say, Mussalpur Society, the machinery are rusted there. There is another at Tamulpur these machinery are rusted there: At Ranginya also these machinery are lying idle and are not in a position to function so long power is not supplied. Many other societies also lying idle for this and that reason. So, technical men must be there and side by side there should be timely financial help if we want to mean business. It is purely a business concern and it is taken up with the business idea. So, the departmental officer cannot manage it so easily.

( Bell Rings )

Shri Durgeswar Saikia : মাননীয় উপাধ্যক্ষ মহোদয়, মই বাজেট বক্তৃতাৰ লগতে বাহিৰা কথাও এটা কব খুজিছোঁ। অৱশ্যে কোনো বাহিৰা কথা নহয় সদনৰে কথা।

মাননীয় বিত্তমন্ত্ৰী মহোদয়ে ৫০ কোটি টকা ঘাটি হোৱা বুলি

বাজেটত দেখুৱাইছে। ই অৱশ্যে সচাকৈ চিন্তাৰ বিষয় হৈছে।

কিন্তু বিধান সভাৰ সদস্যসকলৰ বক্তৃতাটো ওপৰত থকা Press Reporter সকলেও ২২ টা বজাৰ পিচত কিবা Discrimination কৰে নেকি? কাৰণ ২২ টা বজাৰ পিচত বক্তৃতা দিয়া সদস্যসকলৰ কথা উল্লেখ নাথাকে কিয়? (noise)?

আৰু এটা কথা মোৰ নামটো আছিল ১০ নম্বৰত। কিন্তু পাঁচজন সদস্য উপস্থিত নথকাত, ময়েই বক্তৃতা দিব লগা হ'ল। কিন্তু এই ২২ টা বজাৰ পিচত হোৱা বাজেট বক্তৃতাবোৰৰ কথা কাগজত উল্লেখ নাথাকে সেই কাৰণে মই কব খুজিছোঁ। যে এই ২২টা বজাৰ পিচত যিবোৰ কথা সদনৰ ভিতৰত আলোচনা কৰে, সেই বিলাকো কাগজত উলিওৱাৰ চেষ্টা কৰিব লাগে। গতিকে ২২ টা বজাৰ পিচত হোৱা কথাবোৰ কাগজত উলিয়াবৰ কাৰণে চৰকাৰে press অৰ লগত সমন্ধ ৰাখিব লাগে আৰু যাতে আলোচনা হোৱা প্ৰত্যেক কথাই publish হয় তাৰ কাৰণে উপযুক্ত ব্যৱস্থা কৰিবনে?

**Shri Gaurisankar Bhattacharyya:** Sir, on a point of order. Sir, I think what the hon. Member has said cannot be taken lightly, because it is an established principle of the legislature that they must not speak to the gallery, including the press gallery. If you arrange for publication of the daily proceedings on the next day or the day after, this is a different thing. Even then the Members should not address or should not mean to address to the gallery including the press gallery.

**Mr. Deputy Speaker :** Do you like me that. I should arrange such kind of publication ?

**Shri Durgeswar Saikia :** মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই বাজেট বক্তৃতাত ৫০ কোটি টকা ঘাটি হোৱাৰ কথা কৈছে আৰু কেই বছৰ মানৰ ভিতৰত কিমান ঘাটি হবগৈ ইয়াৰ প্লেন হৈছে নে নাই ? আৰু এই ঘাটি পৰা পদ্ধতিটো বন্ধ কৰিব লাগে। যদি ঘাটি পৰাটো বন্ধ কৰিব পৰা নহয়, তেন্তে আমাৰ ৰাজ্যখনৰ অৱস্থা ভবিষ্যত কি হব ? সেইটো সকলোৰে জনা কথা। আমাৰ বেচেৰা বিত্তমন্ত্ৰীয়ে কি কৰিব ? তেখেতে বাজেটৰ অঙ্ক কৰোতে কৰোতে ৫০ কোটি টকা ঘাটি হলগৈ।

তাৰ পিচত আমাৰ শ্ৰীপ্ৰভাত চোধাৰি ডাঙৰীয়াই কৈছে বাজেট তৈয়াৰ কৰোতে এটা বাজেট কমিটি হব লাগে। ময়ো কওঁ এই কমিটি হোৱাটো ভাল। Finance Dep't. এ এইটো কৰিব লাগে। বাজেট practical আৰু বাজেটৰী বা বাজেট Theory System হব নেলাগে। কাৰণ আমিও স্কুল আদিত বাজেট কৰোতে তেনে practical বাজেট কৰিবলৈ চেষ্টা কৰা হৈছে।

যিটো কমিটি হব সেইটোত expert মানুহ দিব লাগে সেইটো কমিটিৰ মাজত Secrecy থাকিব লাগে বিত্তমন্ত্ৰী ডাঙৰীয়াই এটা খুউব ভাল কথা কৈছে সেইটো হৈছে "সহজ কামৰ পৰিবৰ্ত্তে টান কাম কৰিব লাগে। "সেইবিলাক গুনগত উন্নয়নত মনোনিবেশ কৰা" ।। এইটো কোন হব লাগিব কৰ্ম্মচাৰী নে খেতি-য়ক নে বনুৱা ? আমি আটাইবিলাকে টান কাম কৰিব লাগিব এইটো কেনেকৈ হব ? বক্তৃতা দিলেই নহব কামৰ যোগেদি হব লাগিব, আদৰ্শৰ যোগেদি হব লাগিব। মই আগতে ৰাজ্যপালৰ ভাষনৰ সময়ত কৈছো যে আমাৰ কামবিলাক কম হয় সেই কাৰণে

ৰাইজ অসন্তুষ্ট হৈছে। বিত্তমন্ত্ৰীয়ে এঠাইত কৈছে সেই বিলাক গুনক "সহজ কামৰ পৰিবৰ্ত্তে টান কাম কৰিবলৈ, আলসুৱা জীৱনৰ পৰিবৰ্ত্তে কঠোৰ জীৱন আকোৱালি লবলৈ অভস্ত্য হোৱা" কিন্তু কেনেকুৱা গুন কাৰ কাৰ থাকিব লাগিব ? খেতিয়কৰ নে মজদুৰ নে বনুৱাৰ নে মন্ত্ৰীসকলৰ গুন থাকিব লাগিব ? মই কওঁ বিষয়াসকলৰ বিশেষ ভাবে গুন থাকিব লাগিব। গুনমতে কাম কৰিলে ভাল ফল পোৱা যাব কিন্তু পুৰস্কাৰটো কি হব ? আমি দেখিছো কোনো কোনো বিষয়াই ৯ বজালৈকে শুই থাকে আৰু কিছুমানে ৰাতিপুৱাৰ ৫ বজাৰপৰা কাম কৰে। কিন্তু দৰ্ম্মহা সকলোৱে পায়। সেই কাৰণে গুনগত হব লাগিব। কিন্তু আমি দেখিছো একোটা বিভাগত ১৫/১৬ বছৰ কাম কৰিয়ো confirm হোৱা নাই ইয়াৰ কাৰণ কি ? ৫ বছৰ কাম কৰাৰ পিছত confirm হোৱা নিয়ম আছে যদিয়ো কিয় confirm নহয়। State transport Deptt ত বহুতে ১৫ বছৰ কাম কৰি আছে অথচ confirm হোৱা নাই। এনে কৰ্ম্মীৰ সংখ্যা ১১০০ এঘাৰশৰ কম নহয়। এই বিভাগে corporation কৰিব খুজিছে কাৰণে এই বিভাগৰ মানুহক confirm কৰা হোৱা নাই ইয়াৰ বাঁৰে কৰ্মচাৰীসকল দায়ী নে ? শিক্ষা বিভাগত Basic বিভাগটো কাম কৰা মানুহে ৩০ বছৰ কাম কৰিয়ো confirm হোৱা নাই আনকি কিছুমান Department permanent হোৱা নাই। ইমান দিন Department হনোৱাৰ পাচত Deptt টো permenent হোৱা নাই কিয় ? কিছুমানে সুবিধা পাইছে কিছুমানে পোৱা নাই এইটো কিয় হবলৈ পায়। যিবিলাকে ভাল কাম কৰে তেওঁলোকে ৰাজহুৱা ভাবে প্ৰশংসা পাব লাগে।—আমাৰ Estimate Committee নানান ঠাইলৈ গৈ আছে আৰু Public Accounts Committee য়ো গৈ আছে কিন্তু সদায় সদায় আলহি হলে কোনেও শুশ্ৰূষা কম পায় কিন্তু আমাৰ বিষয় বিলাক wastage হৈছে আৰু Revenue বিভাগৰ কৰ অনাদায়ী হৈ পৰি আছে বা tax উঠাব পৰা নাই সেই বিলাক কিয় পৰি আছে তাৰ অনুসন্ধান হব লাগে। যিবিলাক

Corporation কৰা হৈছে তাৰ ওপৰত আমাৰ কোনো হাত নাই। তেওঁলোকে কি কৰিছে তাৰো খবৰ নাই আৰু চৰকাৰে যিবিলাক Industry কৰিছে যেনে spun silk mill, Electricity Board ইত্যাদিত বহুত টকা লোকচান হৈছে। অনাদয়ী কৰ বিলাক কিয় আদায় হোৱা নাই ? আৰু যিবিলাকৰ দোষৰ কাৰণে আদায় হোৱা নাই সেইবিলাকৰ ওপৰত ব্যৱস্থা লোৱা হৈছে নে নাই আৰু যিবিলাক officer ৰ ওপৰত দায়িত্ব দিয়া হৈছে তেওঁলোকে কি কৰিছে ? কোনো এজন Revenue officer এ ভাল কাম কৰিলেও তেওঁক বুদ্ধি কৰি transfer কৰা হয় কিন্তু কিছুমান Officer এ যিবিলাকে কথা পাতিব জানে cigaratte খাব জানে কামত ফাঁকি দিব জানে তেওঁলোকে promotion পায়। গতিকে Revenue corporation Transport ইত্যাদিত Groupwise একোখনকৈ কমিটি কৰি Official non Official পৰীক্ষা লব লাগে আৰু তাৰ এটা Report Submit কৰাৰ ব্যৱস্থা হব লাগে। আমাৰ Report বিলাকৰ কোনো আলোচনা নহয়। Committee বিলাকৰ Report Govt. আৰু মন্ত্ৰীসকলেহে জানে বাইজে ইয়াৰ একো গম নাপায়। Group বিলাকৰ Report বিলাক ৩/৪ মাহৰ ভিতৰত Submit কৰা ব্যৱস্থা হব লাগে আৰু তাৰ discussion ৰ বাবে business advisory Committee য়ে মতামত আলোচনাৰ বাবে সময় ৰাখিব লাগে।

বহুতে খাতিৰ বাতিৰ ওপৰত ভাল সুযোগ পায় আমাৰ M. L. A. সকলেও চাকৰিয়ালৰ বদলি আদিৰ ক্ষেত্ৰত মন্ত্ৰীসকলৰ লগলাগি চাকৰিয়ালৰ অদল বদল কৰায়। এইটো একেবাৰেই হবলৈ দিব নালাগে আৰু সেইকাৰণে মই কওঁ যে আমাৰ M. L. A. সকলৰ কাৰণেও Conduct Rule হব লাগে। এই বিষয়টো মই ৰাজ্যপালৰ ভাষনতও কৈছো।

বহুত মানুহে খাতিৰ-বাতিৰ ওপৰত এইবিলাক সুবিধা পায়।

সেইকাৰণে মই কব খুজিছো আমাৰ কাৰণেও Code of Conduct হব লাগে।

( সময়ৰ সঙ্কেত )

'টেকচ্'ৰ সম্পৰ্কত মই কিছু কথা কব খুজিছো। এই সম্পৰ্কত বিত্তমন্ত্ৰী মহোদয়ে "ৰাজ্যখনৰ উদ্যোগিক প্ৰগতিত ক্ষিপ্ৰ হৈ উঠিব বুলি আশা কৰা হৈছে" কিন্তু, এইটো কেনেকৈ কৰিব পৰা যায় সেইটোয়েই হৈছে কথা। মই ভাবো ইয়াৰ কাৰণে সুস্পষ্ট Planning লাগিব নহলে কাম নহব। এই বিভাগত কাম কৰিবলৈ যিমানেই ওপৰ মহলাৰ কৰ্ম্মচাৰী নহওক তেওঁলোকৰ যদি অভিজ্ঞতা নাথাকে তেন্তে অকল প্ৰশাসনিক I.A.S. হলেই কাম নহব। তাৰোপৰি এই মানুহবিলাকক যদি প্ৰত্যক মাহে বদলি কৰা হয় তেনেহলে এই কাম কেনেকৈ হব? বা কেনেকৈ লাভবান হব? চাহ শিল্পৰ সম্পৰ্কত বৰ্ত্তমানে যিটো দাম কমাৰ অৱস্থা আহিছে সেইটো যদি অস্থায়ী হয় তেতিয়া বেলেগ কথা কিন্তু যদি স্থায়ী হয় তেনেহলে বৰ দুখৰ কথা হব। এই যে চাহৰ দাম কমিছে ইয়াৰ ভিতৰত বহুতো factor আছে। চাহখেতিৰ প্ৰতিপালন আৰু চাহপাত তোলা, চাহ 'প্ৰুনিং', কৰা, 'হুয়িং' কৰা, 'কৰকিং' কৰা, আদি স্তৰ বিলাকত যথেষ্ট কামৰ পদ্ধতি আছে আৰু তাৰ কাৰণে মানুহৰ প্ৰয়োজন আছে। এইবিলাক স্তৰত কাম কৰিবলৈ মানুহ লাগিব আৰু এতিয়া এইটো পৰিলক্ষিত হৈছে যে চাহ বাগিচাৰ শ্ৰমিকৰ সংখ্যা কমাই অনা হৈছে। পাচলাখ শ্ৰমিকৰ পৰা ১ লাখ কমিছে।

( সময়ৰ সঙ্কেত )

এইবিলাক বিষয়ত চৰকাৰৰ এটা কন্ট্ৰল থাকিব লাগে। ব্ৰহ্মপুত্ৰ চাহকোম্পানীৰ মজদুৰ সকলৰ চাউল যোগানৰ ক্ষেত্ৰত আগতে ২ লাখ ৫০ লাখ টকাৰ ঠাইত পিচত, বৰ্ডলৈ যোৱাৰ পিচত ১ লাখ

৭৫ হাজাৰ টকালৈ কমি আহিছে। ইয়াৰপৰা এই কথাই পৰিলক্ষিত হৈছে যে, 'প্ৰাইভেট চেকটাৰতকৈ' পাব্লিক চেকটাৰলৈ অহা শিল্পবিলাকে গা কৰিছে আৰু 'প্ৰাইভেট চেকটাৰত' থকাবিলাক শিল্পৰ উন্নতিৰ কাৰণে Legislatvie measure ৰ কথা ভাবিবৰ সময় হল।

( সময়ৰ সঙ্কেত )

উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা কব খুজিছো সেইটো হৈছে পানীদিহিং ৰিজাৰ্ভৰ কথা। এই সম্পৰ্কত মই, চৰকাৰক এটা পদ্য মাটি দিব খুজিছো সেইটো হৈছে—পানীদিহিং ৰিজাৰ্ভৰ—ৰহস্য পুৰাণ।

"ঘোষা"

কিকৰিলো কিকৰিলো ধৰ্ম্ম প্ৰৰিহৰি।
ধনলোভে তল গৈলো হীন কাৰ্য্য কৰি ॥

পদ।

মহাৰাণী ৰিজাৰ্ভৰ, অপূৰ্ব্ব কাহিনী,
অমৃত লাগয় যাক, সকলে শুনি জানি।
পৰম ৰহস্য ইটো, কলিকাল কথা
ভৈলন্ত প্ৰকাশ যেবে, নাহিক অন্যথা।
শুনা সাৱধানে লোক, ইটো ন পুৰাণ......

* * * *

ৰিজাৰ্ভত যেবে লোকে কৰিলা বসতি—
মুকলি কৰিল হাবি, বৃক্ষলতা কাটি।
সিটেন ভূমি, অতজীতে ৰিজাৰ্ভ নাছিল—
সেই হেতু বহুলোকে—কিবা কিবি পাইল।

( বিৰাট হৰ্ষধ্বনি )

ৰকৌজম নামেতাত অঞ্চল আছয়
তথাতে চৰ্কাৰে বহু, লোকক থাপয়।
একলোক সেহি মধ্যে, নাম ফিজণুৰ—
পাইল বোলে লোহা পেৰা—ধনে সোনে পূৰ।
ভাগ্যেমিলা পেৰাগোট ভূমিৰ গৰ্ভৰ—
চণ্ডালিব নোৱাৰিলে, মিলে অথন্তৰ।
সেইদোষে তাৰ পত্নী, তেজ বমি কৰি
শিশুএক এৰি বোলে চলে অন্য পুৰি।
ফিজণুৰে ভয় পাই—যথাস্থানে থাপি
ৰহিলন্ত দুখমনে আল্লা খোদা জপি।
ইকান সিকান যেবে কথা বাজ ভৈল
ৰিজাৰ্ভ সংশ্লিষ্ট দুই হাকিমে শুনিল।
পুহৰ চৌব্বিশ দিন, বুধবাৰ ৰাতি,
বেজ সহ হাকিম দ্বয়, সঙ্গে বন্দুক বাতি....
এইবিলাক হয় ৰাতি ১টা বজাত।

( সদনত হৰ্ষধ্বনি )

ফিজণুৰ ঘৰে গৈয়া ভৈল উপগত—
পুচিবে লাগিল পেৰা ৰাখি আছ কৈত।
হাকিমৰ মূৰ্তি দেখি গৃহী হুয়া ভীত—
দেখাই দিল দিল স্থান এক—আম্ৰতলে স্থিত।
এইখিন ৰাতি ১টা বজাত ঘটিছে।

× × × ×

গুপ্তধন ৰখা স্থান, যেবে দেখা পাইল
হাকিম সবৰ মহা আনন্দ মিলিল।
সত্ৰ পুত কৰি বেজে ঠিক ঠাক কৈলা
গৃহস্থ শিশুৰ গলে মাদলি আঁৰিলা।
তাহাত হাকিম পাছে আহ্লাদিত হৈই

কোৰ লৈয়া মাটি খান্দে ঘপ ঘপ কৈ ।
এনুৰা পৰত প্ৰাচে মিলে বিপৰ্য্যয়
গাওৰক্ষী বাহিনী তথা আসিয়া মিলয় ।
কেম্প হন্তে মিলিটাৰী, পুলিছো আহিল
হৈই চৈই হোৱা হেতু প্ৰমাদ গনিল ।
সিয়ান এক হাকিম মাৰিল পুলুকা
অন্য হাকিম বৈল তথা লাগি ভাবুকা ।
হাকিমৰ ক্ষমতাৰে বোলে গৰ্ব্ববানী—
"নিম ইটো মাল মই, কাৰ ভৈল হানি ।
"ভি দিপি" বদতি প্ৰভো, কহো একাষাৰ
ৰাত্ৰি মধ্যে কাৰ্য্যকৰা, চৰিত্ৰ কাহাৰ ?
হাকিম হৈয়া ঘোৰ নিশা, পৰ ঘৰে যাইয়ো
কোৰ লৈয়া খণ্ডা-কোৰা, কেনে ইটো মায়া ?

× × ×

এনুৰা ৰহস্য যদি শুনা চিত্ত ভৰি
ৰক্ষক যে ভক্ষক হয় ভবা যেন কৰি

× × ×

উপাধ্যক্ষ মহোদয়, পদ্যটো বহু দীঘল । মুঠতে কথাবিলাক হৈছে এনেকুৱা যে ধনৰ লোভত আজি সজ্জনেও কৰিব নোৱাৰা কাম নাই । ৰক্ষকেই ভক্ষক হৈ পৰিছে । এইবিলাকৰ ওপৰত নিয়ন্ত্ৰন আৰু দৃষ্টি ৰাখিব লাগে ।

( A Voice: এইটো পদ্য কোন সমিতিয়ে প্ৰকাশ কৰিছে )

"পাষণ্ড সমিতি—ডিমৌ"

( Voices : আপুনি সেই সমিতিৰ সভাপতি নেকি ?)

হয় ।

( সময়ৰ সঙ্কেত )

**Dr. Surendra Nath Das** : মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই সদনত, যিটো ভাষণ বাজেটৰ ওপৰত দিলে-সেইটো পঢ়ি ইয়াকেই মই পাইছো যে—এই বাজট নিৰাশাৰে পৰিপূৰ্ণ আৰু মৰিচিকা ময়। এই বাজেটত, অসমৰ ৰাইজৰ কোনো নিশ্চিত চবি-আমাৰ আগত দাঙি ধৰিব পৰা নাই। এই বাজেট ৫০ কোটি টকাৰো অধিক টকাৰ ঘাটি। এই ঘাটি, বছৰৰ শেষত ইয়াতকৈও বেচি হব। বাজটখন ঘাটি পেলাইও ৰাইজৰ ওপৰত কৰ কাটল লগোৱাৰ ব্যৱস্থা নোলোৱাটো দুখৰ কথা হৈছে যদিও ইমান বিৰাট পৰিমানৰ ঘাটি টকা কেনেকৈ পূৰণ কৰিব তাৰ কোনো ইঙ্গিত নাই। সেইকাৰণে এই প্ৰসঙ্গত, মই মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ালৈ দুটামান পৰামৰ্শ আগবঢ়াব খুজিছো।

উপাধ্যক্ষ মহোদয়, আমাৰ ইয়াত অনিয়ন্ত্ৰিত ভাবে আৰু প্ৰবল বেগে জনসংখ্যা বৃদ্ধি হব লাগিছে। এইদৰে যদি বৃদ্ধি হৈ গৈ থাকে তেন্তে প্ৰবলবেগে বাঢ়ি থকা জনসংখ্যাৰ লগত খাদ্য উৎপাদনৰ মাত্ৰাই Cope কৰিব নোৱাৰিব। খাদ্য উৎপাদন বৃদ্ধি কৰিবলৈ, কৃষিৰ পদ্ধতি যদি উন্নত কৰা নহয়, তেন্তে বৰ্দ্ধিত জনসংখ্যাৰ লগত static উৎপাদনে খাদ্য সংকট দূৰ কৰিব নোৱাৰিব। অদূৰ ভৱিষ্যতেত আৰু অধিক খাদ্যৰ অনাটন আৰু দেশজুৰী হোৱা আকালে দেখাদিব। এই মৰ্ম্মে—অসমৰ প্ৰত্যেক আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত থকা কেচামাল কামত প্ৰয়োগ কৰিবলৈ যত্নবান হোৱা উচিত হব।

## ADJOURNMENT

The Assembly then adjourned till 10 A. M. on Thusrday, the 13th March 1969.

Shillong
The 12th March 1969

U. Tahbilder
Secretary
Assam Legislative Assembly Shillong